ডিগবৈ মহাবিদ্যালয়

# আলোচনী

ত্ৰিংশত্তম্ সংখ্যা • ২০০৮-০৯ বৰ্ষ




সম্পাদক : অমৰ ছেত্ৰী




# মহাবিদ্যালয় সংগীত

ৰচনা ঃ ড° কান্তেশ্বৰ ডেকা / বিমল গগৈ
সুৰ ঃ ড° কান্তেশ্বৰ ডেকা / বৰুণ দেৱ

এয়া অসম দেশৰে প্ৰান্ত,
য'ত পনীয়া সোণেৰে প্ৰাণৱন্ত
আছে এক কামনা অনন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।
এখন ছবি এয়া বহুতো ৰঙৰ,
বহুত জনৰ আৰু বহুতো ৰঙৰ;
তথাপিও এই ছবি প্ৰাণেৰে জীৱন্ত,
মানৱ হৃদয় প্ৰাণৱন্ত ।।
সূৰুযমুখী আমাৰ এ মন
উৰ্দ্ধমুখী আমাৰ এ মন,
আমি যাওঁ - শান্তিৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ - শান্তিৰ জোনাক বিচাৰি যাওঁ ।।
মহাপ্ৰলয়ৰ মহাভাৰতৰ
ইতিহাসত আমি পাওঁ
মহান মহান কত শ্ৰেষ্ঠ তুলিকা
মানৱক আমিয়ে বিলাওঁ ।।
ডিগবৈ কলেজৰ কৃতিত্বৰে
দেশ-মাতৃৰ মুখ উজলাওঁ
আমি যাওঁ - জ্ঞানৰ পোহৰ বিচাৰি যাওঁ,
আমি যাওঁ - শান্তিৰ জোনাক বিচাৰি যাওঁ ।।



'ALOCHANI' 2008-09
DIGBOI COLLEGE MAGAZINE
30TH ISSUE

: Published by Digboi College Students' Union and edited by Amar Chetri.

---

সম্পাদনা সমিতি ঃ





| | | |
|---|---|---|
| সভাপতি | ঃ | শ্ৰীযুত মহেন্দ্ৰ ভৰালী বৰুৱা<br>অধ্যক্ষ, ডিগবৈ মহাবিদ্যালয় |
| উপ-সভাপতি | ঃ | শ্ৰীযুত গোলাপ কলিতা<br>উপাধ্যক্ষ, ডিগবৈ মহাবিদ্যালয় |
| তত্বাৱধায়ক | ঃ | শ্ৰীযুত সীমান্ত বৰদলৈ, অধ্যাপক |
| সদস্য/ সদস্যা | ঃ | শ্ৰীযুতা মামনি শৰ্মা, অধ্যাপিকা<br>শ্ৰীযুত পবন গগৈ, অধ্যাপক<br>শ্ৰীযুত পবিত্ৰ ভৰালী, অধ্যাপক<br>বন্দিতা ভট্টাচাৰ্য্য<br>বাবলু নেৱাৰ |
| সম্পাদক | ঃ | অমৰ ছেত্ৰী |
| বেটুপাত | ঃ | শ্ৰীযুত সীমান্ত বৰদলৈ |
| প্ৰকাশক | ঃ | ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা |
| মুদ্ৰক | ঃ | দি অসম কম্পিউটাৰছ্<br>পৰ্বতীয়া, তিনিচুকীয়া<br>দূৰভাষ ঃ (০৩৭৪) ২৩৩০৪২৪<br>email : assamcomputers@gmail.com<br>website : http://theassamcomputers.webs.com |

# উছৰ্গা

ডিগবৈ মহাবিদ্যালয়লৈ সেৱা আগবঢ়াই ইতিমধ্যে স্বৰ্গগামী হোৱা সমূহ শুভাকাঙ্খী ব্যক্তিৰ নামত এই সংখ্যাৰ আলোচনীখন উছৰ্গা কৰা হ'ল।

- সম্পাদনা সমিতি



**Prof. K.K. Deka, M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)**
***Vice-Chancellor***

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
**e.Mail: kkdekadu@yahoo.com**

No.DU/VC/073/09/342

Date: 25.08.2009

<u>শুভেচ্ছা বাণী</u>

প্ৰতি

শ্ৰী অমৰ ছেত্ৰী
আলোচনী সম্পাদক
ডিগবৈ মহাবিদ্যালয়
ডিগবৈ


প্ৰিয় শ্ৰী ছেত্ৰী,

মই জানিবলৈ পাই অতি আনন্দিত হৈছো যে ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনীৰ ২০০৮-২০০৯ বৰ্ষৰ সংখ্যাটি প্ৰকাশ কৰিবলৈ যো-জা কৰা হৈছে।

মহাবিদ্যালয় এখনৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ সাহিত্য আৰু চিত্ৰকলা আদিৰ প্ৰতিভা বিকাশৰ কাৰণে বিশেষ সুযোগ প্ৰদান কৰে। মই আশা কৰিছো ডিগবৈ মহাবিদ্যালয়ৰ আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলক সৃজনীমূলক প্ৰতিভা বিকাশৰ সুযোগ দিব।

আলোচনীখনি সৰ্বাংগ সুন্দৰ হওক, তাৰে শুভ কামনাৰে ---

কন্দৰ্প কুমাৰ ডেকা
২৫/৮/০৯
(কন্দৰ্প কুমাৰ ডেকা)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়



# সম্পাদকীয়

## শিক্ষা আৰু ছাত্ৰ সমাজ

প্ৰাচীন কালত শিক্ষাৰ উদ্দেশ্য আৰু ছাত্ৰ সকলৰ আদৰ্শ আছিল মনুষ্যত্বৰ বিকাশ সাধন কৰি মানৱ জাতিৰ কল্যাণ সাধন কৰা। কিন্তু আধুনিক শিক্ষা ব্যৱস্থাত ভৱিষ্যতৰ কৰ্ম সংস্থাপনৰ লক্ষ্যও জড়িত হৈ পৰিল। সময়ৰ লগত, যুগৰ লগত খোজ মিলাবই লাগিব যদিহে সৰ্বাঙ্গীন উন্নতি কামনা কৰা যায়। এইখিনিতে প্ৰশ্ন হয় যে প্ৰাচীন শিক্ষা ব্যৱস্থাই প্ৰদান কৰিব নোৱাৰাখিনি আমি আধুনিক শিক্ষা ব্যৱস্থাৰ পৰা কিমান গ্ৰহণ কৰিব পাৰিছো ? বা কি গ্ৰহণ কৰিছো ? আধুনিক শিক্ষা ব্যৱস্থাই আমাৰ ভৱিষ্যত সুনিশ্চিত কৰিব পাৰিছে নে ? ইত্যাদি।

শিক্ষা হৈছে একোটা জাতিৰ মেৰুদণ্ড স্বৰূপ। শিক্ষাৰ অবিহনে পৃথিৱীৰ কোনো জাতিয়েই সভ্যতাৰ জখলাত আৰোহণ কৰিব নোৱাৰে। এক কথাত ক'বলৈ গ'লে এখন দেশ বা এটা জাতিৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক, বিজ্ঞান, প্ৰযুক্তি আদি সকলো দিশৰ উন্নয়নৰ মূল চাবিকাঠি হ'ল শিক্ষা।

যুগধৰ্ম তথা পাশ্চাত্য সভ্যতাৰ প্ৰভাৱত ভাৰতৰ জাতীয় জীৱন, সমাজ, সংস্কৃতি সকলোতে পৰিবৰ্তন সূচনা হ'ল। ভাৰতবৰ্ষত ইংৰাজ শাসন প্ৰৱৰ্তিত হোৱাৰ পিছৰে পৰা ভাৰতবৰ্ষৰ যি প্ৰাচীন শিক্ষাদান আৰু শিক্ষাগ্ৰহণ পদ্ধতি সি স্তব্ধ হৈ ৰ'ল। তাৰ পৰিবৰ্তে পাশ্চাত্য ৰীতি-নীতি, আদব কায়দা ভাৰতত গা কৰি উঠিল আৰু লগে লগে পাশ্চাত্য শিক্ষা পদ্ধতিসমূহে বৰ পিৰা পাৰি বহিল। শিক্ষা ব্যৱস্থাত নতুন-নতুন চিন্তাৰ উন্মেষ ঘটিবলৈ ধৰিলে। প্ৰাচীন কালত শিক্ষাৰ উদ্দেশ্য আৰু ছাত্ৰ সকলৰ আদৰ্শ আছিল মনুষ্যত্বৰ বিকাশ সাধন কৰি মানৱ জাতিৰ কল্যাণ সাধন কৰা। কিন্তু আধুনিক শিক্ষা ব্যৱস্থাত ভৱিষ্যতৰ কৰ্ম সংস্থাপনৰ লক্ষ্যও জড়িত হৈ পৰিল। সময়ৰ লগত, যুগৰ লগত খোজ মিলাবই লাগিব যদিহে সৰ্বাঙ্গীন উন্নতি কামনা কৰা যায়। এইখিনিতে প্ৰশ্ন হয় যে প্ৰাচীন শিক্ষা ব্যৱস্থাই প্ৰদান কৰিব নোৱাৰাখিনি আমি আধুনিক শিক্ষা ব্যৱস্থাৰ পৰা কিমান গ্ৰহণ কৰিব পাৰিছো ? বা কি গ্ৰহণ কৰিছো ? আধুনিক শিক্ষা ব্যৱস্থাই আমাৰ ভৱিষ্যত সুনিশ্চিত কৰিব পাৰিছে নে ? ইত্যাদি। এষাৰ কথা বিনা দ্বিধাই ক'ব পাৰি যে শিক্ষা ব্যৱস্থাত ত্ৰুটি থাকক বা নাথাকক শিক্ষা গ্ৰহণৰ প্ৰতি আমি যিমান আগ্ৰহী হ'ব লাগিছিল সিমান হ'ব পৰা নাই। অইন নালাগে সাম্প্ৰতিক সময়ৰ ছাত্ৰ সমাজলৈ মন কৰিলেই এই কথা স্পষ্ট হৈ পৰে যে আমি ছাত্ৰসকল শিক্ষা লাভৰ প্ৰতি কিমান সচেতন। অনুসন্ধিৎসু মন এটা নহ'লে শিক্ষা আহৰণ কৰিব নোৱাৰি। তাৰ লগতে প্ৰয়োজন অসীম ধৈৰ্য আৰু অধ্যৱসায়ৰ। কিন্তু বৰ্তমানৰ ছাত্ৰ সমাজ উচ্ছৃংখল আৰু ভোগবাদী হোৱাৰ পথত অগ্ৰসৰ হোৱাটো সঁচাকৈ দুৰ্ভাগ্যজনক। সম্প্ৰতি যুৱ উচ্ছৃংখলতাই ভয়ানক ৰূপ ধাৰণ কৰিছে। শিক্ষিত, অৰ্ধ-শিক্ষিত, অশিক্ষিত আদি সকলো শ্ৰেণীৰ মাজতেই উচ্ছৃংখলতাই গোপন ব্যাধিৰ দৰে বিৰাজ কৰি সমাজখনক কলুষিত কৰিছে। ধৰ্ষণ, অপহৰণ, হত্যা, লুণ্ঠন, ডকাইতি, ড্ৰাগচ সেৱন আদিৰ দৰে অসামাজিক কাৰ্যত লিপ্ত হোৱা এচাম যুৱক-যুৱতী

বাতৰি কাকতৰ শিৰোনাম দখল কৰাটো এক চিন্তনীয় বিষয়। এই উচ্ছৃংখলতাৰ কাৰণ কি ? ইয়াৰ উত্তৰ বিচাৰিবলৈ গ'লে দেখা যায় ভোগবাদ ইয়াৰ প্ৰধানতম কাৰণ। শাৰীৰিক তথা মানসিক তৃপ্তি ভোগবাদৰ অন্যতম লক্ষণ। নিজৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ প্ৰয়োজনবোৰ পূৰণ কৰিবলৈ যুৱক-যুৱতীসকল ইমানেই উঠি পৰি লাগে যে তাৰ বিনিময়ত তেওঁলোকে সমাজৰ পৰম্পৰাগত নীতি-নিয়ম আচাৰ-বিচাৰ আদিৰ বান্ধোন চিঙি পেলাবলৈ অকণো কুণ্ঠাবোধ নকৰে। এই উচ্ছৃংখলতাৰ বাবে কেৱল যুৱ-সমাজ বা ছাত্ৰ সমাজকেই জগৰীয়া কৰিলে পক্ষপাত কৰা হ'ব। ইয়াৰ বাবে সমানেই দায়ী, প্ৰশাসন ব্যৱস্থা আৰু অভিভাৱকসকল। তদুপৰি সস্তীয়া আধুনিকতা, অন্ধ অনুকৰণ প্ৰিয়তা, অশ্লীল চিনেমা, ইণ্টাৰনেট আদি উন্নত প্ৰযুক্তি আদিয়েও ভোগবাদ তথা যুৱ উচ্ছৃংখলতাত ইন্ধন যোগাইছে। গতিকে যুৱ সমাজক বা ছাত্ৰ সমাজক সুস্থিৰ কৰি তুলিবলৈ এক সুস্থ শৈক্ষিক পৰিৱেশৰ নিতান্তই আৱশ্যকীয় হৈ পৰিছে। কিন্তু এই সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি উঠিব কেতিয়া ? যেতিয়ালৈকে ছাত্ৰ সমাজৰ বিভিন্ন দিশ পূৰণ কৰিব পৰাকৈ নতুন শিক্ষা আঁচনি প্ৰৱৰ্তন কৰা নহয় তেতিয়ালৈকে এক সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি উঠা সম্ভৱ নে ? এই ক্ষেত্ৰত বিভিন্ন সংগঠনৰ গঠনমূলক অনুষ্ঠান, সভা-সমিতি আদিৰ ভূমিকা নিশ্চয় গুৰুত্বপূৰ্ণ বিবেচিত হ'ব।

**আলোচনীখনৰ সম্পৰ্কে দুআষাৰ ঃ**

শিক্ষা আৰু সাহিত্য উভয় ক্ষেত্ৰতে আলোচনীৰ তাৎপৰ্য নুই কৰিব নোৱাৰি। শিক্ষানুষ্ঠানেই হ'ল ছাত্ৰ-ছাত্ৰীৰ কৃষি ভূমি। সেই দৃষ্টিৰে মহাবিদ্যালয়ৰ আলোচনীৰ এক বিশেষ ভূমিকা আছে। কিন্তু এই আলোচনীৰ সাৰ্থকতা নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰীৰ সক্ৰীয় অংশ গ্ৰহণৰ ওপৰত। ডিগবৈ মহাবিদ্যালয়ৰ মোৰ কাৰ্যকালত ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আশানুৰূপ সহায়-সহযোগিতা পোৱা নগ'ল। আলোচনীখন আৰু অধিক উৎকৃষ্ট কৰাৰ যথেষ্ট থল আছিল। কিন্তু ছাত্ৰ-ছাত্ৰীৰ উৎকৃষ্ট লেখাৰ অভাৱত হাততে ঢুকি পোৱা লেখাসমূহেৰে যিমান পাৰো আলোচনীখন সকলোৰে মনোগ্ৰাহী আৰু সৰ্বাঙ্গসুন্দৰ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। কিমান সফল হৈছো ক'ব নোৱাৰো। সাহিত্যনুৰাগী পাঠকে ইয়াৰ মূল্যায়ণ কৰিব আৰু অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে মোক ক্ষমা কৰিব বুলি আশা কৰিলো।

কৃতাঞ্জলি ঃ

ডিগবৈ মহাবিদ্যালয়ৰ ২০০৮-০৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ অন্তৰ্গত আলোচনী সম্পাদক ৰূপে নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুবিধা দিয়া বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয় সপ্তাহত 'প্ৰাচীৰ-পত্ৰিকা' প্ৰকাশৰ পৰা 'আলোচনী' প্ৰকাশলৈকে বিভিন্ন দিহা পৰামৰ্শ দি মোক আগবঢ়াই নিয়াৰ বাবে সীমান্ত বৰদলৈ ছাৰলৈ বিশেষভাৱে কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ। মাননীয় অধ্যক্ষ, উপাধ্যক্ষ প্ৰমূখ্যে সম্পাদনা সমিতিৰ সদস্য - পবন গগৈ ছাৰ, পবিত্ৰ ভৰালী ছাৰ, মামণি শৰ্মা বাইদেউ লৈ তেওঁলোকৰ ইতিবাচক দিহা পৰামৰ্শ তথা পূৰ্ণ সহযোগিতাৰ বাবে তেওঁলোকৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লো। আলোচনী প্ৰকাশৰ বিভিন্ন কামত সহায়ৰ হাত আগবঢ়োৱা বন্ধু-বান্ধৱী শান্তিমায়া, বাবলু, মহেন্দ্ৰ, কমল, মুনমুন, লক্ষ্যজ্যোতি, শিল্পীশিখা, উমেশ এই সকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। সৰ্বশেষত যিসকল শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীৰ সহযোগত আলোচনীখনে পূৰ্ণতা লাভ কৰিলে তেওঁলোকলৈ, শুভেচ্ছাবাণী প্ৰদানেৰে কৃতাৰ্থ কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মহোদয়লৈ আৰু আলোচনীখনৰ ছপাকামৰ দায়িত্ব লৈ অতি কম সময়ৰ ভিতৰত নিয়াৰিকৈ প্ৰস্তুত কৰি উলিওৱাৰ বাবে **দি অসম কম্পিউটাৰ**ৰ সমূহ কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

জয়তু ডিগবৈ মহাবিদ্যালয়।

জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

**- অমৰ ছেত্ৰী**

আলোচনী সম্পাদক

---

**যেতিয়াই আন্তৰিকতাৰে মানুহৰ কথা ভাবিবলৈ ল'বা তেতিয়াই জীৱন সুন্দৰ হৈ পৰিব। - মাদাৰ টেৰেছা**



কৰ্মৰত অৱস্থাত অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱা

# ডিগবৈ মহাবিদ্যালয় আলোচনী

## ত্ৰিংশতিত্তম্ প্ৰকাশ, ২০০৮-০৯ বৰ্ষ

## সম্পাদনা সমিতি



অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱা
সভাপতি



উপাধ্যক্ষ গোলাপ কলিতা
উপসভাপতি



অধ্যাপক **সীমান্ত বৰদলৈ**
তত্ত্বাবধায়ক



অধ্যাপিকা **মামনি শৰ্মা**
সদস্যা



অধ্যাপক **পৱন গগৈ**
সদস্য

অধ্যাপক **পবিত্ৰ ভৰালী**
সদস্য



**অমৰ ছেত্ৰী**
সম্পাদক



**বন্দিতা ভট্টাচাৰ্য্য**
সদস্যা



**বাবলু নেৱাৰ**
সদস্য

# ডিগবৈ মহাবিদ্যালয় ছাত্র একতা সভা
# ২০০৮-০৯ বৰ্ষ



ৰাহুল দাস
সভাপতি



দ্বীপেন শইকীয়া
সাধাৰণ সম্পাদক



জিন্টু খনিকৰ
তৰ্ক, আলোচনা আৰু সমাজসেৱা বিভাগ



মঞ্জুমা আহমেদ
সংগীত বিভাগ



দিননাথ ৰজক
ব্যায়াম বিভাগ



কৃষ্ণ বাহাদুৰ ছেত্ৰী
ছাত্ৰ জিৰণি কোঠা



ৰাজপল শৰ্মা
গুৰু খেল আৰু সাংস্কৃতিক বিভাগ



অমৰ ছেত্ৰী
আলোচনী বিভাগ

ফটোত অনুপস্থিত : পৰাগ শইকীয়া, সাধাৰণ খেল বিভাগ

## মহাবিদ্যালয়ৰ গৌৰৱ



***Pawan Jaishy*** attended All India Inter-Directorate National Shooting Competition 2008 at Punjab & secured best Shooter of North-East region.



***Ravi Kumar Shubh*** attended Republic Day Camp at Delhi 2009 (taking part in Rajpath March and Prime Minister Rally).



বি. সোণোৱাল
শ্ৰেষ্ঠ ভাৰোত্তোলক - ০৮




পাৰ্থজ্যোতি বৰপূজাৰী
মি: ডিগবৈ কলেজ-০৮




সীমান্ত মৰাণ
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী-০৮




UGC sponsored National Seminar




Anwesha Bookfair





Three days workshop on Bipasana Meditation




Parent Teacher Meet




Seminar cum Workshop on Memory Management




Valedictory function of Computer Literacy Programme



Teacher student Exchange Programme




Free Health Check up Camp at Kathgaon L.P. School, Tingrai




Talk on Prospect of Management Studies



Freshmen Social



Inaugural function of Multi-Gym





Ceremonial foundation laying of water treatment & supply unit by ED, IOCL (AOD)




Free Health Check-up camp at Lakhipather L.P. School




NAAC sponsored National Workshop




Women's Hostel foundation stone laying ceremony




Free Health Check-up camp at Tingrai

# এই সংখ্যাত...













প্ৰবন্ধ


পঙ্গুত্বয়ো টলাব নোৱাৰা ব্যক্তিজন.... গোলাপ কলিতা ০১
Growth of the National Cadet Corps. ... Dr. (Lt.) Bikash Kr. Boruah ০৫
Physiography and geomorphological ... Sangeeta B. Saikia ১০
Some potentialities of Agriculture in... Mukunda Madhab Gogoi ১২
নামঘোষাৰ সাহিত্যিক মূল্যায়ন.. বুমনি শইকীয়া ১৫
ইছলাম ধৰ্মৰ নবী হজৰত মোহাম্মদ... হাছান আখতাৰ ফাৰিদ ১৭
বিশ্বমানব গ্যেটে... ডিমাদ্ৰী ফুকন ২০
ব'হাগ বিহু আৰু অসমীয়া সমাজৰ লোকবিশ্বাস... অংকীতা সোণোৱাল ২২
অসম তথা উত্তৰ-পূৰ্বাঞ্চলত জৈৱ ইন্ধন উদ্যোগৰ সম্ভাৱনা... হিমামী বড়া ২৪
জাতিংগা ঃ অভিশপ্ত চৰাইৰ উপত্যকা... মানসজ্যোতি বেজবৰুৱা ২৫
বন্যপ্ৰাণী সংৰক্ষণৰ আৱশ্যকতা... মুনমুন বুঢ়াগোঁহাই ২৬
মধ্যযুগীয় ইউৰোপৰ গণিতজ্ঞ 'ফিব'নাকি'... দিব্যজ্যোতি কাকতি ২৭
Moral Degradation of Present... Kalpana Chakraborty ২৯
Snakes – Nature's beautiful creature... Raj Sonar ৩১
We want peace... Chandan Dey ৩৩
Why ? The reason is Global Warming... Shantimaya Lama ৩৫
Science : During 16th and 17th Century... Bubul Handique ৩৬


গল্প


মণিমালা... হেমেন শইকীয়া ৩৮
এটা হেৰুৱা সপোনৰ ইতিকথা... ৰেখামণি দাস ৪০
এযুৰি চকু... ৰূপজ্যোতি দাস ৪২
প্ৰেম... লক্ষ্যজ্যোতি গগৈ ৪৪


কবিতা


এটা আপোন মাত... দ্বীপেন কুমাৰ বড়া
ফাগুনৰ কবিতা... সীমান্ত মৰাণ ৪৫
জন্মদিন... গৌতম ভৰালী
প্ৰেমিক... মানৱ প্ৰতীম বাক্তি
আজি ইমান দিনৰ পিছতো... হৰি কুমাৰ ছেত্ৰী ৪৬
তুমি, মই আৰু আমি... জিতু গগৈ
শিমলুজোপাৰ পৰা বাগৰিব ধৰিছে... বিনীতা শইকীয়া ৪৭

টেনচন... অসীম চেতিয়া
জীৱন... হৰিকান্ত চেতিয়া ৪৮
সেই হাঁহি... মানসজ্যোতি গগৈ
চাপৰিৰ টিলিঙাটো... লক্ষীজ্যোতি মেধি ৪৯
My Search for you... Debajani Gogoi ৫০
There is a lady sweet & kind... Umesh Gautam ৫০

**উপন্যাসিকা**


ৰোমন্থন... মৌচুমী বৰঠাকুৰ ৫১

**বিভাগীয় প্ৰতিবেদন... ৫৬–৬২**
Result of the College Week 2008-09... ৬৩
Faculty Members... ৬৬
Academic Achievements... ৬৮
**আমাৰ প্ৰাক্তন সম্পাদকসকল... ৭১**







# পঙ্গুত্বয়ো টলাব নোৱাৰা বিজ্ঞানীজন

– গোলাপ কলিতা
উপাধ্যক্ষ, ডিগবৈ মহাবিদ্যালয়

সৃষ্টিকৰ্তাৰ শ্ৰেষ্ঠতম সৃষ্টি হৈছে মানুহ নামৰ জীৱবিধ। কিন্তু, তাতো আকৌ ৰাখি গ'ল কেৰোণ। জন্মতেই কোনো হয় অন্ধ, কলা, বোবা বা আন কিবা প্ৰকাৰে বিকলাঙ্গ। প্ৰকৃতাৰ্থত এজন সুস্থ মানুহ বুলিলে বুজা যায় তেওঁ শাৰীৰিকভাৱে সক্ষম, মানসিকভাৱে পৰিপুষ্ট, আধ্যাত্মিকভাৱে উন্নীত আৰু আৱেগিকভাৱে সন্তুলিত। এই কেইটাৰ কোনোবা এটাৰ ব্যতিক্ৰম ঘটিলে যথাৰ্থতে প্ৰকৃতিস্থ নহয় বুলি ক'ব পৰা যায়। এজন সাধাৰণ মানুহ শাৰীৰিক বা মানসিকভাৱে বাধাগ্ৰস্ত হ'লে প্ৰায়েই পৰনিৰ্ভৰশীল হ'ব লগাত পৰে। কিন্তু এজন মানুহৰ যদি সৰ্বশৰীৰ পঙ্গু হৈ পৰে তেতিয়া তেওঁ পৰিয়াল বা সমাজৰ বোজাস্বৰূপ হৈ পৰে। আমাৰ এই লেখাত তেনে এজন ব্যক্তিৰ প্ৰসঙ্গই টানি অনা হৈছে, যিজনে এখন হাতৰ দুটা আঙুলিৰ বাহিৰে বাকী কোনো অঙ্গই লৰচৰ কৰিব নোৱাৰে। ভাবকচোন, তেনে এজন ব্যক্তিৰ পৰা আমি কি আশা কৰিব পাৰোঁ। কিন্তু আমাৰ এইজন নায়কৰ কথা সম্পূৰ্ণ সুকীয়া। বাক্‌শক্তিৰুদ্ধ, কেৱল দুটা আঙুলিৰ বাহিৰে শৰীৰৰ কোনো অঙ্গ লৰচৰ কৰিব নোৱাৰা এইজন নায়কে কিন্তু বিশ্ব-দৰবাৰত খলকনি তুলি আছে। আমি মানুহবোৰনো ক'ৰ পৰা আহিলো, ক'লৈনো গৈ আছো, আমি বাস কৰা এই বিনন্দীয়া পৃথিৱীখনৰ সৃষ্টিয়েইবা কেনেদৰে হৈছিল, ধ্বংসও হৈ যাব পাৰে নেকি, সময়ৰ আৰম্ভই বা কেতিয়া হৈছিল, সময় বাৰু পিছলৈ ঘূৰি যাব পাৰে নেকি, গ্ৰহ-নক্ষত্ৰ, নক্ষত্ৰপুঞ্জ, বিশ্বব্ৰহ্মাণ্ডৰ এশ-এবুৰি দুৰ্বোধ্য সৃষ্টি ৰহস্যৰ সাঁথৰ ভঙাত এইজন নায়ক এতিয়াও মতলীয়া। ধৰিব পাৰিছেনে বাৰু কাৰ কথা কোৱা হৈছে ? এওঁ বাৰু ষ্টিফেন হকিং নেকি ? হয়, তেওঁৱেই বৰ্তমান বিশ্বৰ আটাইতকৈ কৌতুহলী বিজ্ঞানী — ছাৰ ষ্টিফেন উইলিয়াম হকিং, যিজন বিশ্বৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ উত্তৰাধিকাৰী খিতাপ পাবলৈ সক্ষম হৈছে।

১৯৪২ চনৰ ৮ জানুৱাৰীত অক্সফৰ্ডত জন্মগ্ৰহণ কৰা এইজনা মহান বিজ্ঞানীৰ স্কুলীয়া শিক্ষা আৰম্ভ হৈছিল ইংলেণ্ডৰ বুৰঞ্জীপ্ৰসিদ্ধ গোলাপ যুদ্ধই (War of Roses) গৰকা চেইণ্ট এলবান্সত। দেউতাক ডাঃ ফ্ৰেংক হকিং আৰু মাক ইছাবেল। সৰুতে হকিং ক্ষীণ, চাপৰ কিন্তু নিশকতীয়া নাছিল। আন ল'ৰাৰ দৰে স্কুললৈ গৈছিল। মাতবোৰ লেবা হ'লেও উচ্চস্বৰৰ আছিল। ডেকা বয়সত এবাৰ নাৱৰ গুৰিৰঠা ধৰি নাও চলোৱা প্ৰতিযোগিতাত দলটোক বিজয়ী কৰাইছিল। স্কুলত অঙ্ক বা পদাৰ্থ বিদ্যাৰ জটিল প্ৰশ্নবোৰ সহজেই আত্মবিশ্বাসেৰে উত্তৰ দিব পাৰিছিল। হকিঙৰ স্মৰণশক্তি আছিল অতি প্ৰখৰ। মনৰ মাজতে বহুতো ডাঙৰ ডাঙৰ সমীকৰণ, গাণিতিক গণনা সহজভাৱেই কৰিব পাৰিছিল আৰু এতিয়াও অটুট ৰাখিছে। স্কুলীয়া শিক্ষা শেষ কৰি ইংলেণ্ডৰ অক্সফৰ্ড বিশ্ববিদ্যালয়ত বৃত্তি লৈ গণিত আৰু পদাৰ্থবিজ্ঞানত প্ৰথম শ্ৰেণীৰ সন্মানসহকাৰে উত্তীৰ্ণ হৈ Department of Applied Mathematics and Theoretical Physics চমুকৈ DAMTP ত ডক্টৰেট ডিগ্ৰীৰ বাবে গৱেষণাৰ যো-জা চলাইছে আৰু বিষয় হিচাপে বাছি লৈছে আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ। ঠিক তেনে সময়তে,

১৯৬২চনত ২১ বছৰ বয়সত তেওঁৰ শৰীৰত লম্ভিলে এক নতুন ৰোগে। ডাক্তৰে ৰোগ চিনাক্তকৰণ কৰিলে আৰু দেউতাকক জানিবলৈ দিলে যে হকিং মটৰ-নিউৰণ ৰোগত আক্ৰান্ত হৈছে আৰু খুব বেছি দুই-তিনিবছৰহে তেওঁ জীয়াই থাকিব। এই ৰোগৰ চিকিৎসা আজি পৰ্যন্ত ওলোৱা নাই। এই ৰোগে এজন ব্যক্তিৰ শৰীৰৰ সকলো অঙ্গ-উপাঙ্গ অকামিলা কৰিলেও মগজুৰ কোনো ক্ষতিসাধন নকৰে। হকিঙৰ কাণত এই কথা পৰাত অত্যন্ত মৰ্মাহত হয়, কিন্তু ভাগি নপৰিল। তেওঁ জীৱনটোক নতুন দৃষ্টিৰে চাবলৈ ল'লে আৰু মৃত্যুক জয় কৰিবলৈ সংকল্পবদ্ধ হ'ল। সেয়েহে তেওঁৰ অনিবাৰ্য মৃত্যু ঘোষণাৰ পিছতো আজি ৪৭ বছৰে তেওঁ জীয়াই আছে। তেনে এক ভয়াবহ ৰোগৰ কথাই যিকোনো লোককে নিৰাশ কৰে এক নিশ্চত মৃত্যুভয়ে। কিন্তু তেওঁৰ নিজৰ কথাতে কি কয় চাওকচোন — "তুমি যেতিয়া নিশ্চিত মৃত্যুৰ দুৱাৰডলিত উপনীত হ'বা তেতিয়াহে তুমি বুজি পাবা তুমি জীয়াই থকাৰ কিমান প্ৰয়োজন আৰু তেতিয়া উপলব্ধি হ'ব তোমাৰ যে কিমান কৰিবলগীয়া কাম আছে।"

হকিঙে স্বাস্থ্যৰ অক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষাত্মক (experimental) তত্ত্বৰ গৱেষণা বাদ দি সূত্ৰাত্মক (Theoretical) পদাৰ্থবিদ্যাৰ গৱেষণা বাচি ল'লে। সেই সময়ত অক্সফৰ্ডত সূত্ৰাত্মক পদাৰ্থবিদ্যা আৰু জ্যোতিৰ্বিদ্যাত গৱেষণাৰ বিশেষ সুবিধা নথকাৰ বাবে তেওঁৰ মন লাহে লাহে সূত্ৰাত্মক ব্ৰহ্মাণ্ডতত্ত্ব (Theoretical Cosmology)ৰ ফালে ঢাল খায়। অন্তহীন তাৰকাৰাজ্যৰ দুৰ্বোধ্য ৰহস্য ভেদ কৰাৰ প্ৰতি প্ৰবলভাৱে আকৰ্ষিত হয়। এইটো আৰম্ভ কৰিছিল বিশ্ববিশ্ৰুত বিজ্ঞানী আইনষ্টাইনে তেওঁৰ 'সাধাৰণ আপেক্ষিকতাবাদ'ৰ জৰিয়তে। সেয়েহে হকিঙে অক্সফৰ্ড ত্যাগ কৰি ব্ৰহ্মাণ্ডতত্ত্বৰ ওপৰত Ph.D.ৰ গৱেষণাৰ বাবে কেমব্ৰিজলৈ ঢাপলি মেলিলে। সেই সময়ৰ প্ৰসিদ্ধ বিজ্ঞানী আৰু সেইক্ষেত্ৰত গৱেষণা কৰি থকা অধ্যাপক ফ্ৰেড হুইলৰ লগত গৱেষণা কৰিব বিচাৰিছিল যদিও তেওঁ সন্মতি নজনোৱাত আন এজন গৱেষক ড° ডেনিছ স্কিয়ামাৰ লগত কাম আৰম্ভ কৰে। কিন্তু সেই সময়তে তেওঁৰ দেহত সেই মাৰাত্মক দুৰাৰোগ্য ৰোগ ALS (Amyotrophic Lateral Syndrome), লু-গেৰিক (Lou Gehrig's disease) বা মটৰ-নিউৰণ ৰোগে থিতাপি লৈছে। তেওঁৰ হাতকেইখন যেন লাহে লাহে অকামিলা হ'ব ধৰিছে, বস্তুবোৰ হাতৰ পৰা পৰি যোৱা হৈছে। তেওঁৰ তেনে অসহায় অৱস্থাত গৱেষণাগাৰতে কাম কৰি থকা জেন ৱাইল্ড নামৰ এগৰাকী গাভৰুৱে সহায়ৰ হাত আগবঢ়ায় আৰু পিছলৈ তেওঁৱেই হকিঙৰ সহধৰ্মিণী হয়গৈ (১৯৬৫)। আৰ্থিক সমস্যাত ভূগি থকা হকিং কিজ্ কলেজৰ 'ফে'ল' নিৰ্বাচিত হয় আৰু আৰ্থিক সঙ্কট লাঘৱ হয়। হকিঙৰ কামে লাহে লাহে স্বীকৃতি পাবলৈ ধৰিলে। সময়ৰ অগ্ৰগতিত তেওঁৰ শাৰীৰিক অক্ষমতা আৰু বৈজ্ঞানিক খ্যাতি সমানেই আগবাঢ়িল। কলেজ কৰ্তৃপক্ষই তেওঁৰ অসুস্থতাৰ বাবে পাঠদানৰ পৰিৱৰ্তে কেৱল গৱেষণাতে ব্ৰতী হ'বলৈ সুবিধা কৰি দিয়ে। এইখিনি সময়তে তেওঁৰ শৰীৰ অধিক অৱশ হ'বলৈ ধৰে, খোজ কাঢ়িব নোৱাৰ হয়। পেং লৈ খুব লাহে লাহে দুখোজ এখোজ দি অহা-যোৱা কৰে। ১৯৬৬ চনমানৰ পৰা তেওঁৰ মাতবোৰ অস্পষ্ট হ'বলৈ ধৰে, জিভাখন বৰকৈ ঘূৰাব নোৱাৰা হয় আৰু দোভাষী অবিহনে তেওঁৰ কাম নচলা হ'ল। চেমিনাৰ, কৰ্মশালা আদিত বক্তৃতা দিয়াত অসুবিধা হ'বলৈ ধৰিলে। ভৰিবোৰ অধিক অকামিলা হ'ল। দৈনন্দিন কাম-কাজখিনি কৰাত ভীষণ জটিলতা আহে। তেওঁ তীব্ৰ মানসিকতাত ভূগিবলৈ ধৰে। ওপৰলৈ উঠি যোৱা চিৰিখন বা বিছনালৈ উঠোতে বহুত সময়ৰ প্ৰয়োজন হ'ল। তেওঁ কিন্তু পৰাপক্ষত কাৰো সহায় নোলোৱাকৈয়ে এই কামখিনি চলাই যায়। কিজ্ কলেজৰ কৰ্তৃপক্ষই এই মহান বিজ্ঞানীজনাৰ মোল বুজিছিল আৰু তেওঁৰ যাতে অসুবিধা নহয় তাৰ বাবে কলেজ চৌহদতে থকা-মেলাৰ ব্যৱস্থা কৰি দিছিল। ইতিমধ্যে তেওঁ বেটাৰীচালিত চকাযুক্ত চকীত বহি ইফাল-সিফাল কৰিবলগা হৈছিল।

তেনে সময়তে হকিঙৰ পৰিয়াললৈ তেওঁলোকৰ প্ৰথম পুত্ৰ ৰবাৰ্টৰ আগমন ঘটে। পিতৃ হোৱাৰ গৌৰৱে হকিঙক গভীৰ সন্তুষ্টি দিয়ে আৰু আত্মসন্মান বৃদ্ধি কৰে। বিজ্ঞানীমহলত ইতিমধ্যে বহুতে তেওঁক আইনষ্টাইনৰ উত্তৰাধিকাৰীৰূপে দেখা পাইছিল। বিজ্ঞান জগতত আলোড়ন সৃষ্টি কৰা 'Singularities and the geometry of spacetime' নামৰ তেওঁৰ প্ৰৱন্ধই তেওঁলৈ কঢ়িয়াই আনিলে সন্মাজনক আদম্ছ বঁটা।

মহান বিজ্ঞানী ছাৰ আইজাক নিউটনৰ মহাকৰ্ষণৰ পৰা ধাৰণা কৰা মতে বিশ্বব্ৰহ্মাণ্ডখন ঘড়ীৰ কাঁটাৰ দৰে নিয়মমাফিক আৰু সুনিৰ্দিষ্ট। অৰ্থাৎ মহাকৰ্ষীয় বিধিমতে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো বস্তুৱেই পৰস্পৰ এবিধ বল (force)ৰ দ্বাৰা প্ৰভাৱিত আৰু বস্তুটোৰ ভৰ বাঢ়ি গ'লে পৰস্পৰৰ আকৰ্ষণো বাঢ়ে। অৰ্থাৎ পৃথিৱীখনৰ আকৰ্ষণ আম বা আপেল এটাৰ তুলনাত বহুগুণে বেছি। ইয়াৰ ফলতে আপেলটো তললৈ পৰে, সাগৰত জোৱাৰ-ভাটা হয়, পাইপৰ পানী ওপৰৰ পৰা তললৈ আহে। সূৰ্যই চন্দ্ৰক আৰু চন্দ্ৰয়ো সূৰ্যক আকৰ্ষণ কৰাৰ বাবে এটা নিৰ্দিষ্ট কক্ষপথত প্ৰদক্ষিণ কৰে। মহাশূন্যত অৰ্থাৎ য'ত মহাকৰ্ষণ শক্তিৰ পৰা আঁতৰত থাকে তাত ব্যতিক্ৰম ঘটে। এই বিখ্যাত সূত্ৰক আইনষ্টাইনে প্ৰত্যাহ্বান জনালে। তেওঁৰ মতে স্থান (space বা মহাকাশ) আৰু কাল (time) দুটা পৃথক সত্তা নহয় বৰং একীভূত (unified) সত্তা মাথোন আৰু ইয়াকে স্থানকাল (spacetime) আখ্যা দিলে। নিউটনে কোৱাৰ দৰে এই স্থানকাল স্থিৰ আৰু স্থায়ী নহয়। পদাৰ্থৰ অৱস্থিতিয়ে

স্থানকালৰ পৰিৱৰ্তন ঘটায় (সেয়ে আপেক্ষিকতাবাদ)। অৰ্থাৎ কোনো এটা তৰাৰ পৰা আহি থকা ৰশ্মি সূৰ্যৰ মাধ্যাকৰ্ষণ শক্তিৰ ফলত বেঁকা গতিপথ হ'ব যাৰ ফলত তৰাটোৰ অৱস্থান আচল ঠাইত দেখা নাযাব। অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডখন স্থিৰ নহয়, গতিশীল। বিশ্বব্ৰহ্মাণ্ডৰ সমস্ত বস্তু ব্যাখ্যা কৰিব পৰাকৈ আপেক্ষিকতাবাদৰ লগত আৰু এটা সূত্ৰ সাঙুৰি সৰ্বসূত্ৰ (Theory of Everything) উদ্ভাৱন কৰিবৰ বাবে আইনষ্টাইনে ওৰে জীৱন চেষ্টা কৰিও বিফল হ'ল। কিন্তু হকিঙে উত্তৰাধিকাৰী হিচাপে এই সূত্ৰ উদ্ভাৱন কৰিবলৈ উঠি পৰি লাগিল। কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ বিখ্যাত জ্যোতিৰ্বিদ অধ্যাপক হুইলৰ বিশ্বব্ৰহ্মাণ্ডৰ স্থিৰাৱৰ্তনৰ সূত্ৰ (Steady State Theory) — থোৰতে ক'বলৈ গ'লে বিশ্বব্ৰহ্মাণ্ডখন সদায় একেদৰেই আছিল আৰু আমি দেখি থকাৰ দৰে সকলো ফালৰ পৰা একেই দেখা যায় — এই সূত্ৰক হকিঙে প্ৰত্যাহ্বান জনালে। বিজ্ঞানীসকল স্তম্ভিত হৈ গ'ল।

সেইখিনি সমতে বাৰবেক্ কলেজৰ গণিত শাস্ত্ৰৰ অধ্যাপক পেন'ৰজে কৃষ্ণগহ্বৰ (Black Holes)ৰ ওপৰত গৱেষণা চলাই আছিল। কৃষ্ণগহ্বৰবোৰ হৈছে একো একোটা বিশালকায়ৰ নক্ষত্ৰ, যিবোৰ সঙ্কুচিত হোৱাৰ ফলত ঘনত্ব অতিমাত্ৰাৰ হয় আৰু এইবোৰৰ মাজেদি পাৰ হৈ যোৱা যিকোনো বস্তুকে তপাতপ গিলি পেলাব পাৰে। আনকি প্ৰতিচেকেণ্ডত তিনি লাখ কিঃমিঃ বেগেৰে যোৱা পোহৰৰ ৰশ্মিও এইবোৰত সোমালে ওলাই আহিব নোৱাৰে। যিহেতু এইবোৰৰ পৰা কোনো ৰশ্মিয়েই ওলাই আহিব নোৱাৰে সেইবাবে এইবোৰ দৃশ্যমান নহয় অৰ্থাৎ ক'লা হয়। হকিং আৰু পেন'ৰজে মিলি আপেক্ষিকতাবাদ আৰু কৃষ্ণগহ্বৰৰ আধাৰত কিছুমান গাণিতিক সূত্ৰ উদ্ভাৱন কৰে আৰু বিশ্বব্ৰহ্মাণ্ডখনৰ যে এটা আৰম্ভণি আছিল তাৰ ব্যাখ্যা আগবঢ়ায়। তেওঁলোকে প্ৰমাণ কৰিছে যে বিশ্বব্ৰহ্মাণ্ডখনৰ এটা সময়ত ঘনত্ব অসীম আছিল যাৰ বাবে মহাবিস্ফোৰণ ঘটিছিল — ইয়াকে Big Bang বা মহানাদ নামে জনা যায়। ইয়াৰ অৰ্থ এইয়ে যে মহাকাশৰ সম্প্ৰসাৰণ ঘটিছে আৰু নক্ষত্ৰপুঞ্জবোৰ আঁতৰি গৈ আছে যেনেকৈ এটা নুফুলুৱা বেলুনত দুটা ৰঙীন দাগ দি ফুলাই দিলে দাগ দুটা ক্ৰমান্বয়ে আঁতৰি গৈ থাকে। তেওঁলোকে দেখুৱাব পাৰিলে যে সময়ৰ এটা আৰম্ভণি আছে।

তাৰ পিছত হকিং কৃষ্ণগহ্বৰ সম্পৰ্কে অধিক গৱেষণাত ব্ৰতী হ'ল। ১৯৭৪ চনৰ শেষৰ ফালে তেওঁ দেখুৱাবলৈ সমৰ্থ হয় যে কৃষ্ণগহ্বৰবোৰ সম্পূৰ্ণ ক'লা নহয়। তেওঁৰ মতে কৃষ্ণগহ্বৰৰ পৃষ্ঠভাগৰ পৰা কণা বা কণিকা নিগৰি ওলাই আহিব পাৰে যেনেকৈ এটা উত্তপ্ত বস্তুৱে উপৰিভাগৰ পৰা বিকিৰণ কৰে। এইবোৰকে হকিং বিকিৰণ (Hawking radiation) নাম দিয়া হৈছে। কৃষ্ণগহ্বৰবোৰ অধিক সঙ্কুচিত হৈ শক্তিশালী কণা বিকিৰণ কৰিব পাৰে। পৃথিৱীৰ আকাৰৰ এটা নক্ষত্ৰ সঙ্কুচিত হৈ কেই মিলিমিটাৰ ব্যাসাৰ্দ্ধৰ হ'ব পাৰে। এনে পৰিস্থিতিত অতিমাত্ৰা ঘনত্বৰ এই কৃষ্ণগহ্বৰবোৰ অত্যধিক তপত হৈ বিস্ফোৰিত হয় — সেয়াই মহানাদ। তেওঁৰ এই সাফল্যৰ স্বীকৃতিস্বৰূপে মাত্ৰ ৩২ বছৰ বয়সতে বৃটেইনৰ ৰয়েল চ'ছাইটিৰ সদস্য নিৰ্বাচিত হয় — যিটো এটা বিৰল সন্মান। হকিং বিকিৰণৰ আৱিস্কাৰ সৰ্বসূত্ৰ অৰ্থাৎ Grand Unified Theory উদ্ভাৱনৰ দিশত এক অতি দৃঢ় পদক্ষেপ। ১৯৮৩ চনত তেওঁ দেখুৱালে যে যেনেকৈ পৃথিৱীৰ উপৰিভাগৰ কোনো সীমা বা দাঁতি নাই, তদ্ৰূপ স্থানকালৰ বিস্তৃতিও সীমাহীন।

১৯৮৫ চনত জেনেভালৈ যোৱা এটা ভ্ৰমণত মটৰ-নিউৰণ ৰোগত ভুগি থকা হকিঙৰ হঠাতে শ্বাস-প্ৰশ্বাস বন্ধ হোৱাৰ উপক্ৰম হ'ল আৰু ততালিকে চিকিৎসালয়ত ভৰ্তি কৰা হ'ল। কিন্তু ডাক্তৰে পৰামৰ্শ দিলে যে তেওঁক জীয়াই ৰাখিবলৈ হ'লে শ্বাস-নলী (Trachetomy) কাটিব লাগিব কিন্তু তেওঁ চিৰদিনৰ বাবে বাক্ শক্তি হেৰুৱাব। অৱশেষত সেয়ে হ'ল আৰু চিৰদিনৰ বাবে তেওঁ বাক্‌শক্তি হেৰুৱালে। হকিঙৰ এই দুৰ্দশাৰ বাতৰি বিদ্যুৎ বেগেৰে কেউফালে বিয়পি পৰিল। কেলিফৰ্ণিয়াৰ এজন কম্পিউটাৰ অভিযন্তাই হকিঙক সকাহ দিয়াৰ উদ্দেশ্যে অলপদিনৰ ভিতৰতে 'ইকুৱেলাইজাৰ' নামৰ কম্পিউটাৰ প্ৰগ্ৰেম তেওঁক উপহাৰ দিয়ে। ছুইছ টিপিলেই কম্পিউটাৰ পৰ্দাত কেতবোৰ বচা বচা শব্দ ওলায় আৰু তেওঁ ক'ব বিচৰা কথাখিনি বাক্‌সংশ্লেষণকাৰী যন্ত্ৰৰ ছুইচ টিপি ব্যক্ত কৰিব পাৰে। পিছত কেমব্ৰিজৰ আন এজন অভিযন্তাই এটা সৰু কম্পিউটাৰ আৰু বাক্-সংশ্লেষণকাৰী যন্ত্ৰটো (speech synthesizer) তেওঁৰ চিৰলগৰীয়া বেটাৰীচালিত চকাযুক্ত চকীখনত সংযুক্ত কৰাৰ ফলত য'লৈকে তেওঁ যায় তাতে ব্যৱহাৰ কৰিব পৰা হ'ল। এই পদ্ধতিৰে তেওঁ বিভিন্ন দেশত বিভিন্ন চেমিনাৰত বক্তৃতা প্ৰদান কৰি ফুৰে। তেওঁৰ এই কৃত্ৰিম মাতটো ধাতৱীয় শব্দৰ দৰে টেংটেঙীয়া হয় আৰু খুব ধীৰ গতিৰেহে ক'ব পাৰে। এটা প্ৰশ্নৰ উত্তৰ পাবলৈ কমেও দহ মিনিট সময় অপেক্ষা কৰিব লাগে। কিন্তু বিদ্বৎজনে তেওঁৰ এই বক্তৃতা শুনিবলৈ অধীৰ আকুল হৈ পৰে। কেইবছৰমানৰ আগতে তেওঁ ভাৰততো এনেদৰেই বক্তৃতা প্ৰদান কৰি গ'লহি। তেওঁক ১৫ বছৰ ধৰি শুশ্ৰূষা কৰি অহা এগৰাকী নাৰ্চ হুলেইন মেছনৰ সৈতে ১৯৯৫ চনত তেওঁ পুনৰ বিবাহপাশত আৱদ্ধ হয়। তেওঁ হকিঙৰ ছাঁৰ দৰে লাগি ফুৰে। চিৰপৰিচিত সেই চকাযুক্ত চকীখনত বহি বহিয়েই তেওঁ তাৰকাৰাজ্যৰ সপোন দেখে দিনে-ৰাতিয়ে। কিবা নতুন ৰহস্যৰ সন্ধেদ পালে বা বক্তৃতা প্ৰদান কৰি থাকোতে তেওঁ যেতিয়া দৰ্শকক আমোদজনক উত্তৰ প্ৰদান কৰে তেওঁৰ জঠৰ দেহৰ ওঁঠকেইটাত এক অদ্ভুত হাঁহিৰ ৰেঙনি বিয়পি পৰে। বহুতে ক'ব

খোজে মনালিছাৰ ছবিৰ হাঁহিৰ পিছতেই এইটো দ্বিতীয় শ্ৰেষ্ঠ হাঁহি।

সূৰ্যটো ৫০০ কোটি বছৰৰ পিছত হেনো অতি সংকোচনৰ ফলত ৰঙা দৈত্যত (Red giant) পৰিণত হ'ব, অধিক মাধ্যাকৰ্ষণৰ বাবে পৃথিৱী বা অন্য গ্ৰহ-উপগ্ৰহবোৰ তপাতপ গিলি শান্ত হ'ব আৰু বগা বাওনাত (White dwarf) পৰিণত হ'ব। ডাঙৰ ডাঙৰ নক্ষত্ৰবোৰ সঙ্কুচিত হৈ যেতিয়া ২০-২৫ কিঃমিঃ ব্যাসাৰ্দ্ধৰ হ'ব, তাকে নিউট্ৰন তৰা (Neutron star) নাম দিয়া হৈছে। জ্যোতিৰ্বিদসকলে ইতিমধ্যে এনে বগা বাওনা আৰু নিউট্ৰন তৰাৰ অস্তিত্ব পাইছে। গতিকে আৰু অধিক সংকোচনৰ ফলত কৃষ্ণগহ্বৰ কিয় নহ'ব বুলি হকিঙে দৃঢ়ভাৱে প্ৰশ্ন কৰে। এটা সময় আহিব অলেখ ডাঙৰ নক্ষত্ৰবোৰ ৰঙা দৈত্য, বগা বাওনা, নিউট্ৰন তৰা আৰু কৃষ্ণগহ্বৰ হৈ পোহৰৰ ৰশ্মিকো গিলি পেলাব। তেনে অৱস্থাতো এইবিলাক নক্ষত্ৰপুঞ্জৰ কেন্দ্ৰৰ চাৰিওফালে ঘূৰিব দহ কোটি বছৰত এবাৰ প্ৰদক্ষিণ মাত্ৰ। অৱশ্যে এনে অৱস্থা পাবলৈ কমেও ১০ বিলিয়ন বছৰ লাগিব। হকিং আৰু পেন'ৰজে ১৯৬৭-১৯৭০ ৰ সময়ছোৱাত এনে বহুতো দুৰ্বোধ্য সাঁথৰ ভাঙিব পাৰিছিল গাণিতিক সূত্ৰৰ জৰিয়তে।

হকিং এক কথাত ক'বলৈ গ'লে নাস্তিক। তেওঁৰ মতে পদাৰ্থবিজ্ঞানৰ বিধিসমূহৰ দ্বাৰাই যেতিয়া বিশ্বব্ৰহ্মাণ্ডখন পৰিচালিত হয়, তেতিয়া ভগৱানৰ প্ৰয়োজনেই বা ক'ত ? তেওঁৰ প্ৰথমা পত্নী জেনৰ লগত এইবাবেই মনোমালিন্য ঘটিছিল। হকিঙে ধুনীয়া চিত্ৰ তাৰকা চাই খুব আনন্দ পাইছিল, সেয়েহে তেওঁৰ কাৰ্যালয়ত আঁৰা আছিল অতি সুন্দৰী চিত্ৰতাৰকা মেৰিলীন মন্ৰোৰ ছবি। হকিঙে যেতিয়া বক্তৃতা প্ৰদান কৰে তেতিয়া মাজে মাজে হাঁহিৰ ৰোল উঠে। তেওঁ আমোদ দিব পাৰিছিল। এবাৰ এজন শ্ৰোতাই তেওঁক প্ৰশ্ন কৰিলে — মিঃ হকিং, আপুনি বাৰু কৃষ্ণগহ্বৰত সোমাব পাৰিবনে ? যদি সোমায় ক'ত ওলাবগৈ ? হকিঙে উত্তৰ দিলে — "কৃষ্ণগহ্বৰত নিশ্চয় সোমাব পাৰিম আৰু শ্বেতগহ্বৰেদি গৈ কোনোবা বিশ্বব্ৰহ্মাণ্ডত ওলামগৈ। কিন্তু আপুনি ষ্টিফেন হকিঙৰ পৰিৱৰ্তে কিছুমান কণিকাহে (particle) পাব।"

কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ অংকশাস্ত্ৰৰ অতি সন্মানীয় লুকেচিয়ান প্ৰফেছাৰ পদত নিযুক্তি পোৱা এইগৰাকী প্ৰসিদ্ধ বিজ্ঞানীয়ে বহুতো বঁটা আৰু সন্মান অৰ্জন কৰিছে। ১৯৭৬ চনত কেমব্ৰিজ ফিল'চফিকেল চ'ছাইটিৰ 'উইলিয়াম হপ্‌কিনচ বঁটা', মেক্সৱেল মেডেল, হিউজ মেডেল; ১৯৭৮ চনত 'এলবাৰ্ট আইনষ্টাইন বঁটা', ১৯৮৫ চনত ৰয়েল এষ্ট্ৰনমিকেল ছ'চাইটি গল্ড মেডেল, ১৯৮৮ চনত 'উলফ্ বঁটা', ১৯৮৯ চনত ইংলেণ্ডৰ অতি উচ্চ সন্মান Companion of Honour (ৰজা বা ৰাণীৰ সন্মানীয় সঙ্গী), স্পেইনৰ Harmony and Concord বঁটা, আমেৰিকান একাডেমী অৱ্ আৰ্টচ এণ্ড চাইন্সৰ বিৰল বিদেশী সদস্যৰ সন্মান, ছানডে টাইমছৰ সাহিত্যৰ বিশেষ বঁটা, ব্ৰিটানিকা এৱাৰ্ড ইত্যাদি। অতি সম্প্ৰতি, বিজ্ঞানৰ জনপ্ৰিয় প্ৰকাশন আৰু সৰ্বসাধাৰণৰ বাবে তেওঁ গৱেষণা সহজলভ্য কৰাৰ স্বীকৃতিৰূপে হকিঙে লাভ কৰিছে ২০০৯ চনৰ আমেৰিকাৰ সৰ্বোচ্চ অসামৰিক সন্মান 'প্ৰেছিডেন্সিয়েল মেডেল অৱ্ ফ্ৰীডম' বঁটা।

যিজন ব্যক্তিয়ে কেৱল দুটা আঙুলিহে লৰচৰ কৰিব পাৰে, কাগজ-কলম, টাইপৰ একোৱেই প্ৰয়োগ কৰিব নোৱাৰে, তেনে এজন ব্যক্তিয়ে কেইবাখনো অমূল্য গ্ৰন্থ উপহাৰ দিয়াটো কল্পনাৰো অতীত। তেওঁ ১৯৭৩ চনত 'Black Holes and Baby Universes', ১৯৮৭ চনত '300 years of Gravitation', ১৯৯৬ চনত পেন'ৰজৰ সৈতে যুটীয়াভাৱে 'The Nature of Spacetime' আৰু জৰ্জ ইলিছৰ লগত যুটীয়াভাৱে 'The Large Scale Structure of Spacetime' গ্ৰন্থসমূহ উল্লেখনীয়। কিন্তু হকিঙৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থখন 'A Brief History of Time : From the Big Bang to Black Holes' ১৯৮৮ চনত প্ৰকাশ হোৱাৰ লগে লগে বিশ্বত আলোড়নৰ সৃষ্টি কৰে। এই গ্ৰন্থখনৰ যোগেদি সময়ৰ ইতিহাসৰ ৰচনা কৰি সৃষ্টি, স্থিতি আৰু যৱনিকাৰ বিস্তৃত ব্যাখ্যা আগবঢ়াইছে। একেৰাহে ২০৫ সপ্তাহ সৰ্বাধিক বিক্ৰী হোৱাৰ অভিলেখ, বিশ্বৰ বিভিন্ন ৩৩টা ভাষালৈ অনুবাদ, ধন উপাৰ্জনত অভিলেখ সৃষ্টিকৰিছে। গ্ৰন্থখনৰ বাবে হকিঙক আগধন হিচাপে তেতিয়াই আগবঢ়াইছিল ৮৭,৫০,০০০ টকা। কিতাপখনত জটিল গাণিতিক কোনো ভাষা নাই, সৰ্বসাধাৰণে বুজি পোৱাকৈ সৰল ভাষাত লেখা। আইনষ্টাইনৰ সেই বিখ্যাত $E = mc^2$ সমীকৰণৰ বাহিৰে কোনো সমীকৰণ ব্যৱহাৰ কৰা হোৱা নাই। তেওঁ ব্যৱহাৰ কৰা ভাষাৰ নমুনা মন কৰকচোন — "আমি জানো যে প্ৰতিটো কণাৰ এটা বিপৰীত কণা (anti particle) আছে। দুয়োটা পৰস্পৰ লগ লাগিলে নিমিষতে ধ্বংস হৈ যাব। একেদৰে বিপৰীত কণাৰ দ্বাৰা নিৰ্মিত বহুতো বিপৰীত পৃথিৱী আৰু বিপৰীত মানুহো (anti-world and antipeople) থাকিব পাৰে। কিন্তু সাৱধান! আপোনাৰ বিপৰীতজনক ক'ৰবাত, কেতিয়াবা, কিবা কাৰণত লগ পালে কৰমৰ্দন (hand-shake) নকৰিব। সেইটো কৰিলেই আপোনালোক দুয়োজনেই পোহৰৰ এটা উজ্জ্বল চমক্ হৈ চকুৰ পচাৰতে অদৃশ্য হৈ যাব।" কিমান জটিল তথ্য এটা কিমান প্ৰাঞ্জল, সহজ ভাষাৰে উপস্থাপন কৰা হৈছে চাওকচোন। হকিঙৰ এই গ্ৰন্থখনৰ আধাৰত এখন চিনেমাও প্ৰস্তুত কৰা হ'ল য'ত হকিঙৰ সেই চকাযুক্ত চকীখনৰে সৈতে কেইবাটাও মুহূৰ্তত তেওঁক দেখা পোৱা যায়। হকিং, পঙ্গুত্বই তোমাক কিঞ্চিত মাত্ৰাও টলাব নোৱাৰিলে। সমগ্ৰ মানৱ জাতিৰ বাবে তুমি হৈ ৰ'বা একক দৃষ্টান্ত। বিশ্বব্ৰহ্মাণ্ড থাকে মানে তোমাৰ নামো ভোটা তৰাৰ দৰে জিলিকি থাকিব।




# GROWTH OF THE NATIONAL CADET CORPS

– **Dr. (Lt) Bikash Kr. Boruah,** Coy. Commandent
26 Assam, (1) Coy. N.C.C.
Lecturer, Dept. of Commerce

**Institution :**

The N.C.C. has its genesis in the 'University Corps' which was created under the Indian Defence Act. 1917 with the objective to make up the shortages of the Army. In 1920, when the Indian territorial Act was passed, the University Corps was replaced by the university training Corps (UTC). In 1942 the U.T.A. was renamed as the university officers training corps (UOTC). The need to create a young organisation at national level to train the youth boys and girls to be better citizen and future leader of our great country in all walks of life, including defence force, was rightly realised by our leaders. A committee under pandit H.N. Kunzru was set up in 1946 at the behest of our first Prime Minister Pandit Jawaharlal Nehru.

The National Cadet Corps came into existence on 16th july, 1948 under the N.C.C. Act XXXI of 1948 under the ministry of defence with the following aims :

a) To develop character, comradeship ideals of service and capacity for leadership in the youth of the country.
b) To stimulate interest in the defence of the country, by providing service training to youth.
c) To build up a reserve to enable the Armed forces to expand rapidly in a national emergency.

**Induction :**

Induction into the N.C.C. is on voluntary basis and students both boys/ girls can join at the age of 13 years in junior Division (school level) class VIII to class X and in senior Division (SD) from class XI (eleven) onwards.

**Growth :**

The movement was open to both school and university students. The corps started in a small way with a target of only 32,500 senior Division and 1,33,000 junior cadets. Today its sanctioned strength stands at 7.30 lakhs for junior Division cadets. The networks of 996 units spread from all over the country through 4,500 colleges and 6,500 schools.

The National Cadet Corps was given an inter-service image in 1950 when the Air wing was added, followed by the Naval wing in 1952. While elementary military training was given to school students, college students were trained as potential officers of the Army. For this purpose unit of Armoured corps, Artillery, Engineers, signal , infantry and medical corps were introduced in the N.C.C. on the line of the Army. In the same year, the N.C.C. curriculum was extended to include community development as a part of the N.C.C. syllabus at the behest of the Pandit J.N. Neheru who took keen interest in the growth of the N.C.C.

By 1960, the demand for N.C.C. units in schools and college all over the country had gone up substantially. To meet the growing demand another organisation named National Cadet Corps Rifle (NCCR) was introduced. Following the Chinese



***In 1972, an exercise was undertaken by the ministry of Defence to make aims of the NCC in tune with the aspirations of the youth in view of changing socioeconomic environment.***

Aggression, to meet the requirement of the nation, the N.C.C. training was made compulsory in 1963 and the NCCR was merged into the national cadet corps in 1964. However on the resistance of students against compulsory NCC training and also on the suggestions of some Vice-Chancellors in 1968, the corps was again made voluntary.

The NCC training was made compulsory in 1963 and the NCCR was merged into the national cadet corps in 1964. However on the resistance of student's against compulsory NCC training and also on the suggestions in 1968, the corps was again made voluntary.

In 1972, an exercise was undertaken by the ministry of Defence to make aims of the NCC in tune with the aspirations of the youth in view of changing socioeconomic environment. Accordingly, in December 1972, an Evaluation committee was set up under the chairmanship of Dr. G.S. Mahajani, Vice-chancellor of the Pune University. The committee presented it's report to the ministry of Defence in January 1974. The recommendations of the committee have since been implemented by the Govt.

The N.C.C. has grown step by step into a matured and glorious organisation keeping the youth in its fold. The organisation has always been evaluated from time to time by the Evaluation committees. Such committee was constituted by the Govt. of India, by Non-statutory Resolution No. 8 dated 20 Dec' 86 for the National Cadets Corps to evaluate and review its' working with the reference to its aims and objectives, chaired by Lt. Gen. (Retd) M. L. Thapar, P.V.S.M. The committee submitted its report in June 1988. The recommendations by the committee have been accepted by the Govt. Partially and implemented.

Considering the role the N.C.C. in nation building, the Government has recognised the need to expand its coverage to a large segment of the student population of the country. A flood of request for introduction of the N.C.C. in various educational institutions are being received. At present over 600 requests from colleges and over 1400 requests from schools covering about 2.4 Lakh students are in the waiting List.

**Central Advisory Committee :**

The N.C.C. functions under the over all supervision of the Central Advisory Committee, constituted under the provision of section 12 of the N.C.C. Act, Raksha Rajya Mantri (RRM) in the chairman. The committee which meets generally once in two years and advises the Government of India on the matters concerning policy connected with the constitution and administration of the N.C.C. The constitution of the committee is as follows.

a] R.R.M., Chairman.
b] Defence Secretary, member
c] Secretary Education (HRD), member.
d] Three Service Chiefs (Army, Naval, Air)
e] Financial Advisor
f] Two MPs of Lok Sabha
g] One MP of Rajya Sabha
h] Five Non-official members nominated by the central Govt.

**Administration :**

The N.C.C. organisation is administered through the MOD (Ministry of Defence) which is responsible to the Govt of India, for efficient functioning of the N.C.C. and other matters.

**Organisational structure :**

The N.C.C. is headed by the Directorate General, an Army officer of the rank of Lieutenant General, who is responsible for the functioning of the N.C.C. The National Cadet Corps Headquarterts' is situated at Delhi. The D.G. at the N.C.C. Hqrs. is assisted by two Additional Director General, one Major General from the Army and the other Rear Admiral from the Navy or Air Marshal from the Air Force. There are five Deputy Director General of the rank of Brigadier and equivalent, three Brigadier, one commodore/Air commodore, and one civilian officer.

At the state level, the country has been divided into 17 Directorate covering all states and union territories. These Directorates are headed by an officer of the rank of Brigadier or its equivalent from the other two service (Air and Naval). Each of the state N.C.C. D.D.G. Head quarters control two to fourteen Group Head quarters headed by an officer of the rank of colonel or its equivalent. A total of 96 G.P. Hqrs. in the country exercise control over a networks of 658 Army wing units (Including Technical and girls units), 58 naval wing units and 58 Air squardron. All the units are commanded by Lt. col. or its equivalents. In addition to this, the organisation has two training establishments, Officers Training School (OTS) at Kamptee and Women Officer Training School (WOTS) at Gwalior where professors and schools teachers from colleges and school are specially trained.

**Training staff :**

The training in the N.C.C. is conducted through following three tier systems.

**a)** **Regular and whole time officer :** In the first three tier system, regular officers from Army, Navy and Air Force are posted on deputation for a certain period, and whole time N.C.C. officers and whole time Lady N.C.C. officer have been enrolled for this purpose. They are over all responsible for training, Supervision and guidance of the N.C.C. in institutional level.

**b)** **Associate N.C.C. officers (ANOS) :** In the second tier, there are ANOS from colleges, from schools who are the teachers / Lecturers / Professors. Both male and female, who form a very important part in the conduct of the training and allied activities in relation to the students enrolled as cadets from their respective institutions.

**c)** **ICOs, NCOs equivalents from Navy and Air Force :** These constitute the ground staff for physical conduct of the institutional service training and form a backbone of the entire Programme.

**d)** **Girl cadet instructors :** These are very important link in the chain relation to impart training to girls cadets. A total of 235 Girl cadet instructor have been posted in various N.C.C. Girls BN. to impart institutional training. They provide security and escort to the girl cadets.

**e)** **Civil Gliding Instructors (CGLS) :** To impart, institutional training to N.C.C. cadets in Gliding, Air Force Pilots were engaged

initially but over the years shortage of Air Force Pilot created a situation to induct civil Gliding Instructors.

**Civilian Staff :**

All the departments have civilian staff of various categories to function efficiently. This staff at Directorates is financed by the central Govt. The staff at the GP H.Q. and N.C.C. units is funded by the State Government. Today there are a total of 1247 civilian staff enrolled with the central Govt. and 15,281 with the State Govt.

**Activities :**

The NCC activities have under gone a sea change from its inception to the present day. From drill and weapons training in the beginning, the spectrum of NCC activities has expanded considerably including game and sports. All the activities can be broadly divided into five distinct parts namely institutional training, community Development, youth exchange, sports and Adventure training.

**Institutional training :**

Drill, shooting, physical fitness, map reading, first Aid, gliding, Powered flying, boat pulling, Sailing, and camp training form part of institutional training. Camp training constitutes the most important part of the N.C.C. training. In camps young cadets get the thrill of joy of outdoor and community living. Besides all Indian camps such as, National Integration Leadership, Advance leadership, NCC Sainik, Navy Sainik, Army Attachment, Republic day and independence day camps in which cadets from all over the country works together and promote National Integration. These camps widen the horizon of the young cadets and provide them an opportunity to forge bonds of national brotherhood. These camps have bridged the cultural gap, broken regional, religious and language barriers and have brought the youth closer to each other. In Army attachment camp the cadets enjoy the regimental way of life and inculcate in them the value of discipline, dutifulness, personality, orderliness and smartness.

**Community Development :**

The purpose of organising these activities is to make our young people conscious and sensitive to the needs and problems of their fellow countrymen as also to contribute meaningfully to enrich the community life. As an effective youth organisation with an eye on the future of the country, the N.C.C. devotes a great deal of time and effort on activities that assist the community. Providing security and relief to the needy during natural calamities. Some of the major activities are blood donation, adult literacy, anti-dowry, anti-Leprosy, anti-drug tree plantation, works in Cheshire homes, eye donation, construction of roads, construction of school, etc. The NCC has laid great stress on ecology and conservation of plant life. Since the year 1991-92, the NCC cadets have planted more than 50 Lakh Saplings throughout the country. The NCC cadets during the past five years have donated about 35 million C.C. of blood.

**Youth Exchange Programme :**

With a view to increase international understanding and heighten awareness, the N.C.C. has exchange programme with youth organisations like N.C.C. of nine countries namely Australia, Bangladesh, Bhutan, Canada, Maldives, Nepal, Singapore, Sri Lanka, and united kingdom. This exchange programme includes mutual visit by upto 24 cadets for a period of upto three months. Cadets carryout community development works, study history culture and socioeconomic conditions of the YEP countries.

**Sports :**

The central Advisory Committee (CAC) in November 1996 decided to include games and sports in the curriculum of the N.C.C. to make it more attractive to the students and to explore the untapped

source for sports persons. At first N.C.C. games were held at J.N. stadium at Delhi from 2009 to 15 Aug. 1997. This event will now be an annual feature in the curriculum of the N.C.C.

**Adventure Training :**

Adventure activities are organised to develop special qualities of courage, leadership, spirit of advantage and courage, leadership, spirit of adventure and sportsmanship, spirit of camaraderie, team works and self confidence among the cadets. Some of the activities are trekking, Rocks climbing, Mountaineering, Para jumping, Scuba Diving, Water skiing sailing, kayaking, yachting, Hang gliding, Para Sailing, Glider and Microlight Flying, Motor cycle, Expedition. The NCC has conducted 55 mountainous and 1400 trekking expeditions. Over 2000 cadets have taken part in mountaining and 1,50,000 cadets in trekking.

**Funding of the NCC :** The NCC activities received their fund support from the following sources –

a) **Ministry of Defence** – It gives the entire budget to cover pay and allowance of the entire staff, unit equipment of all the NCC units, ammunition of small arms given to NCC (Rifle, L.M.G. SLR, AK 47/56, carbine gun), clothing, uniform items, all major equipment, camps expenditure (DG Camps), Pay and allowances of civilian staff of N.C.C. Headquarters and states Directorates.

b) **State Government :** The state government gives support to cover all recurring running expenditure by way of Fuel rental the N.C.C. units and civilian staff salaries etc.

**Events :**

**NCC Day :** It is celebrated on the 4th day of the month of November.

**Republic Day Camps (RDC) :**

The camp is held every year in the month of January from 05 Jan. to 29 Jan. at Garrison parade Ground, Delhi. All the 17 state Directorate with about 1700 cadets from all over the country and some cadets from other friendly countries participate. During the camp, the cadets participate in the Republic day parade and the Prime Minister Rally. They all put up displays highlighting various N.C.C. activities and cultural programmes blooming the sense of national integration amongst the youth of our country. They also participate in various Inter-Directorate competitions. The camp finally concludes on 28th January with tea party with the Prime Minister and later an 'At home' hosted by the President.


**Independence Day Camp (IDC) :** The camp is held every year, subsequent to the inclusion of sports in the curricular of the N.C.C., at the national level, in the month of August. Where Sports persons from all the N.C.C. Directorate participate. The major NCC games are held from 06 to 15 August. The national cadet corps has come a longway from its modest beginning in 1948. N.C.C. flag has gone to several countries carrying with it the message of good will and universal brotherhood. Today N.C.C. armed with the motto of "unity and discipline" is steadily marching forward envisioned with the prospect of the 21st century. ■

---

**জ্ঞানক নিজৰ অভিজ্ঞতাৰে উজ্জীৱিত কৰিব নোৱাৰালৈকে জ্ঞানৰ কোনো মূল্য নাই।** – *বেন জনছন*

প্রবন্ধ

# *Physiography and geomorphological environment of Digboi Town*



– **Sangeeta B. Saikia**
Lecturer, Dept. of Geography

Digboi Town is located within the foothill and piedmont zone of Patkai-Naga range of the Tirap and Changlang districts of Arunachal Pradesh which lies between $27^0 23'$ N latitude and $95^0 36'$ E-$95^0 39'$E longitude. The physiography of the town is undulating specially of the oil town area. The area under municipality in the north is a plain area. Hillocks are found scatteredly distributed in the oil town area. These hillocks are of very recent origin and mostly originated due to heavy dissection of the terrain. The height of the town varies from 140 to 200 m. Hillocks are found concentrated in the central western part of the town. The hillocks are higher than 150 m. above the sea level (approximate mean) and famed of acidic soil. These all are parts of Digboi Hill, a structural anticline extending approximately E-W direction towards Kumsai of Arunachal Pradesh. It is an alignment of Jaipur-Tipam-Digboi range of hills. Old built-up plain with old alluvium cover fringes surrounding the hillock areas, especially towards north. The general slope of the town is towards north in the northern municipal town area and towards south in the oil town area divided by a basin ahead line made by S-W college hospital Muliabari road.

Streams and drains are flowing towards North to empty far in to the Bogapani River to flow in to the Tingrai River. The southward flowing streams and *nallas* are emptying into the Digboi River. Southern streams far outside are prominent than the northern ones. The Kharjan River is flawing northward in the eastern boundary of the town.

The town area may be divided in to two basins north and south draining the surface water towards south in to the Digboi River and towards north in the Bogapani River.

The town stands on the surface of old alluvial acidic soil underlying by geological formations given below with Naga Thrust and a number of lineaments. The sandstones of Tipam series are lying immediately below red soil and old alluvium. To understand the geology and the oil bases, the table will help to have information about the geological formations under lying the area as a whole and the location and history of petroleum formation in the area.

Digboi Town and upper Assam Geological succession of beds

| **Age** | **Group** | **Formation** |
|---|---|---|
| Recent | ..... | New or low level alluvium |
| ..... | Unconformity | ..... |
| Pleistocene | ..... | Old or high level alluvium |
| ..... | Unconformity | ..... |
| Plio-Pleistocene | Dihing | Dihing or Dhekiajuli |

| Age | Group | Formation |
|---|---|---|
| ...... | Unconformity | ...... |
| Pliocene | Dihing | Namsang |
| ...... | Unconformity | ...... |
| Miocene | Tipam surma | Girujan clay Tipam sandstone surma sandstone |
| ...... | Unconformity | ....... |
| Oligocene | Borail | Tikak parbat Borgolai Naojan |
| ...... | Unconformity | ....... |
| Eocene and Paleocene | Shillong | Not classified |
| ...... | Unconformity | ....... |
| Archaian | Archaian | Not classified |

**Source :** Geological Survey of India Report complied based on Goswami (1963), Dehadrai (1973), Director General Report (1974), Baruah and Rahman (1976), Das Gupta (1997).


The petroleum is extracted from the Tipam series in an asymmetrical anticline, northern side of which has a dip of about 65$^0$ and dissipated by the Naga thrust and the southern side has a dip varies from 30$^0$ to 35$^0$. The anticline has a thickness of about 1065 metre having 24$^0$, oil sand horizons. Here the oil is extracted in Digboi.

Climate of Digboi is cool monsoon moderately hot and humid. Relative humidity varies from 64-90% and temperature 5.5$^0$ to 36.8$^0$ C between winter and summer at maximum range. Rainfall is 166 cm on average in the year.

Digboi town is surrounded by upper Dihing Reserve Forest west and east blocks are locally known as Digboi R.F. west and east blocks. These are fluck jungle full of wild animals, birds and others animals. It has good number of wild elephants that frequently found conflicting with men in its buffer zones. These of Hollong (Dipterocarpus macrocarpus), Nahar (Mesua ferra), Mekai (Shorea assamica), Bamboo (Bambutsa), Hollock (Terminalia myriocorpa), Poma (Ceidrela toona), Sam (Artocarpus choplasha), Kadam (Nauclea cadamba), cane (Calamus ciliaris) are available. More over thatching grass, reeds, gum, coconut, date palm, orchids etc. are available locality wise. The natural vegetation is divided into four stories – above 40 m, 20-40 m, and 5-20m and below 5m height above the Bench Mark. ■

সকলো কামতে পৰিকল্পনাৰ প্ৰয়োজন। সুস্থিৰ পৰিকল্পনাৰ অবিহনে শক্তি, অৰ্থ সকলো অথলে যায়। – কৃষ্ণকান্ত সন্দিকৈ।

প্ৰবন্ধ



# Some Potentialities of Agriculture in Assam

**Mukunda Madhab Gogoi**
Lecturer Dept. of Economics

The history of economic development of a developed region proves that proper development of the primary sector, basically, agriculture is an unavoidable pre-condition of prosperity. Japan, the richest country of Asia, for instance, owes its present economic condition due to the development of agriculture sector in the pre-modern industrialisation period. In the initial stages, this sector shouldered the reponsibility of a leader to accelerate the growth of the other two sectors, viz. industry and service of this eastern-most prosperous country. Agriculture lays the foundation of all types of developmental paths. Thus, if a country or region wants to prosper itself, it must concentrate on the prosperity of agriculture sector.

The agricultureal system followed in Assam truly reflects the picture of its economy. Nearly 80% of the rural people are directly or indirectly earning their livelihood out of agriculture and its allied activities. It is a well-known fact that the level of farm production and productivity of the state is of very poor performance. The farmers are producing what they need for home consumption and very little is left for marketing purposes. That is, the production is not carried out for earning profits and income. It is very displeasing to observe that the wave of Green Revolution (launched after 1965) could not make any favourable impact over the state's economy. Its' benefits were basically shared and enjoyed by the rich farmers in the rich states. To give a bird's eye view, no significant change is noticeable over the years.

Of course, gradually some changes have occured in the mindset of the driving force, a good news for all attached in the agriculture sector. During the closing years of the 20th century and that of the beginning of the 21st century, people started thinking that farming system can be followed commercially in Assam also. Undoubtedly, initiatives to develop farming system are observed in the operational fields of the new generation with new thinking. Though such a holy and bold attempt is not pervading in all parts of Assam, the few found, can be an ideal example for others.

Due to rapid growth of population and sub-division of land property according to the prevailing law of inheritance, the farm size becomes a tiny one. Now it is time for farmers to change their thinking on the pattern of utilisation of land holdings so that the same (or even more) income can be generated like the big farms. It is from the record of the Statistical Dept. Govt of Assam that the average land holding decreased from 1.47 hectre in 1970-71 to 1.15 hectre in the year 2000-01. So attention is gradually directed among the agriculturists to shift the mode of cultivation usually done on large areas towards that, which is possible on the smaller ones.

Considering the limited land size, floriculture may be one of the good alternatives for better

utilization of land. With changing life style, urban affluence and media projection, floriculture has gained a commercial status. During the period of late 17th and 18th century, in Assam, an agricultural caste named 'Malakar's cultivated flowers in the Hajo block of Kamrup district. Till date no major attempt is made to upgrade the production level, though it has tremendous potentiality for growth in the state. Anyway, some new growers of flowers coming from general caste and schedule caste are entering in this business and have become successful though in limited quantum. Nearly 95% of flower-trade in Assam comes from Kolkata. The flower growers can produce high-valued flowers and ornamented plants to capture the import-dominant flower market of Assam. The cutting and loose flowers that can be produced in the state are marigold, jasmine, scented rose, chrysanthemum, gladiolus, lilies, lotus etc. The farmers may also produce various types of flower seeds having high demand in the market, besides producing ornamental plants. The educated youth of the region can take lesson from the successful stories of W.B., Andhra Pradesh and other areas so that not only engaging themselves in the production and marketing process, but can also make contribution to the state's exchequer through sufficient export in this respect.

Now a days, a tendency is growing among the modern people in respect of health and various kinds of medicine used. People prefer ayurvedic treatment and medicines in comparision to alopethic treatment due to low cost and low health hazardous impacts associated with the former. It is imprtant to note that nearly 90% of the required medicinal plants and their various parts are collected from the North-East region by 7850 medicine manufacturing firms located at various parts of our country. Such a huge potentiality can be a great source of earning for those who seek for various types of job but without any success. The educated youth can earn a good income annually through the plantation of such high valued medicinal plants. The medicinal plants generally grown in the soil of Assam and used for medicine purposes cover Rauvolfia serpentina (sharpogandha), Bacopa monnieri (Brahmi), Acorus Calamus (Bos), Asparagus racemosus (Shatmul), Stevia rebaudiana (Stevia), Piper longum (Pipoli) etc. Several other species of medicinal plants are yet to be discovered which are found in the remote dense forests and hilly areas. The two main leading farms cultivating medicinal plants in Assam are Brahmaputra Organic Herbal Farm of Gahpur in Sunitpur district and Herbal Orchid of Gandhibasti No. 1, Guwahati. The interested farmers and young people can choose cultivation of such plants as a profit-oriented activities along with others.

There is also huge potentiality in the sericulture field. Assam is playing a dominating role in the production of muga silk, the most important one from the context of commercial aspect. She had a glorious history before the arrival of the Britishers. But that glory is not found at present time. The muga-silk production is not carried out in the sufficient amount due to various operational hardships and negative thinking among the growers about the profitability of rearing

**Due to rapid growth of population and sub-division of land property according to the prevailing law of inheritance, the farm size becomes a tiny one. Now it is time for farmers to change their thinking on the pattern of utilisation of land holdings so that the same (or even more) income can be generated like the big farms.**

muga-silk. An atmosphere of optimism is being created by the new fashion and design technology. Here the role of governmental steps cannot be denied at all., Any way, it is good news that in the foreign market, shirts, shoes, purse, even umbrella made of the golden coloured muga-silk have attracted the minds of foreigners and it provides a green signal to those who are associated with it. With artistic mentality as well as knowledge of fashion and design the well-educated and trained youth of Assam can come forward and lead this famous industry to a good position.

**The vast water reserver of the state in which fishing activities can be done easily and tones of fish can be produced per year has great potentiality of employment. The local producers can hardly fill up the growing fish demand and so Assam has to depend on other states in the fishing-trade.**

The vast water reserver of the state in which fishing activities can be done easily and tones of fish can be produced per year has great potentiality of employment. The local producers can hardly fill up the growing fish demand and so Assam has to depend on other states in the fishing-trade. Now a days, some youths are making profits in pisciculture under the guidance of Assam Agriculture University, Jorhat and it is a good matter for all. Another good news in this aspect is that some rare and ornamental fish species are being discovered in various parts of the state which have high commercial price outside the state. Such ornamental fishes have importance in developing aquaculture or aquagar industry within the state. This oppotunity can be utilized and a good amount of income can be generated with the use of manpower available in the state.

In the foregone discussion, we try to pinpoint a few of the new potentiaties of Assam in respect of agriculture and its related activities. The readers should not think that this could cover all the fields. Anyway, due to the changing life style of human beings, the farmers need to diversify their production. It is because more production without any diversification oriented towards demand or marketing aspect would lead only undesired results that are known to all. A much more exhaustive study relating to the highly demanding agricultural products need to be made before starting agriculture or farming system as a career. In short, the way of thinking and the attitudes of the farmers have to be modified so that the production of agricultural products can suit with the dynamic atmosphere of the new civilization. ■

বুদ্ধি খটাই আজৰি সময়ৰ সদ্ব্যৱহাৰ কৰিবলৈ জনাটোৱেই হ'ল সভ্যতাৰ সৰ্বশেষ শিক্ষা। – বাট্ৰাণ্ড ৰাছেল

প্ৰবন্ধ

# নামঘোষাৰ সাহিত্যিক মূল্যায়ন

– বুমণি শইকীয়া
স্নাতক ৩য় বৰ্ষ

*শ্ৰীমন্ত শংকৰ হৰি ভকতৰ*
*জানা যেন কল্পতৰু।*
*তাহান্ত বিনায় নাহি নাহি নাহি*
*আমাৰ পৰম গুৰু।।*

– নামঘোষা

গুৰুজনাৰ প্ৰতি থকা অতুলনীয় শ্ৰদ্ধা, ভক্তি আৰু মৰমৰ এখনি স্বচ্ছ প্ৰতিচ্ছবি ফুটি উঠিছে মহাপুৰুষ মাধৱদেৱৰ নামঘোষাত। মহাপুৰুষ মাধৱদেৱৰ 'নামঘোষা' ভক্তি কাব্যসমূহৰ ভিতৰত এখনি ৰসোত্তীৰ্ণ আৰু অতি উচ্চ মানদণ্ডৰ কাব্য। মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত একশৰণ নামধৰ্মৰ সমস্ত গুণ তথা বৈশিষ্ট্য প্ৰকাশক এখনি অনুপম গ্ৰন্থ হ'ল নামঘোষা। আনহাতেদি, মহাপুৰুষ মাধৱদেৱে আধ্যাত্মিক আৰু সাহিত্যিক জীৱনত যিসমূহ গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্যৰ স্বৰ্ণসৌধ চিৰকালৰ বাবে নিৰ্মাণ কৰি গ'ল, সেইসকলৰ ভিতৰতো নামঘোষাই সৰ্বোৎকৃষ্ট। সমগ্ৰ আধ্যাত্মিক জীৱনত বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰি লাভ কৰা জ্ঞান, গুৰু শংকৰদেৱ আৰু ভকত সজ্জনৰ সংগৰ পৰা অৰ্জন কৰা অভিজ্ঞতাৰ বৰ্ণময় ভাব-অনুভূতিৰ কাব্যাত্মক প্ৰকাশেই হ'ল মহাপুৰুষীয়া ধৰ্মৰ বেদস্বৰূপ নামঘোষা গ্ৰন্থ। গ্ৰন্থখনিৰ শুভাৰম্ভ কৰিছে ভকত ভগৱন্তৰ গুণ তথা মহিমা প্ৰকাশক এটি অতি অৰ্থবহ ঘোষাৰে —

*''মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো*
*ৰসময় মাগোহো ভকতি।*
*সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য*
*ভজোহেঁ দেৱ যদুপতি।।''*

সংস্কৃত 'ঘুষ' ধাতুৰ অৰ্থ উচ্চস্বৰে বা ডাঙৰকৈ প্ৰকাশ কৰা এই ধাতুৰ পৰা ঘোষা (ঘুষ + অ + আ) শব্দৰ সৃষ্টি। ইয়াৰ অৰ্থ উচ্চস্বৰে কৰা পুনঃ পুনঃ আবৃত্তি। ভগৱানৰ নাম পুনঃ পুনঃ আবৃত্তি কৰাৰ বাবেই এই গ্ৰন্থৰ নাম 'নামঘোষা' বোলা হৈছে। নামঘোষা মহাপুৰুষ মাধৱদেৱৰ সাহিত্যিক জীৱনৰ শ্ৰেষ্ঠ কীৰ্তিস্তম্ভ। আধ্যাত্মিক জীৱনৰ শ্ৰেষ্ঠ কীৰ্তি, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনুৰোধক্ৰমেই মাধৱদেৱে নামঘোষা গ্ৰন্থ ৰচনা কৰে। গ্ৰন্থখনিত এহেজাৰ ঘোষা থকা বাবে নামঘোষাক 'হেজাৰী ঘোষা' বোলা হয়। নামঘোষাত মাধৱদেৱৰ কবিত্ব আৰু পাণ্ডিত্যৰ সুন্দৰ সমন্বয় ঘটিছে। কীৰ্তনৰ দৰে নামঘোষাও হৈছে সমস্ত বেদান্তৰ সাৰ। ভাগৱতৰ সত্য তত্বৰ প্ৰকাশ, প্ৰকৃততে নামঘোষা হৈছে মাধৱদেৱৰ ভক্ত হৃদয়ৰ পৰা ওলোৱা ভক্তিৰ চৰম প্ৰকাশ।

মাধৱদেৱৰ মতে মুক্তিতকৈ ভক্তিৰ সোৱাদ বেছি, নৱবিধ ভক্তিৰ ভিতৰত মাধৱদেৱে নামঘোষাত শ্ৰৱণ আৰু কীৰ্তনকে



মুখ্য স্থান দিছে। ভক্তি কৰিবৰ বাবে ঈশ্বৰৰ কথা শ্ৰৱণ আৰু কীৰ্তনেই হৈছে উত্তম উপায়। ভক্তি হ'ল আত্মসমৰ্পণ, তাৰ লগত নিহিত হৈ থাকে আন্তৰিক শ্ৰদ্ধা।

*"একান্ত শৰণে যিটো শ্ৰৱণ কীৰ্তন কৰে*
*ওচৰো নচাপে কলি তাৰ।"*

– নামঘোষা

নামঘোষাৰ সাহিত্যিক মূল্য অপৰিসীম। ইয়াৰ মূল্যায়ন কৰিবলৈ যোৱাৰ আগতে সাহিত্য সম্পৰ্কে দুই এষাৰ জানি লোৱাৰ প্ৰয়োজন। সাহিত্য সম্পৰ্কে প্ৰাচ্য আৰু পাশ্চাত্য পণ্ডিতে বিভিন্ন সংজ্ঞা দি গৈছে যদিও ইয়াত সেইবোৰ আলোচনা কৰাৰ থল নাই। সাহিত্য হৈছে কোনো ভাষিক গোষ্ঠীৰ সভ্যতা সংস্কৃতি জীৱন পদ্ধতিৰ সামগ্ৰিক পৰিচয়। অসমীয়া সাহিত্যৰ সমৃদ্ধি আৰু ৰিক্ততাৰ ওপৰত আলোকপাত কৰিলেই অসমীয়া সাহিত্যৰ প্ৰাণ স্পন্দন অনুভৱ কৰিব পাৰি। সাহিত্য আচলতে সমগ্ৰ সমাজৰ যুগ যুগ ধৰি চলা আধ্যাত্মিক দিশ মাত্ৰ। বিশ্বজনীনতা সাহিত্যৰ এটা ঘাই লক্ষণ। সাহিত্যই মানুহৰ সাধাৰণ আবেগ, অনুভূতি আৰু মানুহৰ সাধাৰণ স্বভাৱকে প্ৰকাশ কৰে। গতিকে এইটো নিৰ্দ্বিধাই ক'ব পাৰি যে ভক্তি সাহিত্যক কোনো জাতীয় সীমাৰ ভিতৰত আৱদ্ধ কৰি ৰাখিব নোৱাৰি। পাঠকসমাজৰ মনোৰঞ্জন কৰা আৰু জ্ঞান দান কৰাৰ উপৰিও কিছুমান সাহিত্য এক বিশেষ উদ্দেশ্য লৈ ৰচনা কৰা হয়। মাধৱদেৱৰ নামঘোষাও তেনে এক উদ্দেশ্যধৰ্মী সাহিত্যৰ ভিতৰত পৰিলেও ইয়াৰ আবেদন সাৰ্বজনীন। 'দ্য কুইন্সিয়ে' সকলো ধৰণৰ সত্যক দুটা ভাগত বিভক্ত কৰিছে — এবিধ হ'ল জ্ঞানৰ সাহিত্য আৰু আনবিধ হ'ল শক্তিমন্তাৰ সাহিত্য বা প্ৰাণৰ সাহিত্য। সহজ ভাষাত ক'বলৈ হ'লে সত্য আৰু সুন্দৰৰ আবেগসনা জীৱনৰ অভিজ্ঞতাৰ প্ৰকাশ কৰাকে সাহিত্য বোলা হয়। বৌদ্ধিক, আনুভূতিক, কল্পনালৌকিক আৰু শিল্পবুদ্ধি এই চাৰিটাক সাহিত্যৰ প্ৰধান উপাদান বুলি গণ্য কৰা হয়। সাহিত্য সম্পৰ্কে বিভিন্ন পণ্ডিতে দি যোৱা ব্যাখ্যাৰ ভিত্তিত সাহিত্যক মুঠতে পাঁচ ভাগত ভাগ কৰিব পাৰি। সেই পাঁচবিধ সাহিত্য হ'ল — ১। ব্যক্তিগত জীৱন সংক্ৰান্তীয় সাহিত্য — যেনে আত্মজীৱনী, ২। আধ্যাত্মিক জীৱনৰ সাহিত্য যেনে – বিভিন্ন ধৰ্মমূলক সাহিত্য, ৩। সামাজিক জীৱন সংক্ৰান্ত সাহিত্য, ৪। নৈসৰ্গিক চেতনাৰ সাহিত্য আৰু ৫। নান্দনিক চেতনাৰ সাহিত্য। উল্লিখিত সংজ্ঞা আৰু শ্ৰেণীবিভাগৰ পৰা চালে ক'ব পাৰি — মাধৱদেৱৰ নামঘোষা হ'ল আধ্যাত্মিক জীৱনৰ এখন শ্ৰেষ্ঠ সাহিত্য।

নামঘোষা এক শ্ৰেষ্ঠ ভক্তি সাহিত্য। ভক্তি ধৰ্মৰ সাধন পথত যি চাৰিটা উপাদান পোৱা যায়, সেই সম্পৰ্কে হিন্দী 'ভক্তমালা' গ্ৰন্থ আছে —

*"ভক্তি ভক্ত ভগৱন্ত গুৰু চতুৰ নাম বপু এক*
*ইনকে পদ বন্দন কিয়ে নাশে বিঘন অনেক।"*

নামঘোষাত সদভক্তিৰ ধাৰণাই বিদ্যমান, নামঘোষাত কৃষ্ণনাম সংকীৰ্তনৰ মাহাত্ম্য বাৰে বাৰে ঘোষিত হৈছে আৰু জগতৰ মস্তকমণি শ্ৰীকৃষ্ণৰ ভজনা কৰিবলৈ উপদেশ দিয়া হৈছে এনেদৰে —

*"সমস্ত মস্তক মণি নিজ ভকতৰ বৈশ্য*
*ভজো হেন দেৱ যদুপতি।"*

ভাৰতীয় ভক্তি সাহিত্যৰ মূল বৈশিষ্ট্যসমূহ নামঘোষাত বিদ্যমান। ভাৰতীয় ভক্তি সাহিত্যৰ এটি অন্যতম বৈশিষ্ট্য হ'ল — ইয়াৰ পাতে পাতে ভক্ত কবিসকলৰ আৰ্তি, অনুতাপ, ব্যাকুলতা – নামঘোষাত সেই আৰ্তি প্ৰকাশ হৈছে —

*"কিমতে ভকতি কৰিবো তোমাত হৰি এ*
*মঞি মূঢ়মতি নাজানো তাৰ উপায় ৰাম ৰাম।"*

নামঘোষাত কবিত্বশক্তি প্ৰকাশ হৈছে। নামঘোষা ইমান উচ্চস্তৰৰ গ্ৰন্থ যে ইয়াক পঢ়ি গ'লে কোনখিনি অনুবাদ, কোনখিনি মাধৱদেৱৰ স্বৰচিত সেই কথা ধৰিব নোৱাৰি। নামঘোষা এক মহৎ সাহিত্য আৰু মাধৱদেৱ এজন বিশ্বকবি। তেওঁৰ ভাৱনাৰ মাজত, চিন্তা-চৰ্চাৰ মাজত বিশ্বমানৱৰ মনৰ ছায়াপাত ঘটিছে। নামঘোষা আধ্যাত্মিক ভাৱৰ পুথি হ'লেও ইয়াৰ সাহিত্যিক সৌন্দৰ্য অনুপম। ইয়াৰ পদ ঘোষাৰ মাজেৰে ফুটি ওলোৱা ছন্দৰ মধুৰ ঝংকাৰ, ভাষাৰ মাধুৰ্য, অৰ্থৰ গভীৰতাই সকলোৰে মন আকৰ্ষণ কৰে। প্ৰাচীন সাহিতিকাৰ সকলে প্ৰয়োগ কৰি যোৱা প্ৰায় সকলো অলংকাৰেই মাধৱদেৱে নামঘোষাত ব্যৱহাৰ কৰিছে। মাধৱদেৱে নামঘোষাত পৰম্পৰাগতভাৱে চলি অহা অসমীয়া কবিৰ ছন্দৰীতি মানি চলিছিল আৰু ছন্দ প্ৰয়োগতো মাধৱদেৱৰ দক্ষতা দেখা যায়। নামঘোষাত উপমা, ৰূপক আদি অলংকাৰ প্ৰয়োগ কৰি ইয়াৰ কাব্যিক সৌন্দৰ্য বৃদ্ধি কৰিছে। বিখ্যাত সমালোচক কাৰ্লাইলৰ মতে, "Without harmony and melody there is not proper poetry and as such whatever is not sung is property no poem." সংগীতময়তাই নামঘোষাক প্ৰকৃত কাব্যৰ মৰ্যাদা দিছে। বিনোৱাজীয়ে কৈছিল — নামঘোষাৰ দৰে ভক্তি সাহিত্য বিশ্বতেই বিৰল। নামঘোষা নিঃসন্দেহে অতি উচ্চ ভাৱৰ আৰু সাহিত্যৰ সকলো তত্ত্ববিশিষ্ট এখন উচ্চমানৰ সাহিত্য। ■

প্ৰবন্ধ

# ইছলাম ধৰ্মৰ নবী হজৰত মোহাম্মদ


– হাছান আখতাৰ ফাৰিদ
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

প্ৰাচীন ভাৰতীয় সংস্কৃতিত ঈশ্বৰ অৱতাৰ, ইছলামী সংস্কৃতিত নবী (Prophet) বা মহাপুৰুষ (ঈশ্বৰ প্ৰেৰিত দূত) খ্ৰীষ্টান সংস্কৃতিত prophet বা মহাপুৰুষৰ (ঈশ্বৰ প্ৰেৰিত দূত) সেই একেই স্থান।

ঃ ধৰ্মৰ সংজ্ঞা ঃ

১। সৎ ধৰ্ম – অনুষ্ঠান জন্য–গুণ বিঃ সুকৃত। সুতা দৃষ্ট, পুণ্য ; শাস্ত্ৰানুযায়ী, আচাৰ কৰ্তব্য, ভাব স্বাভাৱিক অৱস্থা, গুণ, শক্তি proverty attribute, স্বভাৱ, সাদৃশ্য লগ্নৰ নৱম স্থান, দেশ বিঃ বা জাতি বিঃ ঈশ্বৰ, পৰকাল প্ৰঃ, অলৌকিক পদাৰ্থ বিষয়ক বিশ্বাসক আৰু উপাসনা প্ৰণালী, উচিত ধৰ্ম, অৱশ্যে কৰ্তব্য ধৰ্ম, ষড়বিধ পুণ্যকৰ কাৰ্য্য, যথাযোগ্য পাত্ৰত দান, কৃষ্ণত মতি, মাতা পিতাৰ সেৱা শ্ৰদ্ধা, বলি, গৰুক আহাৰ্য্য দান।

ধৰ্মৰ অংগ দশটি, যথা ব্ৰহ্মচৰ্য, সত্য, তপঃ, দান, নিয়ম, ক্ষমা, শুচিতা, অহিংসা, শান্তি, অস্তেয় (চুৰি নকৰা)। ধৰ্মৰ মূল এইবিলাক – অদ্ৰোহ, অলোভ, দম, জীৱ, দয়া, তপঃ, ব্ৰহ্মচৰ্য, সত্য, ক্ষমা, ধৃতি, (অভিধান মতে) সৎ সঙ্গ, (দীপিকা মতে) পুৰুষৰ বিহিত ক্ৰিয়াসাধ্য গুণ, (মহাভাৰত মতে) অহিংসা, (পুৰাণ মতে) যাৰ দ্বাৰা লোক স্থিতি বিহিত হয়। (যুক্তিবাদী মতে) মানুহৰ যিটো কৰ্তব্য সেয়া সম্পাদন, (জ্ঞানবাদ মতে) মনৰ যি প্ৰবৃত্তিৰ দ্বাৰা বিশ্ববিধাতা পৰমাত্মাৰ প্ৰতি ভক্তি জন্মে, বি, পু, বা ক্লী।



২। যম, আত্মা, জীৱ, ন্যায়–অন্যায়, পাপ–পুণ্যৰ বিচাৰ কৰ্তা, ঈশ্বৰ, দেৱতা বিঃ (বিষ্ণুৰ বক্ষস্থলৰ পৰা ইয়াৰ জন্ম। এওঁ দক্ষৰ ত্ৰয়োদশ কন্যাক বিয়া কৰায়)। ধৃ + মন কৰ্ত্তৃ, বিঃ পুং।

আনহাতে ধৰ্মৰ উৎপত্তি সম্পৰ্কেও বিভিন্নজনে ভিন্ন ভিন্ন মত পোষণ কৰিছে। প্ৰায় প্ৰতিজন নৃ–বিজ্ঞানী আৰু সমাজ বিজ্ঞানীৰ মত হ'ল – ''ধৰ্মৰ জন্ম মানুহৰ অক্ষমতা আৰু ক্ষুদ্ৰতাৰ অনুভূতিৰ পৰা। প্ৰকৃতিৰ নৈসৰ্গিক দৃশ্যাৱলী দেখি সেইবোৰকে উচ্চতৰ শক্তি বুলি ধাৰণা কৰি সেইবোৰৰ মাজত ক্ষতি আৰু মঙ্গল কৰিব পৰা ক্ষমতা থকা বুলি বিশ্বাস কৰি সেইবোৰৰ ওচৰত কল্যাণ কামনা আৰু অপায়–অমঙ্গলৰ পৰা পৰিত্ৰাণ পোৱাৰ আশাৰে সেইবোৰৰ পূজা–উপাসনা, স্তুতি, আৰাধনা কৰিবলৈ লোৱাৰ ফলতে ধৰ্মৰ উৎপত্তি হয়। এক কথাত অতীতৰ সেই আদিম মানুহৰ অপৰিপক্ক মন–মস্তিষ্কৰ কল্পনাৰ পৰাই পৃথিৱীত ধৰ্মৰ উদ্ভৱ ঘটিছে। ইয়াত ঈশ্বৰৰ কোনো অৱদান নাই, অথচ আমি সেই অপৰিপক্ক মনৰ গল্প–কাহিনীক সত্য, সনাতন অভ্ৰান্ত আৰু ঈশ্বৰ প্ৰদত্ত বুলি অন্ধৰ দৰে মানি চলিছো।''

কোনো কোনোৱে এই কথা স্বীকাৰ নকৰিব পাৰে, কিন্তু অতি আক্ষেপেৰে ক'বলৈ বাধ্য হৈছো যে পৃথিবীৰ অন্যান্য ধৰ্মৰ কথা বাদ দি কেৱল হিন্দু ধৰ্মৰ কথা ক'ব পাৰি আজিও এই ধৰ্মৰ অনুগামীসকলে ভূত–প্ৰেত বিশ্বাস আৰু মান্যতা, গ্ৰহ–নক্ষত্ৰাদিক মানুহৰ ভাগ্য নিৰ্ধাৰক বুলি ধাৰণা কৰে, নদ–নদী, গছ–লতা, নানা ধৰণৰ কাল্পনিক দেৱতাৰ প্ৰতিমা পূজা, এনেকি কোনো কোনো দেৱ–দেৱীৰ গোপন অঙ্গ–প্ৰত্যঙ্গৰ (লিঙ্গ, যোনি) পূজা, প্ৰভৃতি পৰম ভক্তি আৰু শ্ৰদ্ধাৰে পালন কৰি গৈ আছে। মৃত পূৰ্বপুৰুষ আৰু ডাঙৰ মানুহৰ পূজাও আমাৰ মাজত প্ৰচলিত আছে।


ধৰ্মৰ উৎপত্তি সম্পৰ্কে নৃ-বিজ্ঞানীসকল যিবোৰ মন্তব্য কৰিছে সেয়া অন্ধবিশ্বাস আৰু কু-সংস্কাৰ ভিত্তিত প্ৰচলিত। ভ্ৰান্ত ধৰ্মসমূহৰ বিশ্বাস, আচাৰ-অনুষ্ঠান, ক্ৰিয়া-কাণ্ডসমূহ লক্ষ্য কৰিয়েই সেয়া কৰিছে। এই কথা অস্বীকাৰ কৰিব নোৱাৰি।

**ধৰ্মৰ প্ৰকৃত সংজ্ঞা আৰু ইয়াৰ উৎপত্তিৰ সঠিক ইতিহাস ঃ**

ধৰ্ম হ'ল – এই সৃষ্টিজগতৰ অন্তৰালত থকা সৃষ্টিকৰ্তাৰ অস্তিত্ব আৰু তেওঁৰ একত্বত বিশ্বাস, তেওঁৰ আদেশসমূহ কাৰ্য্যকৰী কৰা অদৃশ্য শক্তি সমূহৰ প্ৰতি বিশ্বাস, তেওঁ জনাই দিয়া সৃষ্টিজগত তথা মানৱ জীৱনৰ পৰিণতি সম্পৰ্কীয় বিষয়াৰ্বণিত বিশ্বাস, তেওঁৰ মনোনীত নিৰ্বাচিত ব্যক্তিসকলৰ প্ৰতি বিশ্বাস আৰু তেওঁলোকৰ জৰিয়তে ঈশ্বৰে মানৱৰ বাবে বিধিবদ্ধ কৰি দিয়া ঐশবাণী আৰু বিধানসমূহৰ সমষ্টিয়েই হ'ল ধৰ্ম, যি ধৰ্মই মানুহৰ পূজা-উপাসনা, আচাৰ, আচৰণ, কথা কৰ্ম আদিকে ধৰি ব্যক্তিগত পাৰিবাৰিক আৰ্থ-সামাজিক, ৰাজনৈতিক ন্যায়িক বিধি বিধানসহ জীৱনৰ প্ৰতিটো দিশ আৰু বিভাগকে নিয়ন্ত্ৰিত কৰে। মুঠতে ধৰ্মত মানুহৰ বাবে পৰিপূৰ্ণ ঈশ্বৰ প্ৰদত্ত জীৱন-বিধান নিহিত আছে। ঈশ্বৰৰ দ্বাৰা নিৰ্ধাৰিত বিশ্ব প্ৰকৃতিৰ নিয়মত যেনেকৈ মানুহৰ কোনো হাত বা অধিকাৰ নাই। তেনেকৈ ঈশ্বৰ প্ৰদত্ত এই ঐশ জীৱন-বিধানতো মানুহৰ কোনো হাত বা অধিকাৰ নাই, অৰ্থাৎ মানুহে স্বইচ্ছা প্ৰণোদিতভাৱে ধৰ্ম বা ধৰ্মীয় বিধান ৰচনা কৰিব নোৱাৰে। যি তেনে কৰে সি অনধিকাৰ চৰ্চা কৰে। এইটো এটা অক্ষমনীয় অপৰাধ হিচাপে গণ্য।

আনহাতে ধৰ্মৰ উৎপত্তি নৃ-বিজ্ঞানীসকলে কোৱাৰ দৰে, – 'মানুহৰ

ধৰ্ম হ'ল – এই সৃষ্টিজগতৰ অন্তৰালত থকা সৃষ্টিকৰ্তাৰ অস্তিত্ব আৰু তেওঁৰ একত্বত বিশ্বাস, তেওঁৰ আদেশসমূহ কাৰ্য্যকৰী কৰা অদৃশ্য শক্তি সমূহৰ প্ৰতি বিশ্বাস, তেওঁ জনাই দিয়া সৃষ্টিজগত তথা মানৱ জীৱনৰ পৰিণতি সম্পৰ্কীয় বিষয়াৰ্বণিত বিশ্বাস, তেওঁৰ মনোনীত নিৰ্বাচিত ব্যক্তিসকলৰ প্ৰতি বিশ্বাস আৰু তেওঁলোকৰ জৰিয়তে ঈশ্বৰে মানৱৰ বাবে বিধিবদ্ধ কৰি দিয়া ঐশবাণী আৰু বিধানসমূহৰ সমষ্টিয়েই হ'ল ধৰ্ম।



অক্ষমতা আৰু ক্ষুদ্ৰতাৰ অনুভূতিৰ পৰা বা অজ্ঞতা আৰু অন্ধবিশ্বাসৰ পৰা ধৰ্মৰ উৎপত্তি হোৱা নাই, বৰং ধৰ্মৰ উৎপত্তি আদি মানৱৰ সৃষ্টিৰ লগে লগে ঈশ্বৰৰ প্ৰত্যক্ষ জ্ঞানৰ জৰিয়তে হৈছে, অৰ্থাৎ ঈশ্বৰে আদি মানৱক সৃষ্টি কৰি তেওঁ এই পাৰ্থিৱ জীৱনত কি আচৰণ-বিধি (ধৰ্ম) মানি চলিলে আত্মাৰ মুক্তি সাধিত হ'ব আৰু মৰণোত্তৰ জীৱনত চিৰস্থায়ী শান্তিৰ ধাম স্বৰ্গত কেনেকৈ প্ৰৱেশ কৰিবলৈ সক্ষম হ'ব সেয়া প্ৰত্যাদেশৰ জৰিয়তে জনাই দিয়ে। এই আদি মানৱ জনাই আছিল ঈশ্বৰৰ প্ৰথম মনোনীত তথা প্ৰেৰিত দূত। তেওঁ তেওঁৰ স্ত্ৰী আৰু সন্তান সন্ততি সকলৰ বাবে ঈশ্বৰৰ বিধান বৰ্ণনা কৰিছিল আৰু সেয়া তেওঁলোকৰ মাজত কাৰ্য্যকৰীও কৰিছিল। সেই আদি মানৱ জনাই আছিল আদম আৰু তেওঁৰ সন্তান-সন্ততিসকলৰ বংশ বৃদ্ধিৰ লগে লগে তেওঁলোকে জীৱিকাৰ সন্ধানত পৃথিৱীত ক্ৰমাগতভাৱে সিঁচৰিত হৈ পৰিল। ফলত বংশ বৰ্ণ আৰু ভৌগোলিক পৰিবেশৰ ভিত্তিত তেওঁলোক নানান জাতি আৰু গোষ্ঠীত বিভক্ত হৈ পৰে। আদমৰ বংশধৰসকলৰ পথ প্ৰদৰ্শনৰ বাবে ঈশ্বৰ যুগে যুগে প্ৰতিটো জাতি আৰু গোষ্ঠীৰ মাজতে একো একোজন ব্যক্তিক তেওঁলোকৰ মাজৰ পৰা মনোনীত কৰি ঈশ্বৰৰ অস্তিত্ব আৰু তেওঁৰ একত্বত বিশ্বাস আৰু তদ্সংশ্লিষ্ট অন্যান্য বিশ্বাসসমূহ শুদ্ধভাৱে দোহাৰি আৰু ব্যৱহাৰিক জীৱনৰ কাৰ্যবিধিসমূহ যুগৰ উপযোগীকৈ সংশোধন আৰু সংযোজন কৰি সংশ্লিষ্ট জাতি আৰু গোষ্ঠীসমূহৰ মাজত বিধিবদ্ধ কৰি দিছে। এইদৰে ক্ৰমাগতভাৱে আৱিৰ্ভূত ঈশ্বৰৰ মনোনীত প্ৰেৰিত দূত সকলৰ অন্তিম গৰাকী আছিল হজৰত মোহাম্মদ (ছঃ)।

হজৰত মোহাম্মদ (ছঃ)ৰ ৫৭১

খৃষ্টাব্দত আৰবৰ মক্কা নগৰীৰ কাবা মছজিদৰ সৰ্বপ্ৰধান পুৰোহিতৰ ঘৰত জন্মগ্ৰহণ কৰে। ঈশ্বৰে তেওঁক নবী (prophet) বা মহাপুৰুষ হিচাপে পৃথিৱীলৈ প্ৰেৰণ কৰায়। তেওঁৰ ওপৰত দেৱদূতৰ দ্বাৰা ঈশ্বৰীয় বাণী অৱতীৰ্ণ হয়। ''ইক্ৰা বিছমি ৰাব্বিকাল্লাজী খালাক খালাব্বাল ইনছানা মিন্ আলাক.....''। অৰ্থাৎ ''পঢ়া, সেইজন প্ৰভূৰ নামত, যিজনে সৃষ্টি কৰিছে ; মানৱক তেওঁ সৃষ্টি কৰিছে গোটমৰা শুক্ৰৰ পৰা। পঢ়া, তোমাৰ প্ৰভূ অতি উচ্চ সম্মানিত, যিজনে কলমৰ দ্বাৰা জ্ঞানৰ শিক্ষা দিছে। মানৱক তেওঁ অজ্ঞাত কথা জ্ঞাত কৰাইছে।''

এয়া ধ্যানমগ্ন কোনো এক মহান পুৰুষৰ সন্মুখত স্বৰ্গীয় দূত জিব্ৰাইলৰ দ্বাৰা পঠিত ঐশবাণী। তেঁৱেই আছিল ঈশ্বৰৰ নবী (prophet) বা মহাপুৰুষ হজৰত মোহাম্মদ (ছঃ)। মক্কাৰ পাৰ্শ্বৱৰ্তী হিৰা পাহাৰৰ গুহাত ধ্যানমগ্ন হৈ থকা অৱস্থাত তেওঁ সৰ্বপ্ৰথম উক্ত ঐশবাণী প্ৰাপ্ত হৈছিল।

হজৰত মোহাম্মদ (ছঃ) আবিৰ্ভাৱৰ সময়ত গোটেই বিশ্ব কুসংস্কাৰৰ দ্বাৰা আচ্ছন্ন হৈ আছিল। ইছলামীয় পৰিভাষাত সেই কালছোৱাত এছিয়া, ইউৰোপ, আফ্ৰিকাত চলিছিল বৰ্বৰতা। চিৰিয়া, মিছৰ আদি দেশত খৃষ্ট ধৰ্মই লৈছিল বিকৃত ৰূপ, পাৰস্যত আৰম্ভ হৈছিল অগ্নি পূজা, চীন দেশত বৌদ্ধ আৰু কনফুচিয়াচৰ ধৰ্মই প্ৰকৃত পথ হেৰুৱাই বিপথে পৰিচালিত হৈছিল, ভাৰতবৰ্ষ তেতিয়া বহুদেৱবাদী আৰু পৌত্তলিকতাত নিমজ্জিত হৈ আছিল। সৰ্বোপৰি আৰবত বিৰাজ কৰিছিল প্ৰবল অৰাজকতা, নৰহত্যা আৰু মূৰ্ত্তিপূজাৰ কু-সংস্কাৰ। আৰববাসী সকলে মক্কাৰ পবিত্ৰ তীৰ্থস্থান বাবা মছজিদত ৩৬০ টা দেৱ-দেৱীৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰি সেইবোৰ পূজিছিল আৰু সময়ে সময়ে দেৱ-দেৱীৰ মূৰ্ত্তিৰ আগত নৰবলি দিছিল। এনে এটি যুগ সন্ধিক্ষণত ঈশ্বৰে আৰব সন্তান হজৰত মোহাম্মদ (ছঃ)ক মানৱজাতিৰ বাবে নবী (prophet) বা মহাপুৰুষ মনোনীত কৰি মানৱসমাজৰ পৰা সকলো অন্ধবিশ্বাস আৰু কু-সংস্কাৰ দূৰ কৰাৰ কঠিন দায়িত্ব তেওঁৰ ওপৰত অৰ্পণ কৰে। তেওঁ ঈশ্বৰ বা আল্লাহৰ আদেশ মতে আৰবত ''লা-ইলাহা-ইল্লাল-লাহ মোহাম্মাদুৰ ৰাছু লুল্লাহ'' অৰ্থাৎ ''নাই কোনো ইলাহ (প্ৰভূ) আল্লাহৰ বাহিৰে আৰু মোহাম্মদ (ছঃ) আল্লাহৰ দূত'' মহাবাণী প্ৰচাৰ কৰে। এই মহাবাণী প্ৰচাৰ কৰাৰ পিছৰে পৰা হজৰত মোহাম্মদ (ছঃ) আৰু তেওঁৰ মুষ্টিমেয় অনুগামী (শিষ্য) সকলৰ ওপৰত আৰৱ পৌত্তলিক সকলে অকথ্য অত্যাচাৰ আৰম্ভ কৰি দিয়ে। মক্কাত মোহাম্মদ (ছঃ) এ তেৰ বছৰ ধৰি আত্মৰক্ষামূলক কৌশল অৱলম্বন কৰি ধৰ্ম প্ৰচাৰ কৰে। সেয়ে তেওঁৰ দ্বাৰা প্ৰচলিত ধৰ্ম ইছলামক 'দ্বীনে মোকাম্মিল' অৰ্থাৎ পূৰ্ণ পৰ্য্যায়ৰ ধৰ্ম বা জীৱন পদ্ধতি বুলি আখ্যায়িত কৰা হৈছে। (কোৰাণ ৫ঃ৪)। এই দ্বীন বা ধৰ্মত মানৱ জীৱনৰ প্ৰতিটো দিশ তথা বিভাগ সম্পৰ্কে পথ নিৰ্দেশনা আছে। হজৰত মোহাম্মদ (ছঃ)এ মানৱ জাতিক অকল সৃষ্টিকৰ্তা আল্লাহৰ নামৰ 'তছবীহ' (গুন-গান) শিকাবলৈ অহা নাছিল। হজৰত মোহাম্মদ (ছঃ)এ মানৱ জাতিক আল্লাহৰ খলিফা (প্ৰতিনিধি) হিচাপে খিলাফৎ (আল্লাহৰ প্ৰতিনিধিত্ব) আৰু আল্লাহৰ আবদ (উপাসক দাস) হিচাপে 'ইবাদৎ' (আল্লাহৰ উপাসনা দাসত্ব), এই উভয় দিশ সম্পৰ্কে শিক্ষা আৰু অনুশাসন দান কৰিবলৈ আহিছিল। তাৰ পিছত তেওঁ মক্কাৰ পৰা মদিনালৈ হিজাৰত (স্বদেশ ত্যাগ) কৰে ৬২২ খৃষ্টাব্দৰ ৩০ (চেপ্তেম্বৰত এই তাৰিখৰ পৰাই হিজৰী চন আৰম্ভ হয়। তেওঁ মদিনালৈ গৈ এটি মছজিদ নিৰ্মাণ কৰিলে। ইয়াতেই ইছলামৰ 'আজান' (নামাজলৈ আহ্বান কৰা) প্ৰথা আৰম্ভ হ'ল। খ্ৰীষ্টান সকলৰ ঘণ্টাধ্বনী, ইহুদী সকলৰ শিঙা ফুকোৱা, পাচী সকলৰ অগ্নি প্ৰজ্বলন, আদি কোনোটো প্ৰথাই তেওঁৰ পচন্দ নহ'ল। তেওঁ চিন্তা কৰি উলিয়ালে ইছলামৰ 'আজান প্ৰথা' একেশ্বৰবাদৰ মূলমন্ত্ৰ প্ৰচাৰ, প্ৰাণস্পৰ্শী আহ্বান। মদিনাৰ হজৰত মোহাম্মদ (ছঃ) এ তেওঁৰ অনুগামী (শিষ্য) সকলক সংগঠিত কৰি অস্ত্ৰ প্ৰশিক্ষণ দিয়ে আৰু প্ৰতিৰক্ষামূলক কৌশল অৱলম্বন কৰি মাত্ৰ দহবছৰৰ ভিতৰত সমগ্ৰ আৰব দেশৰ বিদ্ৰোহী গোটবোৰক পৰাভূত কৰিবলৈ সক্ষম হয়। ৬২৯ খৃষ্টাব্দত অৰ্থাৎ ৭ম হিজৰীত মোহাম্মদ (ছঃ) এ দহ হাজাৰ তৰোৱাল ধাৰণ কৰা অশ্বাৰোহী সৈন্যৰ সৈতে আহি মক্কা জয় কৰে আৰু বিজিত মক্কাবাসীক সাধাৰণ ক্ষমাদান কৰে।

এই মক্কা বিজয়ৰ পিছতেই আৰব ভূখণ্ডৰ পৰা মূৰ্ত্তিপূজা, পৌওলিকতা, নৰহত্যা, বহু দেৱবাদৰ কু-সংস্কাৰ চিৰদিনৰ বাবে বিলুপ্ত হৈ যায়। মক্কাৰ পৱিত্ৰ তীৰ্থস্থান বাবা মছজিদৰ পৰা দেৱ-দেৱীৰ মূৰ্ত্তিবোৰ আঁতৰাই মাটিত পুতি পেলোৱা হয়। তেতিয়াৰ পৰাই আৰববাসী সকলে একেশ্বৰবাদ বা ইছলাম ধৰ্মক বিশ্বাস কৰে।

হজৰত মোহাম্মদ (ছঃ)এ ঈশ্বৰ বা আল্লাহৰ মহান বাণী কোৰাণ শ্বৰীফ প্ৰৱতীৰ্ণ কৰে। ঈশ্বৰৰ মৌলিক বিধান তেওঁৰ জৰিয়তে পূৰ্ণতা দান কৰা হৈছে। তেওঁৰ আগমনৰ পিছত ঈশ্বৰৰ দূতসকলৰ আগমনৰ ধাৰা বন্ধ হৈ যায়। কিয়নো অন্তিম ঈশ্বৰ প্ৰেৰিত দূত গৰাকী বিভিন্ন জাতি গোষ্ঠী নিৰ্বিশেষে সমগ্ৰ মানৱ জাতিৰ বাবে প্ৰেৰিত হৈছিল। ■

*বিঃদ্ৰঃ – ইছলাম ধৰ্মৰ অৰ্থ – ঈশ্বৰৰ আদেশ পালন কৰা আৰু ঈশ্বৰৰ বাণী প্ৰচাৰ কৰা ধৰ্ম।*

প্ৰবন্ধ

# বিশ্ব মানৱ গ্যেটে



– ডিমাদ্ৰী ফুকন
(স্নাতক তৃতীয় বৰ্ষ)

য়োহান ভোল্ফ গাঙ্গ গ্যেটে মানৱ দৰদী বিশ্বকবি। তেওঁ সকলো ধৰ্মকে সমান চকুৰে চাইছিল। তেওঁ আছিল উদাৰ মানৱতাবাদী লোক। তেখেত আছিল একাধাৰে কবি, ঔপন্যাসিক, চিত্ৰশিল্পী, বিজ্ঞানী আৰু ৰাজনীতিবিদ। এইজনা মহান ব্যক্তিৰ জন্ম হয় ১৭৪৯ চনত ২৮ আগষ্ট তাৰিখে। এওঁৰ পিতৃৰ নাম য়োহানেস ক্যাসপাৰ গোটে আৰু মাতৃৰ নাম ক্যাথেৰিনা এলিজাবেথ। গ্যেটেৰ পৰিয়ালত ছয়টা সন্তানৰ ভিতৰত দুটা সন্তানহে জীৱিত আছিল তাৰে মাজৰ এটা হৈছে গ্যেটে আৰু আনগৰাকী হৈছে গ্যেটেৰ ভনীয়েক কৰ্নেলিয়া। মাক দেউতাকৰ প্ৰভাৱ গ্যেটেৰ জীৱনক বিভিন্ন সময়ত বিভিন্ন ভাৱে নিয়ন্ত্ৰিত কৰিছে।

গ্যেটেৰ জন্মৰ সময়ত জাৰ্মান নামৰ কোনো এখন স্বতন্ত্ৰ ৰাষ্ট্ৰ নাছিল। সেই সময়ত জাৰ্মানখন বহু সৰু সৰু যেনেকে প্ৰুশিয়া, ব্যাভেৰিয়া, ইত্যাদিত বিভক্ত আছিল। সেই সৰু সৰু ৰাজ্যবোৰৰ মাজত তেতিয়া যুদ্ধ চলি আছিল। সেই সময় আছিল জাৰ্মানিৰ কাৰণে সোণালী যুগ। সেই অষ্টাদশ শতাব্দীতে জাৰ্মান সাহিত্যই দৰ্শন, বিজ্ঞান, সংগীত, চিত্ৰশিল্প সকলো ফালৰ পৰা প্ৰসাৰ লাভ কৰিছিল। গ্যেটেৰ জন্মৰ আগেয়ে জাৰ্মান সাহিত্যই সিমান গুৰুত্ব লাভ কৰিব পৰা নাছিল। সেই সময়ত ইংৰাজী আৰু ফৰাচী সাহিত্যহে গুৰুত্ব লাভ কৰিছিল। জাৰ্মান সাহিত্যৰ লোক কবিৰ দ্বাৰা ৰচিত লোকগাথা, পৌৰাণিক আৰু মধ্যযুগৰ লোক গাথাই আছিল জাৰ্মান সাহিত্যৰ সম্পদ। তাৰ পিছত গ্যেটে জাৰ্মান সাহিত্যৰ ভেটি স্থাপন কৰিলে বুলি ক'ব পাৰি। তেখেতে জাৰ্মানত প্ৰচলিত লোক কাহিনীৰ ওপৰত ভিত্তি কৰি তেওঁৰ বিখ্যাত গ্ৰন্থখনৰ ৰচনা কৰিলে জাৰ্মান ভাষাত সেইখন হৈছে 'ফাউষ্ট'। এই গ্ৰন্থ তেওঁৰ সাহিত্যিক জীৱনৰ প্ৰথম নিৰ্দশন।

গ্যেটেৰ জাৰ্মানিত থকা ঘৰটো আছিল অতিশয় দেখনীয়। তেওঁৰ দেউতাকে গোটেই ঘৰটো বিভিন্ন দেশৰ স্মৃতিচিহ্নৰে সজাইছিল, আৰু বিভিন্ন খ্যাতনামা চিত্ৰকাৰৰ চিত্ৰবোৰ আৰিছিল। এই চিত্ৰ আৰু শিল্প নিৰ্দশন বোৰৰ পৰা গ্যেটেৰ শৈশৱতে শিল্পৰুচি তৈয়াৰ কৰাত সহায় হৈছিল। তেওঁলোকৰ চুবুৰীটোৰ বেছিভাগ লোকেই সম্ভ্ৰান্ত শ্ৰেণীৰ লোক আছিল। তেওঁৰ ঘৰৰ কাষেদি বৈ যোৱা মাইনী নদীয়ে তেওঁৰ কাব্যিক প্ৰতিভা বৃদ্ধি কৰাত সহায় কৰিছিল। তদুপৰি তেওঁৰ ঘৰৰ কাষৰ শাৰী শাৰী দোকানবোৰ, কছাইখানাৰ দৃশ্যবোৰে তেওঁৰ মনটোক বৰকৈ জোকাৰি গৈছিল আৰু এইবোৰে তেওঁৰ কাব্য সৃষ্টিত অনুপ্ৰেৰণা যোগাইছিল।

গ্যেটেৰ পিতাক আইন ব্যৱসায়ী। সেয়েহে গ্যেটেক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিব বিচাৰিছিল। ইটালি সাহিত্য, শিল্পকলা, গান আছিল গ্যেটেৰ দেউতাকৰ অতি প্ৰিয়। শৈশৱৰ স্মৃতি বৰ্ণনা কৰোঁতে গ্যেটে দেউতাকৰ কথা বহুবাৰ উল্লেখ কৰিছিল। তেওঁৰ দেউতাক আছিল খুব অনুশাসন প্ৰিয়। অনিয়ম, অশৃংখল, তেওঁৰ দেউতাকে একেবাৰে পছন্দ কৰা নাছিল। সেইবাবে দেউতাকৰ প্ৰভাৱ তেওঁৰ ওপৰত পৰিছিল। তেওঁ দেখিবলৈ আছিল কঠোৰ কিন্তু তেওঁৰ অন্তৰৰ পৰা আছিল খুব মৰমিয়াল।

মানুহৰ জীৱনত এনে এটা সময় আহে যেতিয়া চিৰাচৰিত জীৱন পথৰ পৰা আঁতৰি আহি আন পথেদি চলাৰ আৰম্ভ কৰে। পাৰসিক কবি হাফিজৰ কাব্য আৰু শকুন্তলা কাব্যই গ্যেটেক মুগ্ধ কৰে। এই কাব্য পঢ়িয়েই তেওঁ প্ৰাচ্য পাশ্চাত্যৰ মূল জীৱন দৰ্শনৰ সূত্ৰ বিচাৰি পায়। এই জীৱন দৰ্শনৰ মাজতেই তেওঁ বিচাৰি পাইছিল বিশ্ব মানৱৰ প্ৰতিচ্ছবি। এই চিন্তাধাৰাৰে তেওঁ লিখিছিল Consideration on the work of a Translator (১৮২৮)। এই ৰচনাটি হৈছে বিশ্বৰ বিভিন্ন দেশৰে সাহিত্য সম্বন্ধে ধাৰণা আৰু মূল্যবোধৰ অভিব্যক্তি। গ্যেটে জোৰ দি কৈছিল যে, "সংস্কৃতিৰ ক্ষেত্ৰত অন্তৰ্জাতিক আদান প্ৰদানৰ ব্যৱস্থা এটা জৰুৰি কাম বুলি ধৰিব লাগিব।"

"এইটো স্পষ্টকৈ বুজা যায় যে বিশ্বৰ সকলো দেশৰ প্ৰথম শ্ৰেণীৰ কবি আৰু সৃজনীশীল লেখক সকলে বহুদিন ধৰি চলি থকা – কিছুমান বিশ্বজনীন মানৱতাবাদৰেই চৰ্চা কৰিছিল। যি কোনো ঐতিহাসিক, পৌৰাণিক, কাল্পনিক অথবা কম বেছি পৰিমাণে খাম খেয়ালি লগা লেখনি হওক সকলো ধৰণৰ ৰচনাৰ

মাজতে জাতীয় বৈশিষ্ট্য বা ব্যক্তিত্বৰ প্ৰকাশ ছপা হৈ ক্ৰমশঃ উজ্জলভাৱে প্ৰকাশিত হৈ উঠিছে অৰ্থাৎ এইটো এক কথাত এটা বিশ্ব মানৱৰ প্ৰতিমূৰ্তি।''

''আমি যদি বিশেষ জাতিৰ বৈশিষ্ট্য আৰু বিশেষ ব্যক্তিৰ ব্যক্তিত্ব ভালদৰে জানিব পাৰো তেতিয়াহ'লে বিশ্বজনীন সহনশীলতা আমি সহজে লাভ কৰিব পাৰিম। তাৰ লগতে এই বোধো আমাৰ থাকিব লাগিব যে যিয়ে প্ৰকৃত গুণী সিয়ে সকলোৰে প্ৰতিনিধি হোৱাৰ যোগ্য। বহুদিন ধৰি জাৰ্মান জাতিয়ে এই মনোভাৱ গ্ৰহণ কৰিছে। জাৰ্মান ভাষা যি জানে অথবা যিয়ে অধ্যয়ন কৰে সি নিশ্চয় লক্ষ্য কৰিব যে সকলো জাতিৰ পণ্য দ্ৰব্য ইয়াত পোৱা যায়। ইয়াৰ দ্বাৰা জাৰ্মান ভাষাই যিমান দোভাষীৰ কাম কৰিছে সিমানে নিজকেও সমৃদ্ধ কৰিছে।''

কোৰানত কৈছে, ''আল্লা সব জাতিকেই তাৰ ভাষাৰ এজন পয়গম্বৰ দিছে। তেনেহ'লে প্ৰত্যেক অনুবাদক তাৰ নিজ জাতিৰ কাৰণে এজন পয়গম্বৰ বিশেষ বুলি ধৰা হব।'' পাৰস্যৰ কবি হাফিজৰ (১৩৮০-৮৯) দিওয়ান কাব্যৰ জাৰ্মান অনুবাদ কৰিছিল যোসেফ ফোন হামাৰ পুৰ্গষ্টাল (১৭৭৪-১৮৫৬) আৰু প্ৰকাশিত হৈছিল ১৮১২ খ্ৰীঃ ত। পাৰচি শব্দ দিওয়ানৰ পৰাই দিভান শব্দটি ইউৰোপীয় ভাষাত ব্যৱহাৰ হৈছিল। তেতিয়া গ্যেটেই তেওঁৰ কিতাপ খনৰ নাম দিছিল 'প্ৰাচ্য ও পাশ্চাত্যৰ দিভান' সংকলন। গ্যেটে তেওঁৰ ৭০ বছৰৰ জন্মদিনত জাৰ্মান ভাষাত 'ম্যানুসক্ৰিপট ফিউৰ ফ্ৰয়েণ্ড' এই কিতাপখন তেওঁ কিছুমান বন্ধুৰ হাতত তুলি দিছিল। বিশ্বমানৱ গ্যেটে হাফিজৰ কাব্যতো বিচাৰি পালে বিশ্ব মৈত্ৰীৰ সুৰ।

গ্যেটেৰ বহুমুখী প্ৰতিভা ইমানেই আছিল যে কতো একো এটা খুঁট নথকাকৈ তেওঁ লিখিব পাৰিছিল। প্ৰাচ্য পাশ্চাত্যৰ ঐতিহ্য আৰু দৰ্শন লৈ যিসময়ত'ত গ্যেটে মগ্ন আছিল তাৰ কিছুদিনৰ পিছত গ্যেটেৰ পত্নী ক্ৰিশ্চিয়ানৰ মৃত্যু হ'ল ৮ জুন ১৮১৬ খ্ৰীষ্টাব্দত। পত্নীৰ মৃত্যুৰ পিছৰ পৰাই এটাৰ পিছত এটাকৈ অঘটন ঘটিবলৈ ধৰিলে তেওঁৰ জীৱনত। ১৮১৬ খ্ৰীষ্টাব্দত প্ৰকাশিত হ'ল তেওঁৰ ইটালী ভ্ৰমণৰ শেষ অধ্যায়। ১৮২২ খ্ৰীষ্টাব্দত ফৰাচী পৰ্ব আৰু ১৮২৯ চনত ৰোমৰ দ্বিতীয় প্ৰবাস প্ৰকাশিত হ'ল।

সেই সময়ৰ গ্যেটেৰ ঘনিষ্ঠ মানুহৰ ভিতৰত উল্লেখযোগ্য কেইজনমান হ'ল ভাইমাৰৰ প্ৰধানমন্ত্ৰী মুলাৰ, মন্ত্ৰী মায়াৰ, চিকিৎসক কাল ভোগেল, ভাষাবিদ ৰাইমাৰ আৰু জেনেভাৰ এক বিজ্ঞানী ফ্ৰেডৰিক সোৰে। সকলোতকৈ উল্লেখযোগ্য ব্যক্তি হ'ল য়োহান পিটাৰ এক্কাৰমান। এওঁৰ লগত গ্যেটেৰ চিনাকী ১৮২৩ খ্ৰীষ্টাব্দত। এওঁ গ্যেটেৰ চিৰকালৰ সঙ্গী সহকৰ্মী। গ্যেটেৰ পৰমভক্ত আছিল এক্কাৰমান। গ্যেটেৰ লগত যি কথোপকথন হয় সেইবোৰ তেওঁ লিপিবদ্ধ কৰি ৰাখিছিল আৰু মৃত্যুৰ পিছত কিতাপৰ আকাৰত প্ৰকাশ কৰিছিল 'গ্যেটেৰ লগত কথোপকথন', যিখন জাৰ্মানিত অমৰ গ্ৰন্থ হিচাপে পৰিচিত।

গ্যেটেৰ পৰিণত বয়সৰ প্ৰজ্ঞা আৰু তেওঁৰ দীৰ্ঘ কৰ্মময় জীৱনৰ অনেক অভিজ্ঞতাৰ বিষয়ে আমি জানিব পাৰো তেওঁৰ একমাত্ৰ অনুৰাগী এক্কাৰমানৰ লগত হোৱা কথোপকথনৰ জৰিয়তে। সেই সকলো কথা এক্কাৰমানে নিজে লিপিবদ্ধ কৰি ৰাখিছিল। ১৮২৪ খ্ৰীষ্টাব্দত কথোপকথনৰ এটি অংশ ইয়াত তুলি দিয়া হৈছে। বিপ্লৱৰ প্ৰকৃতি সম্বন্ধে গ্যেটেৰ নিখুত ইতিহাসবোধ ইয়াত স্পষ্টভাৱে ফুটি উঠিছে। ১৭৮৯ খ্ৰীষ্টাব্দৰ ফৰাছী বিপ্লৱৰ প্ৰয়োজনীয়তা গ্যেটে যিমান স্বীকাৰ কৰিছিল, সিমান সাধাৰণভাৱে বিপ্লৱৰ প্ৰয়োজনীয়তা আৰু তাৰ উপকাৰিতা তেওঁ মানি লৈছিল। কিন্তু তাৰ লগতে তেওঁৰ কিছু আনুসংগিক, জটিলতা অথবা প্ৰতিক্ৰিয়া সম্বন্ধে তেওঁ মনত বিৰূপ মনোভাব আছিল। তেওঁৰ ৰাজনৈতিক ৰক্ষণশীল মনোভাৱ কোনো দিনে নাছিল কিন্তু মানব ইতিহাসৰ ওপৰত তেওঁৰ মনোভাব হৈছে এনেকুৱা – ''চৰম বা নৰম নহয়। মধ্যপন্থা অবলম্বন কৰি বুজাপৰাৰ মাধ্যমত হ'ব সকলো সমস্যা বা সংগ্ৰামৰ অন্ত।

গ্যেটেৰ জীৱনৰ শেষ অধ্যায়ৰ এটি দৃশ্য খুবেই উল্লেখযোগ্য। ১৮২৩ খ্ৰীষ্টাব্দত তেওঁৰ স্বাস্থ্য বৰ ভাল নগৈছিল। মৃত্যুৰ কেইবছৰ আগেয়ে ১৮৩০ খ্ৰীষ্টাব্দ মানৰ পৰা তেওঁ ঈশ্বৰৰ চিন্তা কৰিবলৈ লৈছিল। মূলতে গ্যেটে আছিল মানবতাবাদী বিশ্বজনীন পুৰুষ।

গ্যেটে 'ফাউষ্ট' মহাকাব্য কেনে হৈছে সেই কথা জানিবৰ বাবে ১৮৩২ চনত ১৭ মাৰ্চ তাৰিখে এখন চিঠি লিখিলে বন্ধু ভিলহেলম ফোন হম বোল্ডকে। ফাউষ্টখন লিখি গ্যেটে পৰিতৃপ্তি পাইছিল। তেওঁৰ বন্ধুৱে পৰিতৃপ্ত হোৱা বুলি গম পালে। তাৰ এসপ্তাহৰ পিছতে ১৮৩২ খ্ৰীষ্টাব্দৰ ২২ মাৰ্চত গ্যেটে এই সংসাৰ ত্যাগ কৰি স্বৰ্গগামী হ'ল। ■

---

**তোমাৰ সন্মতিৰ অবিহনে আন কোনেও তোমাক দাস হিচাপে ব্যৱহাৰ কৰিব নোৱাৰে। – আব্ৰাহম লিংকন।**

প্ৰবন্ধ

# ব’হাগ বিহু আৰু অসমীয়া সমাজৰ লোকবিশ্বাস

– অংকীতা সোণোৱাল
(স্নাতক প্ৰথম বৰ্ষ)



যিটো মাহত বৰদলৈচিলাজনীয়ে সকলোৰে বতৰা লয়, গছৰ কোমল কুঁহিপাতে বতাহত হালিজালি আনন্দ আৰু প্ৰেমৰ বতৰা কঢ়িয়াই আনে, বিহুতলীত খলকনি উঠে ঢুলীয়াৰ ঢোলৰ চাপৰত, গাভৰুৰ নাচোনৰ লয়ত সেই মাহটোৰ নামেই হৈছে ব’হাগ।

ব’হাগ আনন্দ আৰু স্ফূৰ্তিৰ বতৰ। প্ৰকৃতি ন-সাজেৰে সাজিকাচি ওলোৱাৰ বতৰ। ঢেকীশালত ঢেকীৰ শব্দ, দূৰণিত কোনোবা পিলিঙা ডেকাৰ উকিৰ শব্দ, কুলি-কেতেকীৰ মিঠা মাতে প্ৰতিজন অসমীয়াৰ মন উন্মাদ কৰি তোলে। ‘ব’হাগ’ এই শব্দটোৰ লগত বান্ধ খাই আছে আমাৰ হেঁপাহ, আশা আৰু আনন্দ। প্ৰতিজন ডেকা-গাভৰুৰ মনলৈ কঢ়িয়াই আনে আশাৰ বতৰা, শান্তিৰ বতৰা, নতুন প্ৰত্যাশা। অসমীয়া মানুহৰ বাবে বিহু হৈছে ‘সমন্বয়ৰ সেতু’, ‘সংস্কৃতিৰ প্ৰতীক’ আৰু ‘আনন্দৰ উৎস’। বিহুতেই আছে আনন্দ আৰু মাদকতা। বিহু বুলিলে অসমীয়া মানুহৰ মন-প্ৰাণ নাচি উঠে।

বিহুত যেনেকৈ হাঁহি-আনন্দ আছে, থিক তেনেকৈ ইয়াত লোকবিশ্বাসো আছে। ‘বৰদৈচিলা’ সকলোৰে চিনাকী নাম। ৰঙালী বিহুৰ অলপ আগে-পিছে বা কেতিয়াবা দুয়ো সময়তে হোৱা ডাঙৰ ধুমুহাৰ নামেই হৈছে বৰদৈচিলা। অসমীয়া জনবিশ্বাসৰ মতে বৰদৈচিলা নামৰ এগৰাকী দেৱীয়ে মাকৰ ঘৰলৈ বিহু খাবলৈ আহি উলটি যাওঁতে তেওঁৰ পাখীৰ কোবত এই ধুমুহাৰ সৃষ্টি হয়। এই বৰদৈচিলাক লৈ বিভিন্ন জনে বিভিন্ন গীত, কবিতা ৰচনা কৰিছে। অসমত বৰদৈচিলা আৰম্ভ হ’লে নাৰী সমাজে চোতালত পীৰা এখন পাৰি তাৰ ওপৰত ফণী এখন আৰু দাপোন এখন থৈ দিয়ে। এনে কৰাত দেৱীয়ে নিজৰ মূৰ্তি দেখি হেনো লাজ পায়।

ৰঙালী বিহুৰ প্ৰথম দিনটোক ‘গৰু বিহু’ বোলে। ৰঙালী বিহুক সাতদিনীয়া বিহু বুলিও কোৱা হয়। সেইদিনাখন গাঁৱৰ মানুহে বেঙেনা, থেকেৰা, হালধি, লাও আদিৰে বাঁহৰ চাক বনায়। সেই দিনাখন পুৱাই মানুহে বিচনাৰ ঢাৰি-পাতি এৰি আহি নিজৰ গোহালিৰ গৰুৰ মূৰত আৰু শিঙত সৰিয়হৰ তেল ঘঁহি দিয়ে আৰু মাখিয়তিৰ পাতেৰে কোবাই কোবাই গৰুবোৰক পথাৰলৈ খেদি নি নৈ, বিল বা পুখুৰীৰ পানীত গা-ধুৱায়। তেওঁলোকে তেওঁলোকৰ বাঁহৰ চাকৰ পৰা থেকেৰা, বেঙেনা, হালধি, লাওৰে গৰুবোৰক মাৰি মাৰি কয়-

“লাও খা, বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা।
মা সৰু, দেউতা সৰু
তই হবি বৰ গৰু।।”

গৰুক গা-ধুওৱাৰ পিছত বাঁহৰ চাকত থাকি যোৱা লাও, থেকেৰা, বেঙেনা, হালধি মানুহে ব্যৱহাৰ কৰে। গৰু বিহুৰ দিনাখন সৰু-ডাঙৰ সকলোৱে নতুন কাপোৰ পিন্ধে আৰু কুকুৰা,

ব'হাগ বিহুত গাভৰু বিলাকে প্ৰিয়জনক ন-গামোচা উপহাৰ দিয়ে। ইয়াকে বিহুৱান বোলা হয়। ব'হাগ বিহুটি ওচৰ চাপি অহাৰ লগে লগে শিপিনীৰ গাত তত নাইকিয়া হয়। বিহুটি নৌপাওঁতেই বিহুৱান ওলাব লাগিব। আকৌ বোলে বিহুত বিহুৱান নল'লে নাৰদ দেৱতাৰ কৃপদৃষ্টি পৰি গোটেই পৰিয়ালটোৰে অপায়-অমংগল হয় বুলি আন এটা লোক বিশ্বাসো আছে। ব'হাগ বিহুত জেতুকা লোৱাটো অপৰিহাৰ্য।



হাঁহ আদিৰ কণীবোৰ ইটোৰ লগত সিটো যুজোৱা হয়। ইয়াক 'কণী যুঁজ' বোলা হয়। সেইদিনা গধূলি পৰত গৰু-ম'হক আক্ৰমন কৰা ম'হ-দাঁহ নিবাৰণৰ কাৰণে জাগ দিয়া হয়। তুঁহগুৰি, বিহলঙনি, ধানখেৰৰ জুমুঠি আদিৰে পদূলিত, চোতালত আৰু গোহালিৰ মুখত তিনিটা জাগ দিয়া হয়। বিহুৰ দিনা গৰুক পিঠা খুওৱা হয়।

ব'হাগ বিহুত গাভৰু বিলাকে প্ৰিয়জনক ন-গামোচা উপহাৰ দিয়ে। ইয়াকে বিহুৱান বোলা হয়। ব'হাগ বিহুটি ওচৰ চাপি অহাৰ লগে লগে শিপিনীৰ গাত তত নাইকিয়া হয়। বিহুটি নৌপাওঁতেই বিহুৱান ওলাব লাগিব। আকৌ বোলে বিহুত বিহুৱান নল'লে নাৰদ দেৱতাৰ কৃপদৃষ্টি পৰি গোটেই পৰিয়ালটোৰে অপায়-অমংগল হয় বুলি আন এটা লোক বিশ্বাসো আছে। ব'হাগ বিহুত জেতুকা লোৱাটো অপৰিহাৰ্য। বিহুৰ বতৰত প্ৰত্যেকজনী নাৰীৰে হাতত দেখা যায় জেতুকাৰ বোল। পিছে এই জেতুকাৰ লগতো লোক-বিশ্বাস জড়িত হৈ আছে। জেতুকাৰ ব্যৱহাৰে বিভিন্ন ৰোগ নিৰাময় কৰিব পাৰে বুলি অসমীয়া নাৰী সমাজত আদিম কালৰে পৰাই প্ৰচলিত হৈ আহিছে। বিহুৰ দিনা জেতুকা লোৱা মানুহক সাপে খুটিলেও বিহ নালাগে বুলি আন এটা লোকবিশ্বাস কৃষিজীৱি সমাজত প্ৰচলিত হৈ আহিছে।

এই বিহুত সকুৱে ডাঙৰক চৰণ সেৱা কৰি আশীবাদ বিচাৰে আৰু ডাঙৰে জাউৰিয়ে জাউৰিয়ে আশীবাদ দিয়ে। এই বিহুত ডেকা-গাভৰু লগ হৈ ঘৰে ঘৰে হুঁচৰি গায়। বছৰেকৰ বিহুটোত ঘৰলৈ হুঁচৰি এযোৱা অহাটো অসমীয়া ৰাইজে আশা কৰে। হুঁচৰি গোৱা ৰাইজে গৃহস্থৰ চোতালত হুঁচৰি গাই আশীবাদ কৰিলে সেই গৃহস্থীৰ প্ৰয়োজনীয় বস্তু-সম্ভাৰৰ শ্ৰীবৃদ্ধি হয় বুলি কৃষিজীৱি লোকসকলে বিশ্বাস কৰে। এনেদৰে তেওঁলোকে প্ৰত্যেক ঘৰতে হুঁচৰি গায় আৰু প্ৰত্যেক ঘৰৰ পৰা মেলানি মাগে।

এনেবোৰ লোক বিশ্বাস আদিম কালৰ পৰা অসমীয়া সমাজত প্ৰচলিত হৈ আছে। ব'হাগ বিহুৰ লগত জড়িত হৈ থকা এই লোক বিশ্বাসবোৰৰ ওপৰত যুগ পৰিৱৰ্তনৰ প্ৰভাৱ পৰিছে। অসমীয়া সমাজে যেনেকৈ ব'হাগ বিহুটিক প্ৰত্যেক বছৰেই হাঁহি-ধেমালীৰে আদৰি লয় ঠিক তেনেকৈ ইয়াৰ লগত জড়িত হৈ থকা লোক বিশ্বাসবোৰো আদৰি লয় যেন। তাকে আশা কৰি মই মোৰ লেখা ইয়াতে সামৰণি মাৰিছো। ■

প্ৰবন্ধ

# অসম তথা উত্তৰ-পূৰ্বাঞ্চলত জৈৱ ইন্ধন উদ্যোগৰ সম্ভাৱনা

– হিমামী বড়া
(স্নাতক প্ৰথম বৰ্ষ)

আমাৰ চৌপাশৰ পৰিৱেশৰ ভয়াবহ প্ৰদূষণ, দ্ৰুত ভূমিস্খলন, পেট্ৰলজাত সামগ্ৰীৰ নাটনি, গ্লবেল ৱাৰ্মিং বা গোলকীয় উষ্ণতা বৃদ্ধি এই সকলোবোৰ সমস্যা মিলি পৃথিৱীত এটা নতুন ধাৰণাৰ প্ৰৱৰ্ত্তন কৰিলে যাক বায়'ফুৱেল বা জৈৱ ইন্ধন বুলি কোৱা হয়। সাম্প্ৰতিক সময়ত এই ধাৰণাটো ইমানেই জনপ্ৰিয় হৈছে যে পৃথিৱীৰ বহু নামী দামী কোম্পানীয়ে জৈৱ ইন্ধনৰ গৱেষণা বা প্ৰস্তুতকৰণত কোটি কোটি টকা খৰচ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। মানুহৰ কিছুমান কাৰ্যৰ ফলত পৃথিৱীৰ পাৰিপাৰ্শ্বিক অৱস্থা প্ৰতিকূল হৈ পৰিছে। সেয়েহে মানুহে পেট্ৰলজাত সামগ্ৰীৰ চাহিদা আৰু প্ৰদূষণৰ ব্যাপকতাৰ হাৰ কমাবৰ বাবে বিকল্প ইন্ধনৰ সন্ধান কৰিবলৈ বাধ্য হৈছে। এই সন্ধানৰ ফলশ্ৰুতিতে সৃষ্টি বা আৱিষ্কৃত হৈছে বায়'ফুৱেল বা জৈৱ ইন্ধন।

জৈৱ ইন্ধনৰ প্ৰয়োজনীয়তাৰ তাৎক্ষণিক আৰু গুৰুত্বপূৰ্ণ কাৰণটো হৈছে সমগ্ৰ পৃথিৱীতে বিশেষকৈ ভাৰতবৰ্ষত খাৰুৱা তেলৰ ব্যাপক নাটনি। যাৰ ফলত ভাৰতৰ দৰে বৃহৎ জনসংখ্যাৰ দেশৰ বাবে জৈৱ ইন্ধনৰ প্ৰস্তুত কৰাটো প্ৰয়োজনীয় তথা অপৰিহাৰ্য হৈ পৰিছে। এনে এক জটিল পৰিস্থিতিৰ বাবেই সমগ্ৰ পৃথিৱীতে বৰ্তমান জৈৱ ইন্ধনৰ বজাৰখনে নিজৰ খোপনি সুদৃঢ় কৰিবলৈ সক্ষম হৈছে।

**বায়'ডিজেল আৰু জে'ট্ৰফা –**

জৈৱ ইন্ধন সৃষ্টিৰ বাবে সমগ্ৰ পৃথিৱীতে যি জাগৰণ আহিছে সেই জাগৰণৰ অন্যতম কেন্দ্ৰস্থল হোৱাৰ পথত আগবাঢ়িছে অসম তথা উত্তৰ পূৰ্বাঞ্চল। জৈৱ ইন্ধন বা বায়'ডিজেলৰ অন্যতম বৃহৎ আৰু প্ৰধান উৎস 'জে'ট্ৰফা' বা ভোট এৰা (বঙালী এৰা)। এই গছজোপা অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বাবে এবিধ গুৰুত্বহীন গছ। ই অসমত অতিকৈ সুলভ আৰু যে বাৰীৰ সীমাত ভোট এৰা বা বঙালী এৰা গছ থকাটো নিতান্তই সাধাৰণ কথা। সেয়েহে বায়'ডিজেল প্ৰস্তুত কৰিবলৈ উঠি পৰি লগা মাল্টিনেশ্যনেল কোম্পানীৰ চকু এতিয়া অসম তথা উত্তৰ পূৰ্বাঞ্চলত। ইয়াৰ আটাইতকৈ যোগাত্মক দিশটো হৈছে – অসম তথা উত্তৰ পূৰ্বাঞ্চলত ক্ৰমবৰ্ধমান হাৰত বৃদ্ধি পোৱা জে'ট্ৰফা খেতিয়ে অঞ্চলটোৰ বৃহৎ সংখ্যক লোকক কৰ্ম সংস্থাপন দিয়াৰ লগত ৰাজ্যকৈইখনৰ বহুহেজাৰ হেক্টৰ পতিত মাটি কৃষিৰ উপযোগী কৰি তুলিছে।

ভাৰতবৰ্ষৰ মুঠ উদ্ভিদৰ ভিতৰত ৪৫০ টা প্ৰজাতিৰ উদ্ভিদৰ পৰাই বায়'ডিজেল প্ৰস্তুত কৰিব পাৰি যদিও ইয়াৰ ভিতৰত জে'ট্ৰফাক অন্যতম প্ৰধান উৎস হিচাপে বাছি লোৱাৰ কাৰণ হৈছে ই অধিক পৰিমাণৰ ইন্ধন প্ৰস্তুত কৰিবলৈ সক্ষম হোৱাৰ লগতে প্ৰতি হেক্টৰ মাটিত ইয়াৰ উৎপাদনো আনবিলাক উৎসতকৈ বেছি। লগতে জে'ট্ৰফাৰ ষ্ট্ৰেচ বহন কৰিব পৰা ক্ষমতা অত্যন্ত বেছি। যাৰ কাৰণে সমগ্ৰ পৃথিৱীৰ ভিতৰতে বায়'ডিজেল প্ৰস্তুতকৰণৰ এক অন্যতম উৎসত পৰিণত হৈছে অসম তথা উত্তৰ পূৰ্বাঞ্চল। জে'ট্ৰফাক বায়'ডিজেল হিচাপে ব্যৱহাৰ কৰিব পৰা গুণসমূহ হৈছে –

- বীজৰ মূল্য কম।
- তেল কম্পনেন্ট ইয়াত অত্যন্ত বেছি।
- জে'ট্ৰফা খেতি ভাল মাটি আৰু পতিত মাটি উভয়তে কৰিব পাৰি।
- কম বৰষুণ দিয়া অঞ্চল আৰু বেছি বৰষুণ দিয়া অঞ্চল দুয়োটাতে জে'ট্ৰফা গছৰ বৃদ্ধি ভাল হয়।
- বৰষুণ নিদিয়া সময়ত জে'ট্ৰফাৰ বীজ কৰ্ষণ কৰিব পাৰি।
- যথেষ্ট সংখ্যক গুটি লাগে আৰু এই গুটিবোৰৰ আকৃতি যথেষ্ট ভাল হয়।

**অসমৰ বাবে সুখবৰ –**

অসমৰ মানুহে কেৱল দাঁত ঘহিবৰ বাবে ডাল এটা ছিঙি লৈ যোৱা ভোট এৰা বা বঙালী এৰাই এতিয়া অসমৰ বাবে কঢ়িয়াই আনিছে এক নতুন আশাৰ বতৰা। কাৰণ দীৰ্ঘদিনীয়া গৱেষণা আৰু পৰীক্ষা-নীৰিক্ষাৰ অন্তত কেন্দ্ৰীয় চৰকাৰে জৈৱ ইন্ধনৰ অন্যতম উৎস হিচাপে জে'ট্ৰফাৰ খেতি কৰিবলৈ আঁচনি হাতত লৈছে। বিগত দুই তিনিবছৰত এই জে'ট্ৰফাই চাহিদা বৃদ্ধি কৰাই নহয় অসমীয়া মানুহে পৰিকল্পিতভাৱেও ইয়াৰ খেতি কৰিবলৈ লৈছে।

বিগত কেইটামান বছৰত অধিকাংশ অসমীয়া মানুহে ক্ষুদ্ৰ চাহবাগান খুলিবলৈ যেনেদৰে উৎসাহেৰে উঠি পৰি লাগিছিল এতিয়া তেনে এক উৎসাহেই অসমত দেখা গৈছে জে'ট্ৰফা খেতিৰ ক্ষেত্ৰত। অসমৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত জে'ট্ৰফা খেতিয়ে আংশিকভাৱে হ'লেও বৰঙণি যোগাব পাৰিব বুলি ক'ব পাৰি।

সুসংগঠিত আৰু নিখুঁতভাৱে যদি জৈৱ ইন্ধন প্ৰস্তুত কৰিব পৰা যায় তেনেহ'লে পেট্ৰল-ডিজেলৰ সম্পূৰ্ণ পৰিপূৰক নহ'লেও বহুখিনি চাহিদা জৈৱ ইন্ধনে পূৰণ কৰিব পাৰিব। একাংশ নিবনুৱা যুৱকৰ স্বাৱলম্বিতাৰ অন্যতম পথ হিচাপে পৰিগণিত হোৱা এই কৃষিকাৰ্যৰ বাবে লাগিব সঠিক চৰকাৰী পৰিকল্পনা আৰু জনসাধাৰণৰ আগ্ৰহ। ■

প্ৰবন্ধ




# জাতিংগা ঃ অভিশপ্ত চৰাইৰ উপত্যকা

– মানসজ্যোতি বেজবৰুৱা
(স্নাতক প্ৰথম বৰ্ষ)

জাতিংগা অৰ্থাৎ– 'বৰষুণ আৰু পানীৰ বাট'। পৃথিৱীৰ সাতটা আচৰিত বস্তুৰ ভিতৰত এটা নহ'লেও চৰাইৰ 'ডেথ ভেলী' জাতিংগা আচৰিত বস্তু। যাৰ ওচৰত আজি অপৰাজেয় বিজ্ঞান পৰাজিত।

অসমৰ দক্ষিণ দিশত একমাত্ৰ পাৰ্বত্য পৰ্যটন স্থান 'হাফলং'। হাফলং চহৰৰ পৰা ৯ কিঃমিঃ দূৰৈত দিগন্ত বিয়পা সৌন্দৰ্যৰ বুকুত জাতিংগা এখনি সৰু গাঁও। জনসংখ্যা ১৪০০ জন। সেউজীয়া বৰাইল পাহাৰৰ উঠন বুকু, বিস্তীৰ্ণ সেউজীয়া ঘাঁহনি, পাহাৰীয়া সৰু সৰু জুৰি, ফটফটীয়া পানীৰে ঋজু দেহী 'জাতিংগা' আৰু 'দৈয়াং' কুঁৱলীয়ে ঢকা শীতলকৈ বৈ থকা চেঁচা বতাহ তাৰ মাজে মাজে মুক্তমনে বিচৰণ কৰি ফুৰা সিহঁত বিহঙ্গিনী।

**বুৰঞ্জীৰ এখিলা পাত ঃ–**

জাতিংগাৰ প্ৰথম বাসিন্দা জয়ন্তীয়া যদিও 'জাতিংগাৰ কলম্বাচ' জেমি নগাহে। ১৯৩৫ চনত জুম খেতিৰ কাৰণে জুই জ্বলাই বহি থাকোঁতে হঠাতে কিছুমান জেমি নগাই দেখা পালে যে এজাক চৰাই তেওঁলোকৰ অভিমুখে আহি আছে। চৰাইবোৰ এনেদৰে অহা দেখি জেমি নগাসকলে মনতে বৰ ভয় খালে। তেওঁলোকে চৰাইবোৰক কোনোবা ভূত, পিশাচ, দৈত্য, ডাইনী বুলি ভাবি ল'লে আৰু জাতিংগাক জয়ন্তীয়াসকলক বিক্ৰী কৰি দিলে।

দিন বাগৰিল। জেমি নগাৰ জাতিংগা জয়ন্তীয়াসকলে পালে। ১৯৪১ চনৰ কথা। হেৰোৱা ম'হ বিচাৰি যাওঁতে জয়ন্তীয়াসকলে পূৰ্বৰ জেমি নগাসকলে দেখাৰ দৰে এজাক অনামী চৰাই দেখিলে। দুজনমান জয়ন্তীয়া ডেকাই সাহস কৰি তাৰে দুটামান চৰাই বধ কৰিলে। আৰু তাৰে এজনে চৰাইৰ মঙহ খালে। তেতিয়াৰ পৰাই জাতিংগা উপত্যকাত চৰাই বধ কৰাটো এটা নিচা আৰু ধেমালিত পৰিণত হ'ল।

বছৰটোৰ আগষ্ট মাহৰ পৰা অক্টোবৰ নৱেম্বৰ মাহলৈকে জাতিংগালৈ চৰাইবিলাক (আলহী হৈ) আহে আৰু জুইত পৰি আত্মহত্যা কৰে। বছৰটোৰ আগষ্ট মাহৰ পৰা জানুৱাৰীলৈকে খোলা ৰয় জাতিংগাৰ সৌন্দৰ্যৰ দুৱাৰ।

**অভিশপ্ত জাতিংগা ঃ–**

জাতিংগাৰ অভিশপ্ত চৰাইৰ আত্মজাহ চাবলৈ বছৰি–বছৰি পৰ্য্যটকসকলে হৃদয়ত অশা পুহি ৰাখে। মানুহেতো নুবুজে যান্ত্ৰিক পৃথিৱীত বিহংগ বিহংগিনীৰ যন্ত্ৰণাৰ কথা। চৰাইবিলাকে মৃত্যুৰ শীতল কোলাত কিদৰে টোপনি যায়? সঁচাকৈয়ে বৰ হৃদয় বিদাৰক! চৰাইবিলাক কিয় এনে অভিশপ্ত সেইটো আজিও সাঁথৰ।

পৰিভ্ৰমী চৰাই 'জাতিংগালৈ' আহে আগষ্ট মাহৰ পৰা নৱেম্বৰ মাহৰ ভিতৰত। অৱশ্যে কেইটামান দিশ এইক্ষেত্ৰত অপৰিহাৰ্য্য। দিশকেইটা হ'ল–

১) পৰিভ্ৰমী চৰাইবিলাক সাধাৰণতে ১৫ আগষ্টৰ পৰা ৩১ অক্টোবৰৰ মাজভাগত আহে।
২) আন্ধাৰ ৰাতিহে চৰাইবোৰ আহে। জোনাক ৰাতি নহয়।
৩) বতাহ দক্ষিণৰ পৰা উত্তৰ দিশলৈ বলিব লাগিব।
৪) বতৰ ডাৱৰীয়া অৰ্থাৎ কিনকিনীয়া বৰষুণ পৰি থকা অৱস্থাত চৰাইবোৰ আহে।
৫) কুঁৱলীয়ে ঢকা বাতাবৰণত পুৱতি নিশা চৰাইবোৰ আহে।
৬) চৰাইবিলাক ধৰিবলৈ হ'লে পোহৰৰ দক্ষিণফালে এখন সৰু পৰ্দা ৰাখিব লাগে। সেই পৰ্দাৰ আঁৰত লুকাই থাকি চৰাইবিলাক ধৰা যায়। পোহৰ দেখি চৰাইবোৰ আহে। জাতিংগাৰ বাসিন্দাসকলে বহু বছৰৰ পৰাই বিনাঅস্ত্ৰে পৰিভ্ৰমী চৰাইবোৰ ধৰি আহিছে। তেওঁলোকে দিনে প্ৰায় ১৫০ ৰ পৰা ২০০ চৰাই ধৰিবলৈ সক্ষম হয়।

**পক্ষীবিদসকলৰ মতামত ঃ–**

চৰাইৰ এই অপমৃত্যুক লৈ পক্ষীবিদসকলে নানান পৰীক্ষা–নিৰীক্ষা চলাই আছে। গৱেষকসকলৰ বাবে এটা পক্ষী নিৰীক্ষণ ভৱন স্থাপন হৈছে। কিছু পক্ষীবিদৰ মতে চৰাইবোৰ চাইবেৰিয়া, থাইলেণ্ড অঞ্চলৰ। আকৌ কিছুমানে মত পোষণ কৰিছে চৰাইবিলাক স্থানীয়। অৰ্থাৎ ওচৰৰে 'বৰাইল পাহাৰৰ'। বৰাইল পাহাৰ হ'ল অসমৰ সৰ্বোচ্চ পাহাৰ। পোহৰ দেখি চৰাইবিলাক জাতিংগাৰ উপত্যকালৈ আহে আৰু মাতি আনে মৃত্যুৰ বিভীষিকা। চৰাইৰ এনে মৃত্যু হয়তো কোনোবা প্ৰাচীনকালৰে অ–খণ্ডনীয় অভিশাপ। যি অভিশাপ মূৰ পাতি লৈ জাতিংগা আজিও সাৰে আছে – স্বপ্নৰ কুহেলিকা হৈ।

জাতিংগাত দেখা দিয়া আলহী চৰাইবোৰ হ'ল– সাতভনী, টেকটেকী, মাছৰোকা, ডাউক, ৰঙা বুলবুলী, নীলা বুলবুলী, ডাপলীকা, বনৰীয়া পাৰ, বালিমাহী, কাণকুৰিকা, বগ, কুলি, দহিকতৰা, পাপিহা, ফেঁচু, ভদৰকলি আদি। ■

প্ৰবন্ধ

# বন্যপ্ৰাণী সংৰক্ষণৰ আৱশ্যকতা

– মুনমুন বুঢ়াগোহাঁই
(স্নাতক দ্বিতীয় বৰ্ষ)

*"Mother Earth has everytingg for everybodie's need but not for his greed." – **M.K. Gandhi***

বন্যপ্ৰানীনো কি ? বুলিলে কেৱল ডাঙৰ জন্তুবিলাক যেনে – হাতী, গঁড়, বাঘ, ভালুক, পহু ইত্যাদিয়ে যে অন্তৰ্ভূক্ত এনে নহয়। ক্ষুদ্ৰ প্ৰাণী যেনে – নিগনি জাতীয় জন্তু, সৰীসৃপ, উভচৰ, পতঙ্গ, অন্য অনুবীক্ষণৰ সহায়ত জানিব পৰা জীৱ, উদ্ভিদ আৰু আবাসভূমিৰ বৃহত্তৰ পৰা আৰম্ভ কৰি ক্ষুদ্ৰ সকলোধৰণৰ উপাদানেই অন্তৰ্ভূক্ত।

বন্যপ্ৰাণী সংৰক্ষণৰ অপৰিহাৰ্য্যতাৰ সম্পৰ্কে আলোচনা কৰোঁতে বহুতৰ মনত এনে সাধাৰণ প্ৰশ্ন উঠিব পাৰে – কিয় ? বন্যপ্ৰাণীবিলাক আমাৰ কাৰণে অনিষ্টকাৰী নহয় জানো ? বন্য জীৱ-জন্তু, চৰাই-চিৰিকতিয়ে আমাৰ শস্য নষ্ট কৰে, হাঁহ-কুকুৰা, গৰু-ছাগলী আদিক মাৰে, ঘৰ-বাৰী, অন্য সা-সম্পত্তি ধ্বংস কৰাৰ লগতে কেতিয়াবা মানুহকো ঘূণীয়া কৰে নাইবা জীৱন নাশ কৰে। তেনেহ'লে ইহঁতৰ সংৰক্ষণৰ দৰকাৰেই বা কি ? এনে প্ৰশ্নৰ উত্তৰত ইমানবিলাক কাৰণ দেখুৱাব পাৰি যে ক'ত আৰম্ভ কৰিব লাগিব সেয়া ঠাৱৰ কৰাটোহে টান হৈ পৰে।

বিশ্ব-ব্ৰহ্মাণ্ডৰ কেৱল পৃথিৱীতেই বহু নিযুত বছৰৰ আগত জীৱনৰ প্ৰথম আবিৰ্ভাৱ হয় আৰু যুগ যুগ ধৰি অসংখ্য প্ৰজাতিৰ সৃষ্টি হয়। প্ৰকৃতিয়ে নিজৰ প্ৰসংশনীয় আৰু গুপুত পদ্ধতিৰে নান প্ৰজাতিৰ মাজত এটা সূক্ষ্ম ভাৰসাম্য বজাই ৰাখে আৰু এই পাৰিপাৰ্শ্বিক ভাৰসাম্য এখন ডাঙৰ আৰু জটিল মকৰাজালৰ দৰে। পৃথিৱীৰ সকলো প্ৰাণীৰ প্ৰজাতিৰ ভিতৰত প্ৰকৃতিয়ে মানুহক দিলে এটা উন্নত আৰু সুদক্ষ মগজু আৰু ভাল বেয়াৰ বিচাৰ কৰিব পৰা ক্ষমতা তথা অৱদান। কিন্তু বৰ্তমান মানুহ পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাৰ নিয়মৰ ব্যক্তিক্ৰম হৈ পৰিছে। মানুহ জাতিৰ অপৰিসীম বংশবৃদ্ধি আৰু অন্যান্য কাৰ্যকলাপে পাৰিপাৰ্শ্বিকতাৰ বিশেষ গুণ, যাৰ ফলত জীৱনৰ আবিৰ্ভাৱ আৰু স্থিতি আমাৰ গ্ৰহত সম্ভৱপৰ হৈ উঠিছিল, সেয়া ধ্বংস হোৱাৰ উপক্ৰম হৈছে। আমি বুজিব লাগিব যে পৃথিৱীৰ সম্পদৰাজিৰ মানুহেই একমাত্ৰ উত্তৰাধিকাৰী নহয়। অন্যান্য সকলো বৃহত্তৰ পৰা আৰম্ভ কৰি এটি নগণ্য প্ৰাণীৰো জীয়াই থকাৰ আৰু পৃথিৱীৰ সম্পদৰাজিৰ অংশভোগ কৰাৰ সমানেই অধিকাৰ আছে। পাৰিপাৰ্শ্বিকতাৰ আমূল পৰিবৰ্তন বা অন্যতম আৱশ্যকীয় কাৰণত এটা প্ৰজাতি বিলুপ্ত হ'লে, চিৰদিনলৈ নোহোৱা হয় আৰু বিজ্ঞানৰ নানা কৌশল আৰু জ্ঞানেৰে সু-সজ্জিত মানুহে লোপ পাই যোৱা প্ৰজাতিক আকৌ ঘূৰাই আনিব নোৱাৰে। ফলত পৃথিৱীখন প্ৰাণীজগতৰ বৈচিত্ৰ্যৰ ফালৰ পৰা হৈ পৰিব দুখীয়া। উন্নতিৰ শীৰ্ষস্থানত থকা আৰু প্ৰকৃতিৰ বদান্যতাৰ শ্ৰেষ্ঠতম ভাগপোৱা মানুহে এইটো নিজস্ব দায়িত্ব হিচাপে মানি ল'ব লাগিব যে – বৰ্তমানে পৃথিৱীত থকা সকলো প্ৰজাতিয়েই ক্ৰমাগত পৃথিৱীত অৱস্থান কৰে আৰু আমাৰ আগগুৰি চিন্তা নকৰাকৈ কৰা কোনো কাৰ্য্যকলাপৰ দ্বাৰা যাতে কোনো প্ৰাণীয়েই বিলুপ্ত নহয়।

বন্যপ্ৰাণীৰ পৰা গোটেই মানুহজাতিৰ সামূহিক উপকাৰৰ মাত্ৰা কোনো ব্যক্তি বা গোষ্ঠী বিশেষক কৰা অনিষ্টৰ মাত্ৰাতকৈ বহুগুণে বেছি। যেতিয়াই, য'তে মানুহ আৰু বন্যপ্ৰাণীৰ ভিতৰত সংঘাত হৈছে, তাক অলপ বিশ্লেষণ কৰি চালেই বুজা যাব যে কাৰণটোৰ উৎস মানুহ। কিন্তু সৰ্বশেষত ক্ষতিৰ ভাগী হয় কোনো এটা প্ৰাণী বা কেইবাটাও বন্যপ্ৰাণী। সাপ দেখিলেই আমাৰ স্পৃহা হয় মাৰিবলৈ, কিন্তু সাপ হৈছে নিগনি জাতীয় জীৱৰ বংশ বৃদ্ধিৰ নিয়ন্ত্ৰণকাৰী আৰু সাপ নোহোৱা হ'লে হয়তো আমাৰ পথাৰত শস্য উৎপাদন আৰু ভড়ালত ধান ৰখাই, অসম্ভৱ হৈ পৰিলেহেঁতেন। আকৌ শঙ্খচূড় জাতীয় সাপে অন্যান্য সাপ খাই, সাপৰ বংশ বৃদ্ধিত নিয়ন্ত্ৰণ কৰে। ঠিক এইদৰেই আমি চৰাইক দোষ দিওঁ শস্যৰ অনিষ্টকাৰী হিচাপে। কিন্তু এই কথাত মন নিদিও যে কীট পতঙ্গৰ বংশ বৃদ্ধিৰ নিয়ন্ত্ৰণ একমাত্ৰ চৰাইয়েহে কৰিব পাৰে আৰু চৰাইৰ এই গুণ নোহোৱা হ'লে কীট-পতঙ্গৰ উৎপাতত মানুহৰ জীৱন দুৰ্বিসহ হৈ পৰিলেহেঁতেন। আনকি প্ৰায়ে তাচ্ছিল্যৰ ভাৱত চোৱা শগুণ আৰু কাউৰীয়েও আমাক অমূল্য উপকাৰ কৰে আমাৰ পাৰিপাৰ্শ্বিক পৰিস্কাৰ কৰি।

আমাৰ তথা ৰাইজৰ সক্ৰিয় আৰু সম্পূৰ্ণ সহযোগ নাপালে পৃথিৱীৰ কোনো চৰকাৰ অথবা আইনে বন্যপ্ৰাণীৰ সংৰক্ষণৰ কাৰণে কৃতকাৰ্য্যমূলক ব্যৱস্থা ল'ব নোৱাৰে। আমি সকলোৱেই স্থিৰ কৰিব লাগিব যে – উত্তৰাধিকাৰী হিচাপে পোৱা বন্যপ্ৰাণীৰ সম্পদৰাজিক আমি অপচয় কৰিম নে ব্যক্তিগোষ্ঠী সম্প্ৰদায়ৰ ক্ষুদ্ৰ স্বাৰ্থবিলাক উপেক্ষা কৰি আমি আগবাঢ়ি যাম বন্যপ্ৰাণী সংৰক্ষণৰ বাবে। ■

প্ৰবন্ধ


# মধ্যযুগীয় ইউৰোপৰ গণিতজ্ঞ 'ফিব'নাকি'

– দিব্যজ্যোতি কাকতি
স্নাতক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

"এযোৰ প্ৰজননক্ষম শহা পহুৱে প্ৰত্যেক মাহত এযোৰ শহা পোৱালিৰ জন্ম দিয়ে আৰু এযোৰ নৱজাত শহাপহু দ্বিতীয় মাহৰ পৰা প্ৰজননক্ষম হয়। এযোৰ মাত্ৰ নৱজাত পহুৱে আৰম্ভ কৰিলে মাহে মাহে শহাৰ বংশ বৃদ্ধি কিদৰে হ'ব?'



"এযোৰ প্ৰজননক্ষম শহা পহুৱে প্ৰত্যেক মাহত এযোৰ শহা পোৱালিৰ জন্ম দিয়ে আৰু এযোৰ নৱজাত শহাপহু দ্বিতীয় মাহৰ পৰা প্ৰজননক্ষম হয়। এযোৰ মাত্ৰ নৱজাত পহুৱে আৰম্ভ কৰিলে মাহে মাহে শহাৰ বংশ বৃদ্ধি কিদৰে হ'ব ?" উক্ত প্ৰশ্নটোৰ সমাধান বিচাৰিলে আমি দেখিম আৰম্ভণিতে এযোৰ শহা পোৱালী, প্ৰথম মাহৰ অন্তত এযোৰ প্ৰজননক্ষম শহাপহু, দ্বিতীয় মাহত এযোৰ প্ৰজননক্ষম শহাপহু আৰু এযোৰ শহা পোৱালি, তৃতীয় মাহত দুযোৰ প্ৰজননক্ষম শহাপহু আৰু এযোৰ শহা পোৱালি, চতুৰ্থ মাহত তিনিযোৰ প্ৰজননক্ষম শহাপহু আৰু দুযোৰ শহাপোৱালি ইত্যাদি। এইদৰে প্ৰতিমাহে শহাপহুৰ সংখ্যা বৃদ্ধি পাব। এই বিখ্যাত প্ৰশ্নটোৰ সমাধানে এটা অনুক্ৰমৰ জন্ম দিয়ে – 1, 1, 2, 3, 5, 8, 13..... উল্লেখযোগ্য যে এই অনুক্ৰমটোৰ তৃতীয় পদৰপৰা প্ৰতিটো পদ পূৰ্ববৰ্তী ক্ৰমিক পদ দুটাৰ যোগফলৰ সমান। এই অনুক্ৰমটোৰ আৱিষ্কাৰক জনৰ নাম হৈছে লিঅ'নাৰ্ড ফিব'নাকি (১১৭৫-১২৫০ খ্ৰীঃ)। আমাৰ ভাৰতীয় গণিতজ্ঞ ভাস্কৰাচাৰ্য্যতকৈ প্ৰায় যাঠি বছৰ সৰু ইটালীৰ ফিব'নাকিয়েই প্ৰথম মধ্যযুগীয় ইউৰোপীৰ গণিতজ্ঞ যাৰ গণিত সৃষ্টিত মৌলিকতাৰ লগতে আধুনিকতা পৰিলক্ষিত হৈছিল।




এজন সদাগৰৰ পুত্ৰ লিঅ'নাৰ্ডৰ 'ফিব'নাকি' আছিল উপনাম যাৰ অৰ্থ 'সুপুত্ৰ'। ফিব'নাকিৰ গণীতৰ শিক্ষকজন আছিল আৰবৰ আৰু তেতিয়াৰ পৰাই তেওঁ আৰবী পুথিৰ যোগেদি হিন্দু সংখ্যা প্ৰণালীৰ বিষয়ে জানিব পাৰিছিল। লিঅ'নাৰ্ডৰ দ্বাৰা ৰচিত "লিবেৰ আববাকি" নামৰ বিখ্যাত পুথিখনত উল্লেখ কৰা মতে ১ ৰ পৰা ৯ লৈকে নটা প্ৰতীকৰ লগতে আৰবী ভাষাত 'জেফিৰাম' বুলি কোৱা '0' প্ৰতীকটো ব্যৱহাৰ কৰি যিকোনো সংখ্যা প্ৰকাশ

কৰিব পাৰি। এই কথাৰ পৰা অনুমান হয় যে লিঅনাৰ্ডে 'শূন্যটো' ভাৰতীয় আৱিষ্কাৰ বুলি হয়টো মানি লোৱা নাছিল।

কিছুমান বিশেষ ধৰণৰ ত্ৰিঘাত সমীকৰণ সমাধানৰ বাবেও ফিব'নাকিয়ে চেষ্টা চলাইছিল কিছুদূৰ সফলো হৈছিল। ফিব'নাকিয়ে প্ৰথম N টা বাস্তৱ সংখ্যাৰ ঘনৰ যোগফল উলিওৱাৰ সূত্ৰ নিৰ্ণয় কৰিছিল। সূত্ৰ নিৰ্ণয় কৰাৰ পদ্ধতি আছিল এনেধৰণৰ ঃ– ক্ৰমিক অযুগ্ম সংখ্যাবোৰ ত্ৰিভুজাকাৰে সজাই লোৱা হৈছিল। N তম শাৰীৰ N টা সংখ্যাই এটা সমান্তৰ প্ৰগতি কৰিব আৰু সংখ্যাকেইটাৰ মধ্যমান N ৰ বৰ্গ। গতিকে এই সংখ্যাকেইটাৰ যোগফল N ৰ ঘন। এতেকে N তম শৰীৰলৈকে যোগফল N ৰ ঘন। এতেকে N তম শৰীলৈকে থকা আটাইবোৰ অযুগ্ম সংখ্যাৰ যোগফলেই N টা বাস্তৱ সংখ্যাৰ ঘনৰ যোগফলৰ সমান।

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | | 1 | = | $1^3$ |
| | | | | | | | | 3 | 5 | = | $2^3$ |
| | | | | | | | 7 | 9 | 11 | = | $3^3$ |
| | | | | | | 13 | 15 | 17 | 19 | = | $4^3$ |
| | | | | | 21 | 23 | 25 | 27 | 29 | = | $5^3$ |
| | | | | 31 | 33 | 35 | 37 | 39 | 41 | = | $6^3$ |
| | | | 43 | 45 | 47 | 49 | 51 | 53 | 55 | = | $7^3$ |
| | | 57 | 59 | 61 | 63 | 65 | 67 | 69 | 71 | = | $8^3$ |
| | 73 | 75 | 77 | 79 | 81 | 83 | 85 | 87 | 89 | = | $9^3$ |
| 91 | 93 | 95 | 97 | 99 | 101 | 103 | 105 | 107 | 109 | = | $10^3$ |

মধ্যযুগীয় খ্ৰীষ্টান জগতৰ ফিব'নাকিয়েই আছিল শ্ৰেষ্ঠ গণিতজ্ঞ। আগতে উল্লেখ কৰা 1, 1, 2, 3, 5, 8, 13... অনুক্ৰমটোক ফিব'নাকি শ্ৰেণী (Fibonacci Series) বুলি নামকৰণ কৰা হয়। এই শ্ৰেণীটোৰ বহুতো মনোৰঞ্জক আৰু আকৰ্ষণীয় ধৰ্ম আছে। 'ফাই' (Phi $\rightarrow \phi$ ) নামৰ এটা গুৰুত্বপূৰ্ণ অনুপাত ইয়াৰ পৰা নিৰ্গমন কৰিব পাৰি। $\phi$ ৰ মান হৈছে 1.61803...। ফিব'নাকি শ্ৰেণী আৰু $\phi$ ৰ অনুপাতৰ আকৰ্ষণীয় ধৰ্মবোৰৰ বাবেই ১৯৫২ চনত ''ফিব'নাকি এচোচিয়েছন'' নামৰ এটা আন্তৰ্জাতিক সংগঠন গঢ়ি তোলা হয়। ■

**সংগ্ৰহ ঃ–**

১। গণিতৰ ক্ৰমবিকাশৰ ইতিহাস।

২। টংক মামাৰ অংকৰ সাধু।

***Power and position will corrupt and deviates any person whether they were supermen or Gentlemen. Position is temporary but good will is forever.***

প্ৰবন্ধ

# MORAL DEGRADATION OF PRESENT TIME AND ROLE OF YOUTH

– Kalpalata Chakraborty
T.D.C. 1st Year (Science)



Our ancestors would like themselves in a world quite unlike what they saw in their life time if they were to wake up after their sleep of centuries. Their first reaction would be of amazement and perplexity. However, our first question to them would be whether they find the world better or worse or change outwardly. Perhaps any prompt answer in negative or affirmative would not be forthcoming. Progress stands for outward movement though it also implies development or change for the better. However, it is argued that science has prompted only material well-being and moral and spiritual progress has been retreated.

India's supreme crisis today is the crisis of moral character. In the days gone by we were well-known for our character. The British rule and the impact of modernism have given us an attitude of indifference and apathy towards building moral-character. The result is that we have become selfish, self-centred and narrow-minded. For our personal gain we can go to any length and even we can sacrifice character - the essence of life. We never care for the well-known saying, ''If wealth is lost nothing is lost ; if health is lost, something is lost and if character is lost everything is lost.''

Our indifference to character is clear from the widespread corruption on every phase of life in our country. There is no sphere of public administration, where this evil is not ruling supreme. Bribe has become a common feature of our public life. We can get illegal things done and we can bypass the law only if we have money to grease the palm of public officials. We have become so much accustomed to corruption that now we do not care for the value of life.

Corruption also exists in political level. M.L.A.s and P.M.s interfere in the government administration. They side with the evil doers. They exploit their influence among the people and their political status in order to feather their nests and also to help their

friends and relatives. Defections is another form of political corruption. These defections are not based on any principles. They are caused by the love of power and money and show that corruption is deeply roted in the public life of the country.

All this is the result of lack of character. Moral character is a thing of supreme importance in life. No individual can become a great man without character. All great man like Gandhi, Tilak, Subhash, Lincoln, Shivaji and Rana Pratap were men of strong and noble character. As character is necessary for individuals, it is also necessary for a nation. A nation cannot make any progress if it has lost its moral character. Many nations were shipwrecked on the rock of corruption. Roman Empire of the later days is a case in point. People think that even if they complain against corruption nothing will come out of it. There is also the danger of reprisal.

Only superficial measures against corruption cannot be effective. Whenever a law is made or some measure is taken to check corruption or social evils, people find out the ways to bypass the both. Therefore, if we want to cure our country of corruption and many other social evils, we will have strike at their very roots. This things will not be possible so long as we do not raise our moral standard. Through education, through examples and through various other means we should put the love of truth and honesty into the minds of young ones. We should make them courageous and fearless. This alone can solve the degradation of moral character that we are facing today in India.

It is said that the civilization and culture of a country are judged by the status that it accords to its youth. The essence of Indian culture lies in its youth. The job of a youth today is to restore emotional security in this insecure world. The youth has developed the art of human relationship and has made a notable contribution in the development of human behaviour. The youth must realise that they can and must save modern civilization from destruction. They must help in the development of new moral standards of the modern times. And this is possible only if the youth possesses good character. The moral teachings contained therein sink into our heart and lay the foundation of a character for above the reach of evil.


Humility or ability to adjust oneself to one's surroundings is the greatest virtue of a human being and more so of a youth. The youth has the golden opportunity of easing world tension. When the world is threatened by atomic wars, it is their noble duty to save it from annihilation. It is good for the youth to devote themselves to motherhood and devote their energies to peacemaking. New zeal and new endeavour must become visible in our youth, if they have to play a role in the modern world. India's pressing need is youth of calibre. In order to be of any help to their country they will have to combat false beliefs and superstitions and with energy and selfless service to adjust themselves to the requirements of time and most important, building up of a good moral character. ■

***[Kalpalata Chakraborty got the first prize in the college week on this article.]***

প্ৰবন্ধ

# SNAKES
## – Nature's beautiful creature

– Raj Sonar
T.D.C. 1st Year (Science)




### Which Snake can kill ?

They are not slippery or slimy. They do not seek out people to attack. In fact, they are shy creatures and hide from man if they can. But the snake in the grass is a killer-more deadly than all other animals except insects.

Although many animals are potentially dangerous to man, most have been greatly exaggerated as killers by sensational fiction. Tales of man-eating tigers, Voracious sharks and bloodthirsty wolves are nothing but pure invention.

Thousands of people die because of the next most dangerous group of animals-snakes. Nevertheless, an irrational fear of snakes haunts people even in countries where snakes are rare. Some experts put the figure as high as 30-40,000. But most death occur in remote part of undeveloped countries where it is difficult to collect accurate information.


Actually there are two types of snakes - the venomous (those which are poisonous) and the non-venomous. Out of the non-venomous, the most fascinating are the constrictors which crush their pray to death. This is not so. They coil themselves round their victims and, by applying slow but steady pressure, suffocate it. Each time the victim breathes out, the constrictor increases the pressure until the unfortunate animal can breathe in so little air that oxygen is prevented from reaching the brain. At this point, the prey become unconscious and can be swallowed by the snake, insensible but alive. Some



African Rock Python – 9.8 m.



Reticulated Python – 10 mt.



The Monster, South American Annaconda – 11.3 m long

constrictors, however continue to apply pressure until the heart stops.

There is no doubt that the largest constrictors could kill and even swallow a human. The constrictors are the world's largest snakes and six species (out of about sixty) are true monsters :

* The boa constrictor of central and south America can grow to a maximum length of 5.8m.
* The Indian python can reach 6.1 m.
* The amethystine python, found in Australia and Philippine Island, may grow to 7.6m.
* The African rock python reaches 9.8m.
* The reticulated python of Asia may reach 10m.
* The monster of them all the anaconda of South America, may grow to a massive 11.3m.

These enormous snakes can take large animals as food. For example, a 4.8 meter African Rock python is known to have killed and swallowed an impala (a kind of antelope) weighing 59 kg. So it is possible that a large constrictor could kill and eat an average 70kg. man, although small woman and children would be the more likely victims.

Of course this doesn't make, the tiger snake as the most dangerous snake in the world. The dubious honour is most often awarded to the king cobra, because of its size- it can grow to 4.5m., making it the world's longest venomous snake – its cunning, and its aggressiveness.

Most venoms (cobra venom is an exception) can be swallowed without ill effect. They are only poisonous if injected beneath the skin. To get their venom beneath the skin, snakes have evolved highly efficient fangs. Most commonly, the fangs are fixed at the front of the snake's mouth. There are grooves along the front edge of the fangs that conduct the venom into the pucture made by the fangs.

The most sophisticated fangs of all are found in vipers, including rattle snakes, bush masters, pit vipers and others. These fangs are swivelled they fold back into the roof of the mouth when not in use, but when the animals open it's mouth to strike they spring forward. This allows the snake to have unusually long fangs that can sink deep into the victims. Viper's fangs also have an ingenious injection system-just like the hypodermic needle familiar to any one who has been inoculated – through which the venom is introduced.

There is a factual description about the reticulated Python. A 14 year old boy was said to have been eaten by a 4.3 metre reticulated python in the East Indies and in the same year an Indian newspaper ran a news item about a Burmese salesman- Maung Chit Chine - who had been Swallowed, feet first, by a python.

Most human deaths occur because someone has trodden on a snake attempted to handle it, or inadvertently cornered it. Venomous snakes are dangerous, some are deadly if the victim is not quickly given antivenin, but despite this, the fear they cause and which leads to the slaughter of any snake, (venomous or not) is undeserved. ■




1. What is the highest military decoration in the US ?
2. Alliumphobia is the fear of which pungent food plant ?
3. Which spice's name means ''Indian date''?

1. Medal of Honour ; 2. Garlic ; 3. Tamarind




# WE WANT PEACE

– Chandan Dey
B.Sc. Part - I

"Hush.....h.....," She said, keeping her pointed finger on her lips. In a pathetic tone, she addressed a gathering on the roadside. "Silence, silence, Be Alert. Do not go there, do not go there, don't go there. They will kill you all. Ex... Ex... Explosion will take place. Move move quickly to your own destinations. You will all be killed. Go. go....go quick. Do not wait." A woman around 35 year spoke so, and then she stopped for a while. Then, with slow steps, She hobbled and left the place, murmuring something to herself. Everyone could clearly hear one sentence "You all be killed, be alert" slowly the crowd dispersed. The people who knew her from before didn't pay any attention to her. On the otherhand, a group of people took interest, encircling her.

Rohan, a school boy was observing the incident. He didn't know the woman. So he eagerly went to a stationery shop owner nearby and asked about the woman.

The shop owner at first didn't want to waste his time explaining about the woman. But observing Rohan's eagerness to know about the woman, made the man explain to him all about her. The man said, "Then listen, actually the woman you are looking at on the road side, came from a well to do family. She was married to a renowned doctor in her town." With astonishment, Rohan asked the man, "But......".

"Yes", the man went on, "Just a few months ago the woman with her husband, children and a few relatives went to Guwahati city for a holiday. But unluckily, they....." Rohan asked, .... "they they what ..... happens then ?"

"The women lost her husband, children and some of her relatives in a bomb blast. All of them embraced death. She was also in the spot, but somehow, she was saved, while her loved ones left this world for good in front of her eyes.... Ah!", he continued with a sigh of sadness. She could not bear this tragedy and since then she has become mad. Many times, her parents tried to take her to their own home, but she didn't go.

Everyday, she rambles about in search of something. Tears rolled down Rohan's cheeks and he then left the place.

The following week, Rohan was on his way to school. He saw the same woman. Some of the small children were running after her, making fun of her. Rohan went near the woman. He chased away all the small children, Saying that they should not make fun of such helpless people. Seeing Rohan, the mad woman started – "Beta you are alone. You know, I had a son like you and a daughter. They killed them..... don't go there. You will be killed. Bomb explosion will take place. Go quick, go, beta." Rohan

could see tears in her eyes. He knew all about her, but still, he asked the woman, ''Where and what are you talking about. Aunty ?'' Out of emotion and pain, she just told him the two words ''There, there'' but she could not tell the name of the place. She murmured something and again told Rohan ''Beta go, go.....'' then the woman proceed with slow steps and deep in thought. Rohan could see the sad pale face of the woman. He called out to the woman ''Aunty, Aunty.....'' But she did not turn back. Rohan stared at the woman and thought – a good man turns mad, a healthy man becomes handicapped and some leave this world forever. He felt that everything had become silent. Everywhere, there was silence, silence and silence. Just a question remained in Rohan's mind, who would the mad woman Share her thoughts with, in her sorrowful moments ? Who would bring back a smile on her face ? ''Oh no! I am late.'' Then he left the spot for school.

Yes, today also the same questions arise. Who would help and encourage the mad woman?

My heart splits into pieces to talk about the serial blast that took place on October 30, 2008, in various parts of Assam. Just within an hour, terrible explosions, took place, which rocked the entire Assam. Guwahati, Kokrajhar, Barpeta road, Bongaigaon were some of the important places in Assam, where the explosions had taken place. It seemed like storms had destroyed peoples lives their building and vehicles etc. An! Dead bodies scattered, houses, vehicles burned into ashes and...... What not ! What were the mistakes of common innocent people ? What did they do ? I ask all those wicked devil and culprits – who will stop their tears ? Who will share their mourning moments ? We can console them with word. But can anyone in reality remove the pain from their hearts ?

Why ? Why ? Why ? ....Why do you indulge in such evil practices ? WE WANT PEACE and not the smell of blood.

Today if in this chaosing world if any where God is there, he will surely ask his men what are you doing ? And if by chance Almighty ALLAH is there, he will surely ask his men, who turn into the Jehadis, ''WHAT ARE YOU PRAYING FOR?''

It's my request to every individual, to bring peace and harmony into the society. Eradicating dark and evil thoughts, we need to co-operate with each other. Lastly I say.......


***HATE EVIL, FIGHT AGAINST EVIL***
***WITH COMPLETE AND TRUE DEDICATION***
***STAND UP.***
***UNITED AGAINST TERRORISM.*** ■




1. Expand CDMA as used in 'limited mobility' phone terminology ?
2. In motor-rallying, what is a 'tulip'?
3. Apart from Wasim Akram, which cricketer uses insulin every day ?
4. Which great Bollywood actress had four fingers on her left hand ?
5. Why is Pepsi 1 called Pepsi 1 ?
6. Name the first woman who was appointed as the deputy governor of the Reserve Bank of India ?
7. Which country has the largest number of pyramids in the world ?

1] Code Division Mobile Access ; 2] The route-map ; 3] Craig McMillan ; 4] Meena Kumari ; 5] It has one calorie ; 6] K.J. Udeshi ; 7] Mexico

প্রবন্ধ



# WHY ? THE REASON IS GLOBAL WARMING

– Shantimaya Lama
T.D.C. 2nd Year



Everyday, when the sun rays reach Earth a group of gases called greenhouse gases trap a part of the heat and keep our planet warm enough for us to survive. Absence of the greenhouse gases would mean that Earth would be $30^0$ colder -too cold for most species. However, if the level of these gases in the atmosphere increase, they will absorb more heat and make earth too hot for us to live ! Pollution, cutting forests burning of fossil fuels like coal and petrol, increases the level of green house gases in the atmosphere and this cause global warming. The Aldabra banded snail, a species found only the Aldabra atoll in the Indian ocean has become extinct after warm weather drastically reduce the rainfall in its habitat. Two-thirds of the 110 known species of the Harle quin frog have vanished due to the global warming. Penguins, Koalas, etes are just few among the many animals that now suffer due to global warming.


As a result of stress the species critically endangered today could become extinct in the next few decades. The temperature rise of about $1.5^0$ to $25^0$c will mean that about 20% – 30% of all plant and animal species will be at an increased risk of extinction. The most important is glacier world wide. Almost all of the 300 large glacier world wide are Shrinking. It is protect that in few decades the Glaciers National Park will have no glaciers. If the present rates of warming continue, the glaciers in the Himalayas might disappear by the year 2035 ! If glaciers continue to melt at the current rate, perennial rivers such as the Ganga, Indus, Brahmaputra and others might becomes seasonal rivers ! The Himalayas glacier provides water to one third of world's population. Continued reduction in the size & these glaciers will cause acute shortage of water for drinking & irrigation. So we should stop Global warming. ■

**Respect the old when you are young, help the weak when you are strong, confess the fault when you are wrong, because one day in life you will be weak and wrong.**

প্রবন্ধ

# *Science :* During 16th and 17th century

– **Bubul Handique**
T.D.C. 1st year (Science)



Famous Egyptian astronomer Ptolemy in his book ''al magest'' wrote that the earth is located at the centre of the world and the moon, the sun, the planets and the stars revolve with respect to it. This fact was also supported by famous Greek philosopher Aristotle. Some scholars of medieval period spread the rumour that geo-centred fact was also in accordance with the Bible.

It was not easy for Nicolas Copernicus to establish or make common people believe his findings going against the then very possessive and powerful 'church' community. After a lifelong study and education copernicus said that if it was assumed that the sun was in the centre of the world then it was easy to describe the motion and path of the planets. Copernicus first revealed that the planets seen in naked eye (Mercury, Venus, Mars, Jupiter and Saturn) including the earth all revolve round the sun in circular path and the moon revolves round the earth. Copernicus embedded his lifetime archives in his book ''On the revolution of the celestial spheres'' which was published a few days before his death in 1543.

During the beginning of 17th century German astronomer Johann Kepler published a book named ''Astronomia nova'' (New Astronomy). The book revealed two facts that the orbits of the planets are not circular, but elliptical and that during revolution around the sun the velocity of the planets changes with respect to their position.

In the year 1609 Galileo Gallilae constructed the first telescope and studied the sky. Galileo became much successful in his work. He studied the surface of the moon and discovered four satellites around Jupiter. He published his works in the book "The starry Messenger" in 1610.

In the year 1642 Galileo died and Newton was born. If it is thought that the practice of science was started by Copernicus, Kepler and Galileo and given a completeness by Newton, it would not be a right



**In the year 1687 Sir Issac Newton's all time great book "The Mathematical Principles of Natural Philosophy" was published. This book of Newton changed the face of modern science. Newton's three laws of motion and the law of gravitational force were included in this book. Newton's laws were so simple that even school children were able to understand and byheart remembered them without any difficulty.**

judgement to several short-lived persons meditating science.

Newton studied in Cambridge University and he got B.A. degree in 1665. Later he became the professor of mathematics of Cambridge University. In 1684, Newton sent his famous research paper "On the Motion of bodies in an Orbit" to the Royal Society. The Royal Society of London was the centre of scientific meditation in entire England. It played a very important role in the progress of science and raising awareness. Robert Boyle, Christofer Kene, Robert Hook, Edmund Haley were among the active and first civilians of the Royal Society. In the year 1687 Sir Issac Newton's all time great book "The Mathematical Principles of Natural Philosophy" was published. This book of Newton changed the face of modern science. Newton's three laws of motion and the law of gravitational force were included in this book. Newton's laws were so simple that even school children were able to understand and byheart remembered them without any difficulty. The scholars of that time understood that the universe may appear to be very complex but it is directed by some very simple rules (Newton's laws of motion and law of gravitational force). The speed and path of the planets, moon, etc. are not controlled by any supernatural power.

In 1705 (after the death of Robert Hook) Newton was selected as the new president of the Royal Society. By the time in 1704 another book of Newton dealing with light named "Optics" was published. Newton died in 1727.

In different fields of science, at different times many scientists become famous due to their lifelong meditation and their great achievements. But the few renowned men as mentioned of 16th and 17th century definitely have a great hand in the rapid progress and maturity of science. ■

গল্প



# মণিমালা

– হেমেন শইকীয়া
প্ৰাক্তন ছাত্ৰ

চোতালত মানুহৰ বৰ ভিৰ। গাৱঁৰ থলৌ, জীৱন, মদন আৰু ৰতন পেহা চোতালৰ এমূৰত থকা ছকী এখনত বহি কথা পতাত ব্যস্ত। মাখনী পেহী আৰু ভালেমান মানুহ বাৰাণ্ডাতে বহি আছে। প্ৰাঞ্জলে এবাৰ ভিতৰলৈ এবাৰ বাহিৰলৈ অহা-যোৱা কৰি আছে। সি হঠাৎ আকাশখনলৈ চালে। তেতিয়া বেলিটোৱে দিনটোৰ কাম-কাজ সামৰি পশ্চিমৰ ঘৰলৈ উভতিছে। এই সুযোগতে পৃথিৱীলৈ নামি আহিছে সন্ধ্যা। এনেতে সিহঁতৰ পদূলিৰ মূৰত এখন মাৰুতী আহি ৰ'লহি। গাড়ীৰ পৰা নামি অহা কানুক দেখি তাৰ চকু দুটা সেমেকি উঠিল। বহুদিনৰ পাছত তাৰ বন্ধু কানু আহিছে। আগতে সি প্ৰায়েই সিহঁতৰ ঘৰলৈ আহিছিল। বৰ্তমান চাকৰিৰ ব্যস্ততাৰ বাবে বহুদিন আহিব পৰা নাছিল। প্ৰাঞ্জলৰ মাকৰ অসুখৰ খবৰ পাই সি দেখা কৰিবলৈ আহিছে। ইতিমধ্যে কানু চোতাল পালেহি। তাৰ মাততহে প্ৰাঞ্জল বাস্তৱ জগতলৈ ঘূৰি আহিল। এতিয়াহে সি মন কৰিছে কানুৰ কাষত যে এজনী গাভৰু ছোৱালী থিয় হৈ আছে। সি ল'ৰালৰিকৈ দুয়োকে বহিবলৈ দিলে।

বাৰাণ্ডাতে শুৱাই থৈছে ৰোগগ্ৰস্তা প্ৰাঞ্জলৰ মাকক। প্ৰায় এমাহ ধৰি তেওঁ ৰোগত ভূগি আছে। তেওঁৰ উচ্চ ৰক্তচাপ আছিল। এদিন চোতালত পিছলি পৰিছিল। তাৰ পাছৰ পৰা পেৰালাইছিচ্ হ'ল। শৰীৰৰ প্ৰায়বোৰ অংশই অলৰ-অচৰ হৈ পৰিল। মাথো সোঁ-হাতখন অলপ কৰ্মঠ হৈ আছে। আগদিনালৈকে নিজে চামুচখন ধৰিব পাৰিছিল। পিছে আজি কিছু সময়ৰ পৰা বুঢ়ীৰ যোৱা-থোৱা অৱস্থা হৈছে।

কানুৱে বুঢ়ীৰ লক্ষণ ভাল নেদেখি কিছু আৱেগিক হৈ পৰিল। কোনেও তলকিব নোৱাৰাকৈ ঘাম মোহৰাৰ চলেৰে সি চকুপানীখিনি মচি ল'লে। মণিও কানুৰ কাষতে থিয় হৈ থাকিল। কানুৱে বুজিব পাৰিলে, বুঢ়ী আৰু বেছিপৰ ইহ-সংসাৰত নাথাকে। সি কোনোমতে আৱেগক বাধা দি মাত ল'গালে — ''মা, মই আহিছো, কানু।''

বুঢ়ীৰ কাণত কানু শব্দটো সোমোৱাৰ লগে লগে ইমানপৰে জাপ খাই থকা চকু দুটা ডাঙৰকৈ মেলিলে। ''মা, এওঁ মণি। তামুলপুৰৰ ভোগেশ্বৰ হাজৰিকাৰ ভতিজী।'' কানুৱে মুখৰ পৰা আপোনা-আপুনি ওলাই অহা এই কথাষাৰৰ এনে সময়ত কিবা প্ৰয়োজন আছে নে নাই ভাবি চাবলৈও অৱসৰ নাপালে। বুঢ়ীয়ে যন্ত্ৰণা কাতৰ স্বৰেৰে ''মণি...মণি...'' বুলি মতাত সকলো অবাক হৈ পৰিল। দুচকুৰ কোণৰ পৰা তীব্ৰ বেগেৰে দুধাৰি চকুলো বৈ আহি বুঢ়ীৰ গাল দুখন তিয়াই পেলালে। বুঢ়ীয়ে সোঁ-হাতখন লাহেকৈ দাঙিবলৈ যত্ন কৰিলে।

ইমানপৰে অবাক হৈ থকা মণিয়ে লাহেকৈ বুঢ়ীৰ হাতখনত ধৰিলে। মণিৰ হাতখন নিজৰ মুখৰ ওচৰলৈ টানি নি বুঢ়ীয়ে এটি চুমা খাবৰ যত্ন কৰিলে। থোকা-থুকি মাতেৰে তেওঁ ক'বলৈ ধৰিলে ''আই, তই আহিলি.... মোক.. ক্ষমা... কৰিবি মণি, মই আৰু নাথাকো। কানু... মণিক চা...বি.... ।'' লাহে লাহে বুঢ়ীৰ কথা অস্পষ্ট হৈ আহিল। মণিয়ে একোকে বুজি নাপালে। কানুৱে কথাবোৰ আগৰ পৰাই জানে কিন্তু মণিকহে আজিলৈকে কোৱা নাছিল। নিজকে অপৰাধী যেন বোধ কৰি কানুৱে বুঢ়ীৰ এখন হাত নিজৰ দুহাতত লৈ নিৰবে চকুলো টুকিলে। সিহঁতৰ ওচৰত বহি থকা থলৌ খুড়াই লাহেকৈ বুঢ়ীৰ মুখখন কাপোৰেৰে ঢাকি দিয়াতহে সকলোৰে চকুৰ বন্ধন খোল খালে। ইমানপৰে আটায়ে কেৱল কানু আৰু মণিৰ ওপৰতহে দৃষ্টি ৰাখিছিল। সেয়ে বুঢ়ীয়ে সকলোকে এৰি কোনোবা অজান ঠাইলৈ কেতিয়া গুচি গ'ল কোনেও গমকে নাপালে।

০০০

প্ৰাঞ্জলৰ শুৱনি কোঠা। কানুৱে বাতৰি কাকত এখন হাতত লৈ চোফা এখনত বহি আছে। বাতৰি কাকতখনে কানুৰ কঁকালৰ ওপৰ অংশ ঢাকি ৰাখিছে। বিপৰীত ফালৰ এখন চোফাত মণি বহি আছে। তাইৰো একেই অৱস্থা। প্ৰান্তিক আলোচনীখনৰ পাতবোৰ বাৰে বাৰে ইলুটি-সিলুটি কৰি আছে। দুয়ো নিজ নিজ ভাবনা সাগৰত ডুব গৈ আছে। প্ৰাঞ্জলে বাহিৰত ইটো-সিটো

কামত ব্যস্ত হৈ আছে। তিলনি শেষ কৰি ৰাইজ ঘৰাঘৰি গ'লত প্ৰাঞ্জলে শুৱনি কোঠাত সোমাই কানুৰ কাষতে বহিল। কাৰো মাত–বোল নাই। প্ৰাঞ্জলে মাত লগালে "কানু.."

ঃ অ'... তই।

ঃ মণি, আমনি পাইছা হ'বলা ?

ঃ নাই নাই। এইখনকে চাইছো অলপ। প্ৰান্তিকখনলৈ দৃষ্টি ৰাখি মণিয়ে উত্তৰ দিলে।

হাতত লৈ থকা বাতৰি কাকতখন সামৰি লাহেকৈ টেবুলৰ ওপৰত থৈ কানুৱে মাত লগালে– "প্ৰাঞ্জল..."

ঃ কিবা কবি?

ঃ (ক্ষন্তেক ৰৈ) সকলো মানুহেই ভুল কৰে কিন্তু ভুলৰ শুধৰণি থাকে। মই যি ভুল কৰিলো তাৰ শুধৰণি জীৱনত মই কেতিয়াও কৰিব নোৱাৰিম।

ঃ মই একো বুজা নাই। তই কি ভুলৰ কথা কৈছ, ভালদৰে বুজাই ক'চোন।

ঃ এইবোৰ বৰ জটিল বুজিছ, বৰ জটিল...।

ঃ তুমি কিবা কথা লুকুৱাই ৰাখিছা নহয়? কোৱা কি ইমান জটিল সমস্যা। – কানুৰ ভাবমূৰ্ত্তি দেখি মণিয়ে মাত লগালে। কানুৱে মণিৰ চকুলৈ চাই একো উত্তৰ দিব নোৱাৰিলে।

ঃ ক' কানু, সমস্যা যিমানেই ডাঙৰ নহওঁক আঁৰত সমাধান থাকিবই।

প্ৰাঞ্জলৰ কথাই কানুৰ হাতত তুলি দিলে এখন ইতিহাস। সি লাহেকৈ আৰম্ভ কৰিলে আজিৰ পৰা পঁচিশ বছৰৰ আগৰ এটি পুৰণি কাহিনী।

০০০

সেইদিনা আছিল বৃহস্পতিবাৰ। ভেকুলাজানৰ সাপ্তাহিক বজাৰৰ দিন। বাৰীৰ লাউ–বেঙেনা কেইটামান লৈ বজাৰলৈ গৈছিল মহেশ। এদিন–দুদিন কৰি কেইবামাহো পাৰ হৈ গ'ল। বাটৰ কোনোবাফালে কুকুৰে ভুকিলে নাইবা চাইকেলৰ কেৰেং কেৰেং শব্দ শুনিলে বেচেৰী ৰূপালীয়ে বৰ হেঁপাহেৰে বাটলৈ চায়। জানোচা তেখেত আহিছেই। কিন্তু ৰূপালীৰ আশা সপোন হৈয়েই থাকিল। মহেশ আৰু কোনো দিনেই উভতি নাহিল। মাত্ৰ বাইছ বছৰ বয়সতে বৈধব্যৰ বগা সাজ পিন্ধা ৰূপালীৰ মাক–দেউতাকৰ সহ্য নহ'ল। সেয়ে তেওঁলোকে ৰূপালীক ঘৰলৈ লৈ গ'ল। কণমাণি এবছৰীয়া কেঁচুৱাটিক মহেশৰ দেউতাকে কিন্তু এৰি নিদিলে। ক'লে "এইক মৱেই তুলি–তালি ডাঙৰ–দীঘল কৰিম।" ইমানপৰে মৌন হৈ মণিয়ে কথাবোৰ শুনি আছিল। তাই যেন কিবা এটা উত্তৰৰ অপেক্ষাত ৰৈ আছিল। সেয়ে তাই সুধিলে "তাৰ পাছত কি হ'ল? সেই কেঁচুৱাটি কোন? তাৰ নাম কি?"

ইমানবোৰ প্ৰশ্ন একেলগে সুধিব বুলি হয়তো কানুৱে ভবাই নাছিল। কিন্তু ইয়াত তাৰ আচৰিত হ'বলগা একো নাই। সেয়ে সি নিজকে অলপ চম্ভালি ক'লে –"ৰবাচোন মই কৈ যাওঁ।"

কানুৱে আকৌ আৰম্ভ কৰিলে – "তেতিয়া মই তামোলপুৰ কলেজৰ স্নাতক দ্বিতীয় বছৰৰ ছাত্ৰ আছিলো। এদিন মই আৰু সেই ছোৱালীজনী অৰ্থাৎ ৰূপালীৰ জীয়েকক লগত লৈ আমাৰ ঘৰলৈ গ'লো। পিছদিনা মাৰ মুখৰ পৰাহে শুনিছিলো ছোৱালীজনীৰ জীৱন কাহিনী। মায়ে মোক শপত দি কৈছিল– "তই কেতিয়াও তাইক এইবোৰ কথা নকবি। নহ'লে বেচেৰীয়ে মনত বৰ দুখ পাব।"

"মাৰ কথাষাৰ ৰাখিবৰ বাবেহে মই তাইক এইবোৰ কথা কোৱা নাছিলো। ভাবিছিলো তাইক মই নিজৰ কৰি আনিম, খুউব মৰম কৰিম। তাই যাতে এইবোৰ কথা কাকো সুধাৰ প্ৰয়োজনবোধ নকৰে। কিন্তু মই আজি মোৰ ভুল বুজি পাইছো। সেয়ে সকলো কথা ক'ম বুলি ভাবিছো। জান প্ৰাঞ্জল, ঈশ্বৰে মোক ভীষণ প্ৰতিশোধ লৈছে। আনৰ মনত দুখ দি নিজৰ সুখৰ কথা ভবাৰ পৰিণতি আজি মই ভোগ কৰিছো। প্ৰাঞ্জল, সেইদিনা তোৰ মাৰে কোৱা কথাষাৰ মনত আছেনে? তই জাননে সেইজনী ৰূপালীয়েই তোৰ জন্মদাত্ৰী, স্বৰ্গগামী মা আৰু সেইজনী ছোৱালীয়েই তোৰ সহোদৰা, মোৰ কাষত বহি থকা মণি তথা মণিমালা।" মথাষাৰ কৈয়েই কানুৱে মণিৰ ফালে চালে। মণি তেতিয়া চকীত বহি থকা নাই, তাই কেতিয়া উঠি গৈ ওচৰৰ কোঠাটোৰ বিচনাত বাগৰি চকুলো টুকিছে কোনেও গমেই নাপালে। আনফালে প্ৰাঞ্জলো চোফাখনত আউজি ভাবৰ জগতত ভ্ৰমণ কৰি আছে। জেপৰ পৰা ৰুমালখন উলিয়াই সেমেকি উঠা চকু দুটা মোহাৰি কানুৱে খিড়িকীখনৰ কাষত থিয় হ'লগৈ। সি মুকলি আকাশখনলৈ চাই পঠিয়ালে। অপল দুৰৈৰ কৰ্দৈজোপাৰ ওচৰেদি এজাক বগলী ক'ৰবাৰ পৰা নিজৰ বাহলৈ উভতিছে। ■

গল্প



# এটা হেৰুৱা সপোনৰ ইতিকথা

– ৰেখামণি দাস
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

ঃ ন' ন' নেভাৰ নন্দিনী। মই এতিয়া বিয়াৰ কথা ভাবিবই নোৱাৰো। তোমাৰ বাহিৰেও মোৰ আৰু বহু কথা ভাবিব লগা আছে। অহা দুবছৰত মই বহুত সপোন নিজৰ কৰিব বিচাৰো, মানুহে মোৰ সফলতাক ঈৰ্ষা কৰাকৈ। তোমাক বহুত সুখত ৰাখিম মই। কিন্তু বৰ্তমান তুমি এই সন্তানটোৰ কথা পাহৰি যোৱা। মই আজিয়েই ডাক্তৰৰ লগত কথা পাতিম।

ঃ কিন্তু ৰবি, মোৰ গৰ্ভত সংগোপনে বাঢ়ি অহা এই প্ৰাণটো আমাৰ মৰমৰ সাক্ষী।

ঃ অহ নন্দিনী, লিচেন টু মি। এনেকুৱা বহুত মৰম তোমাক মই দিম।

সমান্তৰাল পথটোৰ শেষত নন্দিনীৰ দুচকু স্থিৰ হৈ গ'ল। সেইখিনিতে এটা বেঁকা ভাঁজ লোৱা পথটোৰ সিপাৰে কি আছে নেদেখি। নন্দিনীৰ জীৱনটোৰ দৰে। তাইৰ সঁচা মৰম, আস্থাৰ প্ৰতিদান স্বৰূপে ৰবিয়ে তাইক যিখন তেজৰ নদীত গা-ধুৱালে তাৰ পিছত তায়ো জীৱনৰ সেই বেঁকা ভাঁজটোৰ সিপাৰে কি ৰৈ গ'ল চাবলৈ ৰৈ নাথাকিল। তাইৰ ওপৰত এখন ঘৰৰ দায়িত্বৰ বোজা। দেউতাক-মাকৰ দুৰ্ঘটনাত মৃত্যু হোৱাৰ পৰা ভনীয়েক বন্যাৰ বাবে তায়েই সকলো।

বন্যা....! যেন পাহাৰৰ বুকুৰ পৰা নামি অহা চঞ্চল নিজৰা। কথাবোৰ মনত পৰাৰ লগে লগে এটা বুকুভৰা হুমুনিয়াহ তাইৰ মনৰ জগতখনক তোলপাৰ কৰি পাৰ হৈ গ'ল। যি দুখক তাই বুকুত কবৰ দি অত বছৰ শুৱাই থৈছিল, সেই দুখক খান্দি-কুৰুকি আকৌ জীৱন্ত কৰি তুলিলে বন্যাই।

ৰবিক জীৱনৰ সেই আলি কেঁকুৰিটোত এৰি অহাৰ পিছত তাই তিতিছিল সংসাৰৰ ৰ'দ-বৰষুণত। বন্যাৰ বাবে তাই ছায়া দিয়া বটবৃক্ষ হৈছিল। তাইৰ শিপা হ'বলৈ আগবাঢ়ি আহিছিল মুঠি মুঠি জোনাক লৈ নৈঋত। পৃথিৱীৰ ক'ৰবাত আপোন কোনোবা আছে। এই অনুভৱেও মানুহক জীয়াই থকাৰ প্ৰেৰণা দিয়ে। নৈঋত যিমানে তাইৰ কাষচাপি আহিল, সিমানে তাই অস্থিৰ হৈ পৰিল। তাইতো জানে তাইৰ পবিত্ৰতা নিঃশেষ হৈ গৈছে। কেনেকৈ ফাঁকি দিব তাই নিজক! নাই নাই, তাই নৈঋতৰ সততাক বিশ্বাসঘাতকতা কৰিব নোৱাৰে। খুলি দিছিল তাইৰ জীৱনৰ গোপন বুৰঞ্জীৰ পৃষ্ঠাবোৰ। নৈঋতে তাইৰ চুলিত হাত বুলাই কৈছিল ''নন্দিনী, তুমি তেওঁক বিশ্বাস কৰিছিলা, সততাৰে ভাল পাইছিলা কাৰণেইতো তেওঁৰ ওচৰত নিজকে সপি দিছিলা। তোমাক প্ৰকৃতিয়ে উৰ্বৰা শক্তি দিছে বাবেই নিজকে অপবিত্ৰ বুলি কিয় ভাবিছা? তোমাৰ মনটো এতিয়াও শিশুৰ দৰে নিষ্পাপ, পবিত্ৰ হৈ আছে। পাহৰি যোৱা সেইজনী নন্দিনীক। মই তোমাক এখন নতুন পৃথিৱী দিম।'' সঁচাকৈয়ে নৈঋতৰ হাতত ধৰি তাই গুছি গৈছিল সেই চহৰখনৰ পৰা বহুত দূৰলৈ। চাকৰি সূত্ৰে সিহঁত কানাডাৰ বাসিন্দা হ'ল। বন্যা এতিয়াও চিকিৎসা বিজ্ঞানৰ ছাত্ৰী। সকলো পালে তাই, তাই বিচৰাৰ দৰে এখন পৃথিৱী, এটা মৰম লগা সন্তান।

বন্যাৰ ই-মেইল পাই তাই আনন্দত নাচি উঠিছিল। বন্যাৰ বিয়া। তাইক নন্দিনীয়ে নিজৰ ছোৱালীৰ দৰে ডাঙৰ কৰিছে। সৰুৰে পৰা তাই বৰ অভিমানী। তাইৰ মনত পৰি দুচকু পানীৰে ভৰি পৰিল। নিৰ্দিষ্ট দিনতকৈ বহুদিন আগতেই নন্দিনীহঁত অসম পালেহি। সিহঁতৰ শৈশৱৰ স্মৃতি বিজড়িত ঘৰখনতহে বন্যাৰ বিয়া হ'ব। তাই বন্যাক বাৰে বাৰে সুধিছে দৰাজনৰ নাম কি, ক'ত থাকে। কিন্তু বন্যাই একোকে নকয়, মাত্ৰ ক'লে তেওঁ বহুত ডাঙৰ ব্যৱসায়ী। বাকীখিনি চাৰপ্ৰাইজ। বিয়াৰ দিনা কলৰ তলত দৰা আদৰিবলৈ গৈ তাই বিস্ময়ত হতভম্ব হৈ গ'ল। ৰবি! তাৰমানে ৰবিৰ লগত বন্যাৰ বিয়া! সমগ্ৰ বিয়াঘৰখন তাইৰ চকুৰ আগত ঘূৰিবলৈ ধৰিলে। তাই যেতিয়া সাৰ পালে বন্যা তাইৰ কাষত বহি আছে। তাই পাগলৰ দৰে বন্যাক জোকাৰি দিছিল। বন্যাই মাত্ৰ কৈছিল ''বা, তইতো জানই, সৰুৰে পৰাই মই বহুত অভিমানী। বচ, ভগবানৰ ওচৰত অলপ অভিমান কৰিছো, তই চিন্তা নকৰিবি।'' ৰবিয়েও সুধিছিল ''তোমাৰ যে বা এগৰাকী আছে কোৱা নাছিলা কিয়?'' বন্যাই হাঁহি হাঁহি কৈছিল ''মই কৈছিলো নহয়, ছাৰপ্ৰাইজ।''

বন্যাৰ বিবাহিত জীৱনৰ এটা বছৰ পাৰ হৈ গৈছিল। ৰবি


আচৰিত হয় বন্যাৰ কিছুমান আচৰণত। তাক মাকে কয় তেওঁক এটি নাতি লাগে। সি এই বিষয়ে বন্যাক ক'লেই তাই অন্য প্ৰসংগ উলিয়ায়। দিনে দিনে বন্যাৰ ব্যস্ততা বাঢ়িছিল। পুৱাৰ পৰা ৰাতিলৈকে কেৱল কাম কাম আৰু কাম। ঘৰখনত তাই যেন আলহীহে। ৰবিয়ে অভিযোগ কৰিলে কয়, তাই কেৱল ৰবি বৰুৱাৰ পত্নী নহয়, বন্যা হ'ব বিচাৰে। সংসাৰ, সন্তানৰ চিন্তা কৰি তাই কেৰিয়াৰ শেষ কৰিব নোৱাৰে। লাহে লাহে ৰবি মানসিক অস্থিৰতাত ভুগিবলৈ আৰম্ভ কৰিছিল। খুব কম সময়হে সিহঁতে স্বামী-স্ত্ৰীৰ দৰে কটায়। ৰবিৰ জীৱনত তাই থকা-নথকা একেই কথা। সি বুজাব বিচাৰে তাৰ ওচৰত তাইক সুখত ৰাখিব পৰাকৈ অৰ্থ সামৰ্থ্য আছে। তাৰ পিছতো তাই কিয় দিনে-ৰাতিয়ে কাম কৰিব লাগে!

এই সকলোবিলাকৰ মাজতে এদিন বন্যাই ঘোষণা কৰিলে তাই মাক হ'বলৈ ওলাইছে। ৰবি আনন্দত আত্মহাৰা হৈ গৈছিল। সি দেউতাক হ'ব, এটি কণমানি শিশুৰ কলকলনিয়ে সিহঁতৰ ঘৰখন মুখৰিত হ'ব। তাক ফুটা-নুফুটা মাতেৰে 'দেতা' বুলি মাতিব। সি খবৰটো মাকক দিবলৈ দৌৰি আহিছিল। কিন্তু! ই কেনেকৈ সম্ভৱ....? তাৰ আৰু বন্যাৰ মাজততো....। তাৰমানে বন্যাৰ গৰ্ভত থকা সন্তানৰ পিতৃ...! তাৰ সমুখৰ পৃথিৱীখন তাৰবাবে অচিনাকী হৈ গৈছিল। সি বন্যাৰ কোঠালৈ সোমাই গ'ল। বন্যা তললৈ পেট পেলাই বিছনাত পৰি আছিল। সি দুৱাৰমুখৰ পৰা বন্যালৈ একেথৰে চাই থাকিল। বহুত প্ৰশ্ন তাৰ মূৰত পাকঘূৰণি খাই আছে। পিছফালে কাৰোবাৰ উপস্থিতি গম পাই বন্যা বিচনাৰ পৰা উঠি বহিল। সি লাহে লাহে সুধিলে "কিয় এনেকুৱা কৰিলা বন্যা? কিয়..? কি অন্যায় কৰিছিলো মই তোমাৰ? কি দিয়া নাছিলো মই তোমাক?"

বন্যাই অট্টহাস্য কৰি উঠিছিল "ৰবি, কি অন্যায় কৰিছিল নন্দিনীয়ে? তাইৰ গৰ্ভত থকা সেই কণমানি প্ৰাণটোৱে? কি দিয়া নাছিল তাই তোমাক? কিয় হত্যা কৰিলা তাইৰ সপোনবোৰ?

ঃ বন্যা, তোমালোক সকলো নাৰীয়েই ব্যাভিচাৰিণী। তোমালোক চাল্লা চব্ ....(অশ্লীল)।

ঠাচ্‌কৈ ৰবিৰ গালত বন্যাই এটা চৰ মাৰি দিলে। ক'লে, "মই নন্দিনী নহয় ৰবি। কি ক'লা তুমি, মই ব্যাভিচাৰিণী? সত্য স্বীকাৰ কৰা ৰবি। তোমালোকৰ দৰে পুৰুষৰ বাবেই আচলতে বন্যাৰ দৰে হাজাৰজনী বন্যাৰ জন্ম হৈছে। সঁচা কথা শুনিবলৈ লাজ পাবা নেকি ৰবি বৰুৱা। আচলতে কি জানা, এই দেহোপজীনীবোৰ যদি নাইকিয়া হৈ যায় তোমালোকৰ দৰে ভদ্ৰতাৰ মুখা পিন্ধা বিলাকে ৰাজপথতে ভদ্ৰ মহিলাৰ আঁচল টানিবা। হয়, মোৰ গৰ্ভত থকা সন্তানৰ পিতৃ তুমি নহয়, কিন্তু এইটো সন্তান মই জন্ম দিম। তোমাৰ চকুৰ আগতে সি ডাঙৰ হ'ব আৰু তুমি ইচ্ছা



কৰিও একো কৰিব নোৱাৰিবা। তোমাক যদি মোৰ পৰা মুক্তি লাগে মাতা তোমাৰ উকীল বন্ধুক। মই জানো ৰবি, তুমি সেইটোও কৰিব নোৱাৰা। কেনেকৈ ক'বা তোমাৰ পত্নী, মিষ্টাৰ ৰবি বৰুৱাৰ পত্নীয়ে আনৰ সন্তান বহন কৰিছে! ক্ষমতাৰ অহংকাৰ, বংশ মৰ্যাদাৰ গৌৰৱে অন্ধ কৰি ৰাখিছে তোমাক।"

বন্যা দপদপাই কোঠাৰ পৰা ওলাই গ'ল। দুৱাৰৰ সিপাৰে নেদেখা হৈ যোৱা বন্যাৰ অপসৃয়মান অৱয়বটোলৈ চাই ৰবি অসহায়ভাৱে বহি পৰিল। তাৰ চকুৰ আগেয়ে পাৰ হৈ গ'ল নন্দিনীৰ অসহায় মুখখন। কান্ধত কাৰোবাৰ স্পৰ্শ অনুভৱ কৰি সি উভতি চালে। মাকক দেখি সি ফেঁকুৰি উঠিল। পৰাহ'লে সি এই পৃথিৱীৰ পৰা একেবাৰে গুচি গ'লহেঁতেন। সি মাকৰ কোলাত মুখখন গুজি দিলে। ■

(মহাবিদ্যালয় সপ্তাহৰ গল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত গল্প।)

গল্প



# এযুৰি চকু

– ৰূপজ্যোতি দাস
স্নাতক চূড়ান্ত বৰ্ষ

আজিও নীলাভে কলেজত সেই চকুযুৰি দেখা নাপালে। সি গীতা বাইদেউক বিচাৰি বুৰঞ্জী বিভাগলৈ গ'ল। কিন্তু তাতো সি গীতা বাইদেউক নেদেখিলে। ভোকাতুৰ মানুহ এজনে চৰুৰ ঢাকনি দাঙি উদং পাত্ৰ দেখিলে যেনে উন্মাদ হয় নীলাভৰ ভিতৰখনতো এক উন্মাদনাই গুমৰি ধৰিলে। প্ৰথম দেখা–দেখি হোৱাৰ দিনৰ পৰাই সেই চকুযুৰিৰ উজ্জ্বলতা, কমনীয়তা আৰু শান্ত থকা বুদ্ধিদীপ্ত দীপ্তিৰ মাজত সি ৰহস্যঘন সমাহাৰ উপলব্ধি কৰে, সেই উপলব্ধি কেনেকৈ আহিল আৰু কিয় আহিল সি ভাবি নাপায়। সি গভীৰভাৱে ধ্যানকৰে চকুযোৰ। কিন্তু কিয় জানো চকুযুৰিৰ লগতে তাৰ মানসপটত ভাঁহি উঠে এযোৰ ধুনীয়া ওঁঠ, দুখন মসৃন সু–গোল গাল, তাতে সৰুকৈ এটা তিল, মিহি আৰু স্বাভাৱিকভাৱে বান্ধি ৰখা এমুঠন শৃংখলিত চুলিৰ পৰা বন্ধন নমনা কেইডালমান অবাধ্য বাদামী চুলি – যি সুবিধা পালেই চকুযুৰি ঢাকি ধৰিব খোজে।

নীলাভে তাৰ মনৰ মাজৰ এই অৰ্বচীন আৰু আমেজপূৰ্ণ জগতখনৰ ইতিহাস বিচাৰি যেতিয়া ঘূৰি চায় সি আচৰিত হয়, ক'তা এনে অনুভৱ তাৰ কাহানিও হোৱা নাছিল। মানুহৰ মনৰ পৰিচয় পাব পৰা বয়সৰে পৰা সি তাৰ ইতিহাস খোচৰে। এতিয়া তাৰ বয়স ১৯ বছৰ।

নতুনকৈ কলেজত নাম লগাইছে। সেই বাবেইতো সি অভাৱী ঘৰখন এৰি থৈ আহি নগৰত থাকিবলগীয়া হৈছে। স্কুলীয়া জীৱনটোতো সি বহু চকুৰ সান্নিধ্য পাইছে। তাৰ যেন কোনো আবেদন নাই। অভাৱী মানুহৰ ল'ৰা সি। বাপেকে আধি খেতি কৰি কোনোমতে পেটৰ ভাতকেইটা উলিয়াই আছে। সিও টিউচন কৰি পঢ়াৰ খৰচ উলিয়াইছে, তাৰ স্কুলীয়া জীৱনৰ শিক্ষক এজনে সহায় কৰি আছে। বেমাৰী মাকজনী, আজলী আৰু কুমলীয়া ভনীয়েকজনীক অন্ততঃ দুখ নোপোৱাকৈ ৰাখিব লাগিব– সি পণ কৰে অকলে, মনে মনে। সেই বাবেই হ'বলা কাৰোবাৰ চকুত জীৱনৰ ৰূপ চোৱাৰ অৱকাশ সি পোৱা নাছিল নেকি !

তাৰ সেই দিনটোৰ কথা মনত পৰিল। ক্লাছৰ প্ৰথম দিনা গীতা বাইদেৱে অতি সাধাৰণ কাপোৰযোৰেৰে সৈতে সংকুচিত

ভাব এটাৰে শেষৰ বেঞ্চত মন মাৰি বহি থকা নীলাভলৈ চাই কৈছিল 'ইউ', 'ইউ'। নীলাভ থিয় হৈছিল। এজন শৱযাত্ৰাৰ পৰা ঘূৰি অহা মানুহৰ দৰে শূন্যতাবোধ আৰু উৎসহীন চেহেৰা। গীতা বাইদেৱে তাক চকুলৈ চাই উত্তৰ দিবলৈ কৈছিল আৰু সুধিছিল – ''তুমি কিবা চিন্তা কৰি আছা?'' সি উত্তৰ দিছিল – ''মোৰ অসুখীয়া মাৰ কথা ভাবি আছো।'' এক উত্তাপহীন আৰু সততাযুক্ত উত্তৰ। গীতা বাইদেৱে যেন নীলাভক অলপ বেলেগ দৃষ্টিৰে চাবলৈ ল'লে। সেইদিনাই সি শান্ত আৰু দেখিলেই প্ৰশান্তি অনুভৱ কৰা চকুযোৰৰ প্ৰতি মোহিত হৈ পৰিছিল। সেই চকুযুৰিৰ আন্তৰিক সান্নিধ্য সি ভবাতকৈ বেছি পাবলৈ সক্ষম হৈছিল। গীতা বাইদেৱে তাৰ ঘৰুৱা অৱস্থাৰ কথা জানি নানা প্ৰকাৰে সহায় কৰিবলৈ ল'লে। দুপৰীয়া কেণ্টিনত চাহ খুৱাবলৈ ল'লে, তাৰ বেমাৰী মাকৰ খবৰ ল'বলৈ ল'লে। কিন্তু নীলাভ কোনোদিন গীতা বাইদেউৰ ঘৰলৈ যোৱা নাছিল বা গীতা বাইদেৱেও যোৱাৰ কথা কোৱা নাছিল। আজি গীতা বাইদেউক দেখা নাপাই সি হঠাৎ সিদ্ধান্ত কৰি পেলালে যে সি এতিয়াই গীতা বাইদেউৰ ঘৰলৈ যাব।

গীতা বাইদেউ ঘৰতে আছিল। ৰাস্তাৰ পৰা গীতা বাইদেউক বাৰাণ্ডাত বিচনী এখন লৈ বহি থকা দেখিয়েই তাৰ মনটো ভাল লাগি গ'ল। তাৰ প্ৰথমেই চকু গ'ল গীতা বাইদেউৰ চকুযুৰিলৈ। কিন্তু চকু দুটা দেখিয়েই সি বিস্ময়ত হতবাক হৈ গ'ল। চকুযুৰি তললৈ সোমাই পৰিছে, কাষ দুটা ক'লা পৰিছে, চিন্তাৰ ৰেখা কিছুমান গাল দুখনত জাল তৰি কমনীয়তা কাঢ়ি নিছে। অথচ আহিনৰ ৰাতিপুৱা সেমেকা দূবৰিত পৰি ৰোৱা শেৱালি পাহৰ দৰেই সেই চকুযুৰি যেন পবিত্ৰ পৰশ এটাই ধুই গৈছে। আহাৰমহীয়া গাঁৱৰ দুপৰীয়াটোৰ দৰেই শান্ত আৰু নীৰৱ সেই চকুযুৰি। নীলাভে অবাক দৃষ্টিৰে গীতা বাইদেউলৈ চালে। গীতা বাইদেৱে সেমেকা হাঁহি এটা মাৰি তাক বহিবলৈ দি ক'লে– ''মই জানো তুমি আহিবা বুলি।''

''নীলাভ, তোমাক মই ভাইটিৰ দৰে ভাবিছো বাবেই ক'বলৈ লৈছো মোৰ দেউতাৰ বাহিৰে এইখন ঘৰত আৰু কোনো নাই। সেইবাবে তুমি দেখিছাই, মই আন ছোৱালীৰ দৰে হ'ব নোৱাৰো, আন ছোৱালীৰ দৰে যিকোনো কথা ভাবিবও নোৱাৰো সহজে। দাদা আছিল। গুৱাহাটীতে ঘৰ–দুৱাৰ সাজি তাৰে ছোৱালী এজনীক বিয়া কৰাই আমাৰ কথা পাহৰি গ'ল।'' অসহায়ভাৱে কথা কেইটা কৈ গীতা বাইদেউ তলমূৰকৈ কিছু সময় চিন্তা কৰা যেন লাগিল। নীলাভৰ বেয়া লাগিল। ''কালি ৰাতি দেউতাৰ কাহটো বেছি হ'ল। মই উপায় নাপায় কান্দিছো আৰু দেউতাৰ পিঠি মোহাৰি থকাৰ বাদে একো কৰিব পৰা নাই। কি কৰোঁ!'' ওঁঠখন কামুৰি গীতা বাইদেৱে কান্দোনটো বন্ধ কৰিবলৈ চেষ্টা কৰিছে।

নীলাভে লাহেকৈ গীতা বাইদেউৰ চকুৰ পানী দুটোপাল আলফুলে মচি দিলে ''মই আপোনাৰ কাষত থাকোতে আপুনি কিয় নিজকে নিঃসংগ বুলি ভাবিছে?'' অভাৱনীয় আকস্মিকতাৰে নীলাভৰ মুখৰ পৰা কথা কেইটা ওলাই গ'ল। গীতা বাইদেৱে কান্দোন ধৰি ৰাখিব নোৱাৰি তাৰ বুকুত মুখ গুজি কান্দি পেলালে। নীলাভৰ গভীৰ মমতা ভৰা নিষ্পাপ স্পৰ্শত গীতা বাইদেৱে যেন এক নিৰাপত্তা অনুভৱ কৰিছে।

গীতা বাইদেৱে যেতিয়া তাৰ বাহুৰ পৰা মুক্ত হ'ল, সি দেখিছিল বাইদেউৰ চকুযুৰি উজ্জ্বল হৈ উঠিছে। প্ৰমত্ত চঞ্চলতাৰে চকুযুৰিয়ে হাঁহিছে আৰু গাল দুখনকো হুহুঁৱাইছে। কিয় জানো নীলাভক কিবা লাজ লাজ ভাৱ এটাই চেলেকি গ'ল। সি ঘূৰি আহোঁতেও ভাবি থাকিল সেই চকুযুৰিৰ কথা যি হঠাতে বিষাদৰ গৰ্ভৰ পৰা সুখানুভূতিৰ নিজৰালৈ পৰিণত হৈছিল। ■

গীতা বাইদেউ ঘৰতে আছিল। ৰাস্তাৰ পৰা গীতা বাইদেউক বাৰাণ্ডাত বিচনী এখন লৈ বহি থকা দেখিয়েই তাৰ মনটো ভাল লাগি গ'ল। তাৰ প্ৰথমেই চকু গ'ল গীতা বাইদেউৰ চকুযুৰিলৈ। কিন্তু চকু দুটা দেখিয়েই সি বিস্ময়ত হতবাক হৈ গ'ল। চকুযুৰি তললৈ সোমাই পৰিছে, কাষ দুটা ক'লা পৰিছে, চিন্তাৰ ৰেখা কিছুমান গাল দুখনত জাল তৰি কমনীয়তা কাঢ়ি নিছে। অথচ আহিনৰ ৰাতিপুৱা সেমেকা দূবৰিত পৰি ৰোৱা শেৱালি পাহৰ দৰেই সেই চকুযুৰি যেন পবিত্ৰ পৰশ এটাই ধুই গৈছে।

(মহাবিদ্যালয় সপ্তাহৰ গল্প প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত গল্প।)

গল্প

# প্ৰেম

– লক্ষ্যজ্যোতি গগৈ
(স্নাতক প্ৰথম বৰ্ষ)

প্ৰেমহীন জীৱন নাৱৰীয়াবিহীন এখন নাওৰ দৰে। আচলতে প্ৰত্যেকৰে জীৱনত প্ৰেমৰ আগমন অপৰিহাৰ্য্য। প্ৰত্যাশিতভাৱেই হওঁক বা অপ্ৰত্যাশিত ভাবেই হওঁক। যি এবাৰলৈ প্ৰেমত পৰা নাই আচলতে তেওঁ জীৱনটোৰ সৈতে চিনাকী হ'ব পৰা নাই। সেয়েহে প্ৰেমৰ আগমন গুৰুত্বপূৰ্ণ। সেয়েহে কালৰ যাত্ৰাপথে প্ৰেমৰ অস্তিত্বক বিবৰ্ণ আৰু বিস্বাদ কৰিব পৰা নাই। আদিম যুগতে সৃষ্টি হোৱা সেই প্ৰেম আজিও স্বয়ংসম্পূৰ্ণ।




প্ৰেম। প্ৰেম কি ? কিয় হয় ? কেতিয়া হয় ? – এইবোৰ প্ৰশ্ন অবান্তৰ, অৰ্থহীন। প্ৰেম এক চিৰ শ্বাশ্বত প্ৰাকৃতিক অনুভৱ। অভিধানৰ অৰ্থ প্ৰয়োগ কৰি ইয়াৰ বিশ্লেষণ কৰিব পৰা নাযায়। হৃদয়ৰ এক স্বতঃস্ফূৰ্ত অনুভৱ প্ৰেম। প্ৰেমে জীৱনটোক গোলাপৰ পাহিৰ ওপৰেদি আগুৱাই নিয়াত আগ্ৰহী কৰে প্ৰতিজন ব্যক্তিক। গোলাপ পাহিৰ কোমল দলিচাত খোজ পেলাই কোনোবাই অনুভৱ কৰে মিঠা মিঠা জীয়াই থকাৰ মাদকতা আৰু কোনোবাই গোলাপৰ ডালত থকা কাঁইটৰ খুচত অৱৰ্ণনীয় যন্ত্ৰণা।

মানৱ জীৱনত প্ৰেমৰ সোঁত বোৱাটো নিতান্ত প্ৰয়োজনীয় আৰু অপৰিহাৰ্য্য। প্ৰেমানুভূতিৰ অবিহনে জীৱন পূৰ্ণ হ'ব নোৱাৰে। কোৱা হয় –

*"Book is not beauty
without cover
Life is not happy
without lover."*

কোৱা বাহুল্য, ''প্ৰেমহীন জীৱন নাৱৰীয়াবিহীন এখন নাওৰ দৰে। আচলতে প্ৰত্যেকৰে জীৱনত প্ৰেমৰ আগমন অপৰিহাৰ্য্য। প্ৰত্যাশিতভাৱেই হওঁক বা অপ্ৰত্যাশিত ভাবেই হওঁক। যি এবাৰলৈ প্ৰেমত পৰা নাই আচলতে তেওঁ জীৱনটোৰ সৈতে চিনাকী হ'ব পৰা নাই। সেয়েহে প্ৰেমৰ আগমন গুৰুত্বপূৰ্ণ।

সেয়েহে কালৰ যাত্ৰাপথে প্ৰেমৰ অস্তিত্বক বিবৰ্ণ আৰু বিস্বাদ কৰিব পৰা নাই। আদিম যুগতে সৃষ্টি হোৱা সেই প্ৰেম আজিও স্বয়ংসম্পূৰ্ণ।

প্ৰেমৰ বিষয়ে ভিন্নজনৰ বেলেগ বেলেগ মত। কোনোবাই কয় প্ৰেমৰ সৃষ্টি হৃদয়ত, কোনোবাই কয় মগজুত। প্ৰেমৰ সৃষ্টি য'তেই নহওঁক কিয়, ইয়েই পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ অনুভৱ। সত্যযুগৰ পৰা এই কলিযুগলৈ প্ৰেমত ফুলিছে শতদল, প্ৰেমত ঘূৰিছে ভূমণ্ডল। তথাপি প্ৰেমক লৈ কৰা গুণাগথা, আলোচনা বিলোচনা বাক বিতণ্ডাৰ অন্ত নাই। আটাইতকৈ আচৰিত কথা যে প্ৰেম বুলিলে অধিকাংশই যুৱক যুৱতীৰ প্ৰেমকে বুজে। ক'ত যে অদৃশ্য হৈ ৰয় এগৰাকী মাতৃৰ সন্তানৰ প্ৰতি থকা প্ৰেম। কিয় মনলৈ নাহে ভ্ৰাতৃত্ববোধ আৰু নিভাঁজ বন্ধুত্বৰ প্ৰেমৰ কথা। এটা ল'ৰা আৰু এজনী ছোৱালী কথা পাতিলে মানেই সিহঁত প্ৰেমিক প্ৰেমিকা। কিয় সমাজে সহজভাবে নলয় ল'ৰা-ছোৱালীৰ বন্ধুত্বক ? এয়াই নেকি আমাৰ আধুনিক সমাজ।

এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে আজিৰ এই বিভীষিকাময় দিনতো আমি জীয়াই আছো কেৱল প্ৰেমৰ বাবেই। সন্ত্ৰাসেৰে জৰ্জৰিত এই পৃথিৱীত জীয়াই আছে আবেগৰ সৰ্বোচ্চ শিখৰ 'প্ৰেম'। ■

## এটা আপোন মাত...
## এটা আপোন সপোন...

– দীপেন কুমাৰ বড়া
প্ৰাক্তন ছাত্ৰ

সুহুৰিয়াই সুহুৰিয়াই গুচি যোৱা বতাহজাকৰ মাজত
এটা আপোন মাতে অস্থিৰ কৰি তুলিছে
বহু প্ৰাচীন নহ'লেও
যি মাতত সন্ধিয়াবোৰ হৈ পৰিছিল
চঞ্চল, আবেগময়
যি মাতত জোনাকে সিঁচি দিছিল বাঙ্ময় সপোন
সুহুৰিয়াই সুহুৰিয়াই গুচি যোৱা বতাহজাকৰ মাজত
সেই মাতটো এতিয়াও শুনা যেন লাগিছে।

তুমি তোমাৰ কথাবোৰৰ মাজতে
পাকঘূৰণি খাই বহি থাকা নিজানত
তোমাৰ তপত নিশ্বাসত
কাতৰ হৈ পৰে সন্ধিয়া
থমকি ৰয় অৰ্ধপ্ৰস্ফুতিত শেৱালি
শাৰদী শুভ্ৰতাৰ মাজত

কথা আছিল নদীৰ শীতল বুকুৰে কোনোবা এদিন
নাও বাই গুচি যাম
তোমাৰ বুকুৰ সেউজীয়াৰে সেউজ কৰি তুলিম
মোৰ দুখৰ জীৰ্ণ সময়।
জোনাকবোৰ বান্ধি থম দুখৰ কোঠালিত....
অথচ যাওঁ বুলিয়েই গুচি গ'লা
দুখৰ দুবৰি গচকি
কাঁচিয়লি ৰ'দৰ বাটেৰে.....

## ফাগুনৰ কবিতা

– সীমান্ত মৰাণ
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

খিৰিকী মেলিয়েই দেখিলো
আকাশত ফাগুনৰ হাঁহি
মোৰ দুচকুত দুখ
দুখৰ স্তুতি।
কি যে পংকিল সময়
ধুমুহাই ভাঙি থৈ গ'ল
মোৰ উকুখা পঁজা
এতিয়া যে লিখিব নোৱাৰো
ফাগুনৰ কবিতা
ক'ৰবাত এৰি থৈ আহিলো
ঠিকনা লিখিত লেফাফা।
তথাপিতো ফাগুন বুলিলেই বলিয়া মন
আজি ক'ত?
আজি ক'ত?

**(মহাবিদ্যালয় সপ্তাহৰ কবিতা প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত কবিতা)**

## জন্মদিন

– গৌতম ভৰালী

স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

তোমাৰ জন্মদিনত মই তোমাৰ কাষত থাকিব খোজো
চিগাৰেট আৰু মদৰ বটলেৰে গোন্ধোৱাব নালাগে ৰুম!
মাথো ৰাখিবা অন্তৰৰ দুৱাৰ খোলা...
তাতে বহি খাম সুখৰ একাপ অদৃশ্য চাহ
আৰু কিছু দুখৰ নিমখীয়া বিস্কুট।
কেৱল পঢ়িম তোমাক আৰু বুজিম....
দিবলে যে একো নাই??
লোৱা মই যঁচা অফুৰন্ত মৰম আৰু হাঁহি
আৰু আঁতৰাই ৰাখা জীৱনলে অহা চকুলো আৰু দুখ...!

**(মহাবিদ্যালয় সপ্তাহৰ কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত কবিতা)**

## প্ৰেমিক

– মানৱ প্ৰতীম বাক্তি

স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ

তোমাৰ হাঁহি দেখি হাঁহিছো মই
তোমাৰ চকুলো দেখি কান্দিছো
একোৱেই নাই নিজৰ বুলি
জীনা সোণপাহি
তুমিয়েই মোৰ গান, ছবি আৰু আকাশ।

## আজি ইমান দিনৰ পিছতো

– হৰি কুমাৰ ছেত্ৰী

স্নাতক দ্বিতীয় বৰ্ষ

আজি ইমান দিনৰ পিছতো
তোমাক কঢ়িয়াই ফুৰিছো
চেতন আৰু অৱচেতনৰ মাজেদি
যেন একো হোৱা নাই
একো হেৰুৱা নাই
যেন মোৰ উশাহতে
মিহলি হৈ আছে তোমাৰ উশাহ
যেন ব্যথাভৰা এই শূন্যতাই জীৱনৰ বৈভৱ।
উচুপনি এটাৰ হাত ধৰি তুমি বৈ আছা
ময়ো বৈ আছো ওপৰলৈ মুখ কৰি
এটা প্ৰাৰ্থনাৰ ভংগিমাত
আমাৰ দুয়োৰে মাজত শোকৰ জলৰেখা
যেন উটি যাম ভাঁহি যাম
ভাঙি পেলাম অনাদি-পাতন
আজি ইমান দিনৰ পিছতো
তোমাক কঢ়িয়াই ফুৰিছো
প্ৰতিদিনে সঞ্চয় কৰিছো শোক
আৰু নিজানত বিচাৰি ফুৰিছো
সেই শোকৰ কাৰণ।

# তুমি, মই আৰু আমি

– জিতু গগৈ
স্নাতক প্ৰথম বৰ্ষ

তোমাক নেদেখিলেও তোমাৰ মুখখন
অনুভৱ কৰি মোৰ ভাল লাগে
দুচকুত ভাঁহি উঠে চকু, কাণ, নাক আদি
অবিচ্ছেদ্য অংগবোৰ আৰু কলা দীঘল চুলিকোছা
নৈৰ পাৰত তোমাৰ স'তে বহিবলৈ বৰ বেয়া পাওঁ
কাৰণ তুমি তন্ময় হৈ নৈখনলৈ চাই থাকা আৰু
নৈখনেও তোমালৈ হাঁহি হাঁহি চাই থাকে।
জোনাক নিশাৰ আকাশখনকো মোৰ ভাল নালাগে
তুমি সেইখনক ৰ' লাগি চাই থাকা বাবেই।
তুমি কিয় সাগৰৰ ঢৌবোৰ ভালপোৱা? সেইবাবেই
মই সাগৰক ঘৃণা কৰো। মই.....
মই তুমি ভালপোৱা গান, নাচ, ড্ৰেচ আৰু হাতত লৈ থকা
কলমটো, ৰুমালখন, ম'বাইলটো সকলোকে ঈৰ্ষা কৰো
মই মাথোঁ তোমাৰ বাবে পৰশ্ৰীকাতৰ আৰু
ভালপাওঁ তোমাৰ অভিমানী মন।
নিৰলে বহি তোমাৰ স'তে কথা পাতিবলৈ মোৰ বৰ মন যায়
তুমি কবা, মই শুনিম। মই ক'ম তুমি শুনিবা
মাজত কিছু নিৰৱতা, আকৌ কথা। কথা আৰু কি পাতিম
আশা-নিৰাশাৰ, সুখ-দুখৰ, বিৰহ মিলনৰ
কালি লগ নোপোৱাৰ আক্ষেপ হতাশা
আৰু আজি লগ পোৱাৰ অভিমান আনন্দ
ইত্যাদি, ইত্যাদি...।

# শিমলুজোপাৰ পৰা বাগৰিব ধৰিছে হঠাতে এজাক ধুমুহা

– বিনীতা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ, কলা শাখা

পদূলি মুখত এটি ছাঁ পৰিছে
আবেলিৰ গোন্ধে আমোলমোলাইছে পথাৰ
আলিবাট, চোতাল আৰু ঘৰৰ দুৱাৰমুখ।
কণমানি শিমলুজোপাৰ ডাল-পাতত আঘাত কৰিছে বতাহজাকে
বতাহজাকে বাৰে বাৰে জোকাইছে আবেলিটোক
কি জানো উৰুৱাই আনিছে বতাহজাকে
সিঁচৰতি হৈ পৰিছে তাৰ ছাঁ
ইমূৰ আৰু সিমূৰত।
দূৰৈৰ পৰা কেঁচা ঘামৰ গোন্ধ নাকত লাগিছে
নাওঠ পথাৰখনে চিঞৰিছে আৰু কৈছে
দেখা নাই তোমাক বহুদিন
তুমি এৰি নিদিয়া কিয় তোমাৰ সেই পাখিলগা চৰাই
এতিয়া আন্ধাৰে জোকাৰি লৈছে তাইৰ বাউলী চুলি
কোনো অহাৰ কথা নাছিল যদিও বোন্দাপৰ দিছে
বাহনিডৰাৰ চকুলো মচিবলৈ কিজানিবা আহেই কোনোবা
তোমালৈ সঁচাই মনত পৰিছে
কোনোবাই উচুপিছে সন্ধিয়াৰ আঙুলিত ধৰি
হঠাতে শিমলুজোপাৰ পৰা বাগৰিব ধৰিছে
এজাক বৰষুণ, আবেগৰ বৰষুণ....।

# টেনচন

– অসীম চেতিয়া
স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

টেনচন টেনচন মাথো টেনচন
প্ৰাৰ্থীৰ টেনচন আহিছে ইলেকচন
হ'বই লাগিব এইবাৰ চিলেকচন
চিলেকচন হ'লেই কৰিব কালেকচন।
টেনচন টেনচন সকলোতে টেনচন
বুঢ়াক লাগে পেন্সন, বেকাৰক লোনৰ চেংচন
প্ৰেমিকৰো টেনচন
মনৰ কথা প্ৰেমিকাক কৰিব নোৱাৰি মেনচন
এই কথা জানি প্ৰেমিক বপুৰাৰ বেয়াই বোলে কণ্ডিচন।
পিতৃৰ মূৰতো টেনচন
একমাত্ৰ পুত্ৰ বোলে ৰসাতলে already gone
হয়তো এই কুলাংগাৰে খাব বংশৰ মান।
টেনচন টেনচন নৱবিবাহিতৰো টেনচন
হনিমুনৰ বাবে ঘুৰ্মুটিয়াইছে
বিচাৰি বিউটিফুল location
টেনচন টেনচন যেতিয়া কৰো টেনচন
নহ'বই ছাগে এইবাৰ ধান without irrigation
জুৱাৰীৰো টেনচন
ডবল গুটিত লুটি খাই
ঘৰৰ ভেটি মাটি কৰিলে উচন
সুদখোৰ সবেও আহি দিছে ঘৰত পাভ চোচন।
ক্ৰিকেটাৰৰো টেনচন
১০ বছৰ ৰঞ্জি খেলিও জাতীয় দলত
হ'ব নোৱাৰি চিলেকচন।
বিহুতো আছে টেনচন
সতকাই নিদিয়ে কোনেও মোটা মোটা ড'নেচন।
আৰু বেছি লিখিলে মোৰো হ'ব টেনচন
ঘৰতে আহি লৈ ল'ব একচন।
আৰু যদি জানিব খোজে ম'বাইলত ডায়েল কৰক
আপোনাৰ বাবে মোৰ ম'বাইলত সদায় switch on।

# জীৱন

– হৰিকান্ত চেতিয়া
মহাবিদ্যালয়ৰ কৰ্মচাৰী

আহিনৰ কোনো এক শুভ লগনত
আশ্ৰয় ল'লো আইৰ কোমল স্পৰ্শত।
পৃথিৱীয়ে কাষ্ধত ভৰ ল'লে পাতি
গছে-বনে প্ৰাণ দিলে ঢালি
চৌপাশৰ পৰিৱেশৰ লগত উমলি-জামলি
বাগৰি গ'ল শৈশৱ যে সোণোৱালী।
ভাল-বেয়া একো বিচাৰ নকৰি
কৰি গ'লো সকলো বাধা নেওচি
কাক কি দিলো, মই কি পালো
একোকে নাজানো মই
তাকে বিচাৰি আক্ষেপ কৰো
জীৱনটো যে এক অবুজ সময়।
জীৱনৰ অৰ্থ বিচাৰি খালো কত যে হাবাথুৰি
নিৰাশ নহৈ আগবাঢ়িলো নতুন উদ্যম তৰি।
প্ৰকৃতিতেই সৃষ্টি প্ৰকৃতিতেই প্ৰলয়
প্ৰকৃতিয়েই মানৱৰ প্ৰাণ
প্ৰকৃতিৰ বুকুতেই চিৰ বিৰাজমান
মানৱ যে প্ৰৱাহমান।
প্ৰকৃতিতেই পালো জীৱনৰ পৰম সত্য
প্ৰকৃতিতেই পালো জ্ঞান
দয়া-কৰুণাৰে ভৰা অমূল্য সম্পদ
জীৱন যে প্ৰকৃতিৰ দান।

# সেই হাঁহি

– মানসজ্যোতি গগৈ
ৰাজনীতি বিজ্ঞান বিভাগ

ক'ত জানো হেৰাল সেই অচিনাকী মুখৰ
চিনাকী ওঁঠৰ হাঁহি
নিঃশব্দে কৈ যোৱা মনৰ বাতৰি।
ক'ত হেৰাল সেই গাভৰু গোন্ধৰ হাঁহি
সৰি পৰা মুকুতা দুৰৰি বনত।
লাজুকী লাজুকী হাঁহি।
ক'ত জানো দেখিছিলো
চেতন নে অৱচেতন মনৰ মণিকূটত
শিৰিষৰ তলত নে কৃষ্ণচূড়াৰ ছাঁত
নে এজাৰৰ বেজাৰ লগা মুহূৰ্তত?
ক'ত জানো হেৰাল সেই হাঁহি
গাভৰু গোন্ধৰ হাঁহি
কোনে জানো মাৰিছিল সেই হাঁহি
অচিনাকী মুখৰ চিনাকী ওঁঠৰ।

# চাপৰিৰ টিলিঙাটো

– লক্ষীজ্যোতি মেধি
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

চাপৰিত কোনোবাই
টিলিঙা এটা আঁৰি থৈ গ'ল
এজোপা নাঙঠ গছত।
যেতিয়া স্মৃতিৰ বতাহ বলে
তেতিয়া টিলিঙাটো বাজে
সন্ধিয়াৰ নিজানত।
টিলিঙাটো আঁৰি
কাৰেইবা লাভ হ'ল
কাৰণ সেইজোপা আছিল
নাঙঠ গছ।
নালাগে তাত ফল, নাছিল পাত।
মাথোঁ গছজোপাই এজন বন্ধু পালে
তেওঁৰ হৈ যোৱা ভুলবোৰ শুধৰাবলৈ।
যি ভুলৰ বাবে আজি তেওঁ নাঙঠ।

# MY SEARCH FOR YOU

– **Debajani Gogoi**
B.A. 2nd Year

*As I woke up in the morning*
*My views went to the garden*
*Though I had my drowsy eyes*
*And I begun feeling your presence.*

*I, search you*
*in every rose and petals,*
*I get opiated by your essence.*
*And lay invalid and thy garden*
*My senses leave me alone*
*They always cheat me and leave me in dark*
*Whenever I plan to thy search*
*I can feel you and your essence*
*My sixth sense gives this sense*
*That you cannot or are not mine*
*This truth, is known to me*
*That you could not be mine.*
*Though my heart and soul*
*Keep telling me, love means not just union*
*but a feeling to give and share.*
*My faith on love, assures me*
*wherever you, you are mine*
*Day in day out and forever.*

# THERE IS A LADY SWEET AND KIND

– **Umesh Gautam**
T.D.C. 1st Year, Arts

*There is a lady sweet and kind*
*Her beautiful face so pleased my mind*
*I did but see her passing by*
*And yet I love her till I die.*

*Her gestures and sweet smiles*
*Her intelligence, her voice, benign eyes*
*Enchant my heart, I know not why,*
*And yet I love her till I die.*

*My love may even change her country*
*It may even change the earth*
*Or it may even change the sky*
*And yet I love her till I die.*

উপন্যাসিকা

# ৰোমন্থন

– মৌচুমী বৰঠাকুৰ
উচ্চ মাধ্যমিক দ্বিতীয় বৰ্ষ, কলা শাখা

বাৰাণ্ডাত থকা বেতৰ চকী এখনত বহি প্ৰীতমে একান্তমনে কিবা যেন ভাবি আছিল। সেই সময়তে পাহিয়ে হাতত চাহৰ কাপটো লৈ প্ৰীতমৰ কাষত ৰ'লহি। কিন্তু প্ৰীতম ইমানেই অন্যমনস্ক হৈ আছিল যে তাইৰ আগমণৰ কথা গমেই পোৱা নাছিল। পাহিয়ে চাহকাপ টেবুলখনত থৈ প্ৰীতমৰ গাত ধৰি হেচুঁকি দি ''পাপা, অ' পাপা ইমানকৈ কি চিন্তা কৰি আছা। মই ইমান সময়ে তোমাৰ কাষত ৰৈ আছো, অথচ তোমাৰ খবৰেই নাই'' বুলি কোৱাতহে প্ৰীতমৰ অন্যমনস্কতা ভগ্ন হয়।

''অ' পাহি, মই যে টোপনিয়েই গৈছিলো'' বুলি কৈ নিজৰ অন্যমনস্কতাৰ ভাব লুকুৱাব বিচাৰিলেও পাহিয়ে যেন কিবা এটা বুজি পাইছে। তাইৰ ভাব হ'ল দেউতাকে আজি কিবা গভীৰ চিন্তাত মগ্ন হৈছে। বিশেষকৈ সিহঁতৰ কলেজৰ নতুন প্ৰফেছাৰ বিশাল বৰুৱাৰ কথা দেউতাকক কোৱাৰ পিছৰ পৰাই লক্ষ্য কৰিছে যে দেউতাকৰ মনটো অশান্তময় হৈ পৰিছে।

''পাপা চাহকাপ ঠাণ্ডা হৈ গ'ল, মই গৰম কৰি আনো'' বুলি পাহি পাকঘৰলৈ গ'ল।

প্ৰীতমে পুনৰ চিন্তা কৰিলে। পাহিয়ে কলেজত লগপোৱা বিশাল বৰুৱা তেওঁৰ এসময়ৰ অন্তৰংগ বন্ধু আছিল। বিশাল, যাক তেওঁলোকে বিসু বুলি মাতিছিল। বিশাল যদি তেওঁৰ আগত ওলাইহি তেওঁ বাৰু কেনেকৈ বিশালৰ আগত মুখ উলিয়াব? তেওঁ বিশালৰ প্ৰশ্নৰ উত্তৰবোৰ কেনেকৈ দিব? প্ৰীতম গগৈৰ সৰ্বশৰীৰ এক অজান আতংকত জ্বৰে ঘমাদি ঘামিবলৈ ধৰিলে।

পাহিয়ে পুনৰ হাতত চাহ একাপ লৈ দেউতাকৰ হাতত তুলি দি ক'লে ''পাপা, মই যে তোমাক কৈছিলো আমাৰ 'কেমেষ্ট্ৰি'ৰ নতুন প্ৰফেচাৰ বিশাল বৰুৱা ছাৰৰ কথা। তেওঁ যে ইমান ধুনীয়াকৈ ক্লাচ কৰোৱাই। তেওঁৰ হেনো প্ৰথমে শিক্ষক হোৱাৰ অকণো মন নাছিল, কিন্তু যেতিয়া শিক্ষক বৃত্তি গ্ৰহণ কৰে, ছাত্ৰ-ছাত্ৰীৰ মাজত ৰাতিপুৱাৰ পৰা আবেলিলৈকে সময়বোৰ কিদৰে অতিবাহিত হয় তেওঁ হেনো গমকে নাপায়।

বি.এ. দ্বিতীয় বৰ্ষৰ ছাত্ৰী পাহিৰ মুখত নিজৰ শিক্ষক বন্ধুৰ প্ৰশংসা শুনি প্ৰীতম গগৈৰ মনটো আনন্দেৰে ভৰি পৰিছিল। কিন্তু সেই আনন্দৰ মাজতো এক অজান বিষাদৰ ৰেখাই তেওঁৰ মনত লুকাভাকু খেলি থাকিল। তথাপি তেওঁ পাহিক ক'লে যে পিছদিনা তাইক কলেজত থবলৈ তেওঁ নিজেই যাব।

পিছদিনা ৰাতিপুৱা প্ৰীতম আৰু পাহি দুয়ো ঘৰৰ গাড়ীখনেৰেই কলেজ অভিমুখে ওলাই গ'ল। পাহিৰ ক্লাচলৈ অলপ সময় থকাৰ বাবে তাই দেউতাকৰ লগত গাড়ীতে বহি থাকিল। তাই অনুভৱ কৰিছিল দেউতাক যেন কাৰোবাৰ বাবে অধীৰ অপেক্ষাৰত।

তেওঁলোকৰ গাড়ীখনৰ কাষেৰেই স্কুটাৰত পাৰ হৈ যোৱা ব্যক্তি এজনক দেখুৱাই পাহিয়ে ক'লে ''পাপা, মই যে কৈছিলো কেমেষ্ট্ৰিৰ নতুন ছাৰ... সৌৱা চোৱা স্কুটাৰত যে কলেজৰ গেটৰ ফালে গৈ আছে, সেয়াই আমাৰ নতুন ছাৰ বিশাল বৰুৱা।''

প্ৰীতমে বিসুৰফালে চাই ৰ' লাগিল। হয়তো অতীতৰ স্মৃতিবোৰে তেওঁৰ চকুৰ আগত খেলিবলৈ ধৰিলে।

''পাপা, আজি মোৰ ক্লাচ ২-৩০ বজাত শেষ হ'ব তুমি নিবলৈ আহিবা দেই।'' পাহিয়ে বেগটো লৈ গাড়ীৰ পৰা নামোতে কথাষাৰ কৈছিল। নিৰ্জীৱ মূৰ্ত্তিৰ দৰে প্ৰীতমে বহু সময় গাড়ীতে বহি থাকিল। তেওঁৰ গাড়ীৰ কাষেৰে পাৰ হৈ যোৱা বাইকৰ হৰ্নটোৱেহে তেওঁক বাস্তৱ জগতলৈ ঘূৰাই আনিলে।

০০০

প্ৰীতমে কলিং বেলৰ শব্দ শুনি পাহিক কোন আহিছে চাবলৈ ক'লে। অলপ সময় বাহিৰত কাৰোবাৰ লগত কথা পাতি ভিতৰত থকা দেউতাকক তাই বিস্ময় নেত্ৰে কলেহি যে, তাইৰ নতুন ছাৰ অৰ্থাৎ বিশাল বৰুৱা আহিছে। কথাষাৰ শুনি প্ৰীতমৰ যেন ভৰিৰ তলৰ মাটিখিনি খহি গ'ল। তেওঁৰ মুখখন কেঁহেৰাজ বৰণীয়া হ'ল। ''অ' পাপা, কিনো ভাবি আছা? যোৱা আৰু' ছাৰ ড্ৰয়িং ৰুমত বহি আছে।

০০০

প্ৰীতম আৰু বিশাল বৰুৱা দুয়ো মুখামুখিকৈ বহি আছে যদিও কাৰো মুখত মাত নাই।

পাহিয়ে হাতত চাহৰ ট্ৰেখন লৈ দুয়োৰে সন্মুখত দুকাপ চাহ দি ট্ৰেখন থৈ আহো বুলি ভিতৰলৈ যাবলৈ লওঁতেই প্ৰীতমে পাহিক ক'লে ''পাহি বিশালে চাহ নাখায়, তাক গাখীৰ এগিলাচকে গৰম কৰি আনি দিয়া।''

''পাপা, তুমি ছাৰক আগৰ পৰাই চিনি পোৱা। অথচ মোক দেখুন তুমি এবাৰো কোৱা নাছিলা।''

প্ৰথমবাৰৰ বাবে বিশালে মাত দিলে ''পাহি, তোমাৰ পাপাই হয়তো মোৰ কথা তোমাৰ আগত কোৱাটো প্ৰয়োজনীয় বুলি ভবা নাছিল।''

''বিসু...., তই কিয় এনেকৈ কৈছ?''

''আৰু কি ক'ম মই প্ৰীতম্। তই হয়তো ২২ বছৰৰ আগৰ সেই আটাইবোৰ ঘটনা পাহৰিবলৈ সক্ষম হৈছ। কিন্তু মই যে মৃত্যুৰ আগমুহূৰ্তলৈকে সেইবোৰ পাহৰিব নোৱাৰো।''

পাহিয়ে এবাৰ দেউতাকৰ আৰু এবাৰ তাইৰ ছাৰৰ ফালে চাই আছে এক অবুজ শিশুৰ দৰে। তাই একো ধৰিব পৰা নাই তাইৰ সন্মুখত এইয়া কি হৈছে।

বিশালে তেওঁৰ চাৰ্টৰ জেপৰ পৰা চিঠিৰ দৰে ভাঁজ কৰি ৰখা কাগজ এখন প্ৰীতমলৈ আগবঢ়াই দিলে। প্ৰীতমে প্ৰশ্নবোধক দৃষ্টিৰে কাগজখন হাত পাতি ল'লে। কাগজখন খুলি চাই দেখিলে, তেওঁৰ পৰিচিত সেই সুন্দৰ আখৰবোৰ।

পূজ্য

প্ৰীতম দা,..........................................

................. আপুনি গোটেই জীৱন অনুতাপৰ জুইত তিল তিলকৈ জ্বলিব। এইয়া মোৰ অভিশাপ বুলিয়ে ভাবিব পাৰে।

ইতি

**সাগৰিকা**

প্ৰীতমৰ চকুৰ পৰা দুটোপাল চকুৰ পানী বাগৰি আহি চিঠিখনত পৰিল। বিশালে ক'লে, ''তই তোৰ দোষৰ বাবে এদিন নহয় এদিন কান্দিব লাগিব। সেই কথা মই তোক ২২ বছৰৰ আগতেই কৈছিলো। এই চিঠিখন মই যোৱা বিশ বছৰদিনে লগত লৈ ফুৰিছো। তোৰ বাবে এইখন হয়তো মাত্ৰ এখিলা কাগজ কিন্তু মোৰবাবে ই এক অশান্তময় মৃত্যুমুখী আত্মাৰ শেষ হুমুনিয়াহ। যাক তোৰ হাতত গতাই আজি মই এক স্বস্তি অনুভৱ কৰিছো।''

প্ৰীতমে একো নক'লে। তেওঁ যেন কথা ক'বলৈও পাহৰি গৈছে। ইমান দেৰি মনে মনে কিবা এটা সুধিবলৈ উচপিচাই থকা পাহিয়ে ''ছাৰ বেয়া নাপায় যদি আপোনালোকে পাতি থকা কথাৰ কিছু ভাগ মইয়ো ল'ব পাৰো নেকি?''

প্ৰীতমে অসহায় দৃষ্টিৰে বিশালৰ মুখলৈ চালে। নিজ সন্তানৰ আগত বাৰু কেনেকৈ তেওঁ অতীতৰ ভুলবোৰ উদঙাই দিব। নাই, নিজেই নিজৰ ভুলবোৰ সন্তানৰ আগত ক'ব পৰা মানসিকতা তেওঁৰ নাই। বিশালে তেওঁৰ মনৰ ভাব বুজিলে। উপায়ন্তৰ হৈ বিশালে পাহিক ক'লে ''যিবোৰ কথা বিশাল বা প্ৰীতমে ইমানদিনে কাৰো আগত প্ৰকাশ কৰাৰ কথা ভবাই নাছিল সেই কথা তেওঁ আজি তাইৰ আগত ক'বলৈ ওলাইছে। বিশালে এইটোও ক'লে যে তেওঁ তাইৰ 'কেমেষ্ট্ৰি'ৰ শিক্ষক। এজন শিক্ষক বা শিক্ষাগুৰু হিচাপে তাইৰ আগত সেইবোৰ কথা আলোচনা কৰাটো তেওঁৰ বাবে উচিত নহয়, কিন্তু তাইৰ শিক্ষাগুৰু হোৱাৰ আগতে তেওঁ প্ৰীতমৰ এক অন্তৰংগ বন্ধু আছিল আৰু সেইসূত্ৰে কথাবোৰ তাইৰ আগত প্ৰকাশ কৰিছে।

''তোমাৰ পাপা আৰু মই একেখন বিদ্যালয়তে শিক্ষা গ্ৰহণ কৰিছিলো। প্ৰীতমে হয়তো তোমাক কৈছে ছাগে, যেতিয়া খোজ কাঢ়িব পৰা বয়স হৈছিল তেতিয়াই তাৰ দেউতাকৰ মৃত্যু হয়। তাৰ মাক মানে তোমাৰ আইতাৰাই বহুত কষ্ট কৰি দেউতাৰাক শিক্ষিত কৰি তুলিব বিচাৰিছিল। যি গৰাকী মহিলাই নিজৰ নামটোকেই লিখিব নাজানিছিল, অথচ তেওঁ সপোন দেখিছিল যে তেওঁৰ পুতেক এজন ভাল চিকিৎসক হ'ব আৰু দুখীয়া, অসহায় ৰোগীসকলৰ মাজত আশাৰ সঞ্জিৱনী বোৱাব। তেওঁৰ সেই নিৰক্ষৰ মনটোত যে ইমান উচ্চ এটা আকাংক্ষা পুহি ৰাখিছিল ভাবিলে আচৰিত লাগে। মাকৰ কথা প্ৰীতমেও ৰাখিছিল। স্কুলীয়া অৱস্থাত প্ৰতি বছৰতেই সি প্ৰথম বিভাগত পাছ কৰিছিল। এদিন যেতিয়া সি ডাক্তৰীৰ বাবে নামভৰ্ত্তি কৰিলে....''

বিশালে মাজতে বৈ গ'ল। ''পাহি, মোলৈ পানী এগিলাচ আনাচোন।'' পাহিয়ে হয়তো বিশালে কৈ যোৱা কথাবোৰ কল্পনা কৰি আছিল। বিশালে পুনৰবাৰ কোৱাতহে পাহিৰ তন্ময়তা ভাগিল। তাই লাজ পোৱাৰ দৰে ল'ৰালৰিকৈ ভিতৰৰ পৰা পানী এগিলাচ আনি বিশালক দিলে। প্ৰীতমে দীঘলীয়া হুমুনিয়াহ এটা এৰি চকীখনত পোনকৈ বহিল। তেওঁৰ দৃষ্টি শূন্যতে নিবদ্ধ কৰি ৰ'ল।

বিশালে পুনৰবাৰ আৰম্ভ কৰিলে ''প্ৰীতম আৰু মই ডাক্তৰীৰ বাবে নামভৰ্ত্তি কৰি যেতিয়া প্ৰীতমৰ ঘৰ পালোহি তেতিয়া তোমাৰ আইতাৰাই আমাৰ বাবে অধীৰ আগ্ৰহেৰে বাট চাই আছিল। তেওঁ ভাবিছিল তেওঁৰ পুত্ৰই তেওঁৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ আগবাঢ়ি গৈছে। সেয়ে তেওঁৰ প্ৰীতমক দেখাৰ লগে লগে দুটোপাল চকুৰ পানী সৰি পৰিছিল।

ক্লাচত এদিন হঠাৎ এজনী ছোৱালীয়ে আহি আমাৰ লগত বন্ধুত্ব গঢ়িব বিচাৰে। ছোৱালীজনীৰ নাম আছিল সাগৰিকা। তেতিয়া যিহেতু ক্লাচত যথেষ্ট কম ছাত্ৰ-ছাত্ৰী আছিল গতিকে সকলোৰে ভালদৰে চিনা-পৰিচয় আছিল। সাগৰিকা দেখিবলৈ যিমান শুৱনি আছিল তাইৰ আচৰণ তাতকৈয়ো মৰমলগা। ইমান মাৰ্জিত আৰু শান্ত প্ৰকৃতিৰ ছোৱালী দ্বিতীয়জনী যে ক্লাচত নাছিল সেইটো ধ্ৰুৱ সত্য।

সাগৰিকাই হয়তো প্ৰীতমৰ সুখ্যাতিবোৰৰ কথা ক্লাচত

শুনিছিল। সেইবাবে তাই নিজেই আহি প্ৰীতমৰ লগত চিনাকি হৈছিলহি। দ্বিতীয় দিনাৰ পৰাই তাই আমাৰ লগত অন্তৰংগ বন্ধুৰ দৰে হৈ পৰিছিল। আমাৰ ক্লাচৰ সময়বোৰ ইমান সুন্দৰভাৱে পাৰ হৈ গৈছিল। আমি গমেই পোৱা নাছিলো কেনেদৰে এটা বছৰ পাৰ হৈছিল।

আমাৰ ক্লাচত এটা ল'ৰা আছিল অসীম কাকতি। তাৰ গুণ্ডা প্ৰকৃতিৰ স্বভাৱটোৰ বাবেই ক্লাচত প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়েই তাক ভাল নাপাইছিল। টকা-পইচাৰ অহংকাৰে ল'ৰাটোৰ স্বভাৱ নষ্ট কৰাত প্ৰধান অৰিহণা যোগাইছিল। অসীমৰ দেউতাক তিনিটাকৈ কাপোৰৰ মিলৰ মালিক। সেইবাবে একমাত্ৰ পুত্ৰ সন্তান অসীমে সকলোৰে ওপৰত ৰাজত্ব কৰিব বিচাৰিছিল।

সেই অসীম কাকতিয়ে এদিন ক্লাচতে সাগৰিকাক ভালপোৱাৰ প্ৰস্তাৱ আগবঢ়ায়। কিন্তু সাগৰিকাই তাৰফালে প্ৰতিক্ৰিয়া নেদেখুৱাৰ বাবে সি অপমান বোধ কৰিছিল। প্ৰীতম সেইদিনা ক্লাচত উপস্থিত নথকাৰ বাবে তাক সাগৰিকা আৰু অসীমৰ ঘটনাটোৰ বিষয়ে জনালো। ই কিন্তু কোনো ধৰণৰ মতামত আগবঢ়োৱা নাছিল।

আমাৰ ফাইনেল পৰীক্ষালৈ পাঁচ মাহ মান থাকোতেই এদিন ৰাতিপুৱা তোমাৰ আইতাৰ পেটৰ বিষ হ'বলৈ ধৰিলে। তেওঁক তৎক্ষণাত ওচৰৰে চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। চিকিৎসকে তেওঁক বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ পাছত যি ৰিপোৰ্ট দেখুৱালে প্ৰীতমতো বাদেই ময়ো নিজৰ কাণ দুখনকে বিশ্বাস কৰিব পৰা নাছিলো। ৰিপোৰ্টৰ মতে প্ৰীতমৰ মাকে বহু বেছি পৰিমাণে শাৰীৰিক কষ্ট কৰাৰ ফলত তেওঁৰ দুয়োটা কিডনী নষ্ট হৈ গৈছে আৰু যদি দুমাহৰ ভিতৰত কিডনী সলনি নকৰাই তেন্তে তেওঁ জীয়াই থকাটো অসম্ভৱ।

প্ৰীতমে মাকক নিজতকৈও বেছি ভাল পাইছিল। সি চিকিৎসকক জনালে যে নিজৰ কিডনী এটা সি মাকক দিব। কিন্তু ভগবানে যেন তাৰ প্ৰতি বিদ্ৰুপৰ হাঁহি মাৰিলে। তাৰ আৰু মাকৰ তেজৰ গ্ৰুপ নিমিলে। মইয়ো তেজৰ গ্ৰুপ পৰীক্ষা কৰোৱালো কিন্তু মোৰো তেজৰ গ্ৰুপ নিমিলে।

আটাইতকৈ দুখৰ বিষয় এইখিনিতেই জানা পাহি, আমাৰ বন্ধুত্বৰ চাকিগছিত অবিশ্বাস আৰু মিছা কথাৰ বতাহে কোবাবলৈ আৰম্ভ কৰিছিল।

এমাহ মানলৈ যেতিয়া প্ৰীতমে কিডনী যোগাৰ কৰিব পৰা নাছিল তাৰ মনটো আগৰ দৰে মুকলি নোহোৱা হ'ল। দেউতাকক সৰুতেই হেৰুৱালে এতিয়া যদি মাককো হেৰুৱাবলগীয়া হয় সি একেবাৰে অকলশৰীয়া হৈ পৰিব। সেই চিন্তাই তাক একোতে মন নবহা কৰি তুলিছিল।

মাকক চিকিৎসা কৰি থকা চিকিৎসকজনেই এদিন প্ৰীতমক খবৰ দিলে যে এজন ব্যক্তিয়ে প্ৰীতমৰ মাকক এটা কিডনী দিবলৈ



সাজু হৈছে কিন্তু তাৰ বিনিময়ত প্ৰীতমে মানুহজনক সম্পূৰ্ণ এক লাখ টকা দিব লাগিব।

চিকিৎসকৰ কিডনী যোগাৰ হৈছে বুলি কওঁতে প্ৰীতমৰ মনত যি আশাৰ ৰেঙনিৰ সৃষ্টি হৈছিল, একলাখ টকাৰ নাম শুনিয়েই সেই আশা মৰুভূমিৰ বালিত পানী ঢলাৰ দৰে খন্তেকতে মাৰ গ'ল।

মাকৰ লগত লাগি থাকিবলগীয়া হোৱাৰ বাবে ইয়াৰ এক সপ্তাহমান কলেজ খতি হ'ল। ইফালে অসীমৰ উৎপাত দিনক দিনে বাঢ়ি গৈছিল। সি পুনৰ সাগৰিকাক আমনি কৰিব ধৰিলে। উপায়ন্তৰ হৈ সাগৰিকাই নিজকে ৰক্ষা কৰাৰ বাবে এটা সহজ বুদ্ধি উলিয়ালে। তাই অসীমৰ আগত চৰ্ত ৰাখিলে, যদি অসীমে এইবাৰ ফাইনেল পৰীক্ষাত ক্লাচৰ ভিতৰত টপাৰ হ'ব পাৰে তেন্তে সি কোৱা যিকোনো কথাই তাই মানি ল'ব। তাইৰ দৃঢ় বিশ্বাস আছিল যে প্ৰীতম থাকোতে অসীম কেতিয়াও টপাৰ হ'ব নোৱাৰে। অসীমে তাইৰ চৰ্ত বিনা দ্বিধাই মানি ল'লে। কাৰণ সি যদিও গুণ্ডা স্বভাৱৰ আছিল তথাপিও ক্লাচত প্ৰীতমৰ পাছতেই তাৰ স্থান আছিল।

সাগৰিকাই অসীমৰ আগত ৰখা চৰ্তটোৰ বিষয়ে যেতিয়া মই প্ৰীতমক কওঁ সি প্ৰথমবাৰৰ দৰেই একো মতামত আগবঢ়োৱা নাছিল। মাথো শূন্যলৈ চাই এবাৰ হুঁহাৰ দৰে কৰিলে।

তেনেতে এদিন প্ৰীতমে কয় যে পিছদিনা মাকৰ অপাৰেচন। প্ৰথমে মই তাক সুধিছিলো "ইমান টকা হঠাতে ক'ৰ পৰা পালি?" সি কিন্তু মোক মিছা মাতিলে। সি ক'লে যে, তাৰ মাকৰ অলপ পুৰণা গহণা আছিল সেইখিনি বিক্ৰী কৰি আৰু ওচৰ-চুবুৰীয়াৰ পৰা ধাৰলৈ লৈ অপাৰেচনৰ বাবে টকা গোটালে। কথাষাৰ কওঁতে তাৰ মুখখন কেঁহৰাজ বৰণীয়া হৈছিল। মই ইয়াক একো নক'লো যদিও মোৰ মনত সন্দেহৰ পোক এটাই অহৰহ কামুৰি আছিল।

মাকৰ অপাৰেচন সফলভাৱে হৈছিল যদিও তেওঁৰ দেহত তেজৰ পৰিমাণ কমি গৈছিল। মই আৰু সাগৰিকাই ক্লাচত এদিন প্ৰীতমৰ মাকৰ কথা পাতি থাকোতে তেওঁৰ দেহত কমি যোৱা তেজৰ পৰিমাণৰ কথা ওলাইছিল। তাই মোক সুধিছিল প্ৰীতমৰ মাকৰ তেজৰ গ্ৰুপ কি?

পিছদিনা প্ৰীতমে মোক লগ পাই ক'লে যে তাৰ মাকক কোনোবা ছোৱালী এজনীয়ে তেজ দান কৰি গ'ল। কিন্তু চিকিৎসকক বাৰে বাৰে সুধাৰ পিছতো তেওঁ ছোৱালীজনীৰ নাম নক'লে। প্ৰীতমৰ মনটো এক অপৰাধবোধে আৱৰি ধৰিলে। মই তাৰ আগত প্ৰকাশ নকৰিলো যদিও মনতে নিশ্চিত হ'লো এই কাম নিশ্চয় সাগৰিকাৰ। প্ৰীতমৰ মাক সম্পূৰ্ণ সুস্থ হৈ উঠাৰ কেইমাহমানৰ পাছতে আমাৰ ফাইনেল পৰীক্ষা আৰম্ভ হ'ল। পৰীক্ষাৰ দিনকেইটা পাৰ হৈ যোৱাৰ পিছত আমাৰ ক্লাচৰ পৰা এটা সৰু-সুৰা পিকনিকলৈ যোৱাটো থিক কৰিলো। কিন্তু প্ৰীতম যাবলৈ মান্তি নোহোৱাত মইয়ো নাযাও বুলি ক'লো। আমি দুয়োটা নাযাওঁ বুলি কোৱাত সাগৰিকাও নোযোৱাটো থিক কৰিলে। অসীমে তাইক বহুত জোৰ কৰিলে। সি তাইক এইটো পৰ্যন্ত কৈছিল যে, এইবাৰ সি পৰীক্ষাত টপাৰ হ'বই সেইবাবে তাই হেনো এতিয়াৰ পৰাই তাৰ কথা শুনিব লাগে। সাগৰিকাই তাৰ কথা শুনি ইতিকিং কৰাৰ দৰে হাঁহি মাৰি ক'লে "সময়ত দেখা যাব কোনে কাৰ কথা শুনে।" তাই তাৰ ওচৰৰ পৰা আঁতৰি আহিল।

০০০

বিশালে কৈ গৈছিল – "পৰীক্ষাৰ ফলাফল দেখি সকলোৰে চকু কপালত উঠিল। বিস্মিত হৈছিল সকলো অসীমে ক্লাচৰ ভিতৰতে টপ হৈছিল আৰু প্ৰীতম ফেইল হোৱাৰ পৰা কোনোমতেহে ৰক্ষা পৰিছিল। পৰীক্ষাৰ ফলাফল চাই মোৰ এনে লাগিছিল যেন গোটেই পৃথিৱীখন জোৰেৰে ঘূৰিব ধৰিছে আৰু মই শূন্যত ওলমি আছো। আটাইতকৈ বেছি দুখ লাগিছিল প্ৰীতমৰ মাক আৰু সাগৰিকালৈ। দুয়োজনীয়ে প্ৰীতমে ভাল ৰিজাল্ট কৰাৰ আশা কৰিছিল। আৰু সেই আশাতে সাগৰিকাই অসীমৰ আগত চৰ্ত ৰাখিছিল পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত।

সাগৰিকা কান্দি কান্দি প্ৰীতমৰ আগত সংজ্ঞাহীন হৈ পৰিছিল। তথাপিও প্ৰীতমে তাইৰফালে এবাৰো মূৰ তুলি চোৱা নাছিল। তাই কান্দি কান্দিয়েই প্ৰীতমক প্ৰশ্ন কৰিছিল তাই তাৰ ওচৰত এনে কি গুৰুতৰ অপৰাধ কৰিছিল, যাৰবাবে সি তাইক ইমান ডাঙৰ শাস্তি দিলে।

প্ৰীতম যেন প্ৰস্তৰ মূৰ্তিলৈ ৰূপান্তৰ হৈছিল। মই তাক যিমান বিশ্বাস কৰিছিলো সেই বিশ্বাস ঘৃণালৈ পৰিবৰ্তন হ'ল, যেতিয়া মই আচল ৰহস্যটো গম পাইছিলো। সি মাকৰ অপাৰেচনৰ বাবে ইমান টকা ক'ত পাইছিল মোৰ মনত সন্দেহ আছিলেই আৰু সেই সন্দেহৰ গুৰি মই পাইছিলোৱেই।

অসীমে এদিন প্ৰীতমৰ ঘৰলৈ গৈ তাক অলপ সময়ৰ বাবে ফুৰিবলৈ যাবলৈ লগ ধৰিছিল। দুয়ো গৈ এখন মুকলি ঠাইত বহিছিল। অসীমে প্ৰীতমৰ আগত প্ৰস্তাৱ ৰাখিছিল যেন এইবাৰ পৰীক্ষাত তাক টপাৰ হোৱাত সহায় কৰে। প্ৰীতমে একো বুজিব নোৱাৰি অসীমৰ মুখলৈ চালে। অসীমে পুনৰ ক'লে যে প্ৰীতমে যদি তাক সহায় কৰে তাৰ বিনিময়ত তাৰ মাকৰ অপাৰেচনৰ বাবে প্ৰয়োজন হোৱা একলাখ টকা সি প্ৰীতমক দিব। অসীমৰ দৰে ধনী ল'ৰাৰ বাবেতো এক লাখ টকা তেনেই কম। কিন্তু প্ৰীতমৰ বাবে ইমান টকা জমা কৰাটো অসম্ভৱ আছিল। সেইকাৰণে অসীমৰ কথা শুনি প্ৰীতমে হাততে সৰগ ঢুকি পোৱা যেন লাগিল। অসীমৰ পৰা পোৱা একলাখ টকাৰে সি মাকৰ অপাৰেচন কৰোৱালে।"

"প্ৰীতম, কথাটো বাৰু সম্পূৰ্ণ সত্য নে?" বিশালে মাজতে

তাক প্ৰশ্ন কৰিলে। প্ৰীতমে মুখেৰে একো উচ্চাৰণ নকৰিলে। মাথো মূৰ জোকাৰি কথাটো যে সত্য তাক নিশ্চিত কৰিলে। বিশালে পুনৰ ক'বলৈ ধৰিলে –

"প্ৰীতমৰ ৰিজাল্ট যে ভবা ধৰণে নহ'ল সেই কথাটোৱে বেমাৰী মাকজনীৰ মনত বেয়াকৈ আঘাত কৰিলে আৰু সেই আঘাতৰ বাবেই হয়তো মাকে মৃত্যুক আঁকোৱালি লৈছিল। সি মাকৰ মৃত্যুৰ পাছত একেবাৰে ভাগি পৰিছিল। মোৰো ইয়াৰ ওপৰত বহুত খং উঠিছিল। ই যে মোৰ পৰা ইমান ডাঙৰ সত্য এটা লুকুৱাব মই ভবাই নাছিলো। আমাৰ বন্ধুত্ব ভাগি গৈছিল। মই ইয়াৰ খবৰ নলওঁ বুলি মনতে প্ৰতিজ্ঞা কৰিছিলো।

প্ৰীতম যিহেতু একেবাৰে অকলশৰীয়া হৈ পৰিছিল, সি সেই ঠাই এৰি ইয়াত থাকিব লোৱাৰ কথা আনৰ দ্বাৰা গম পাইছিলো। তাৰ লগত যোগাযোগ নাৰাখো বুলি মইও মোৰ মনটো তাৰ পৰা আঁতৰাবলৈ চেষ্টা কৰিছিলো। কিন্তু মনে যে নামানিছিল। মই পৰোক্ষভাৱে সদায় তাৰ খবৰ ৰাখিছিলো।

প্ৰীতম গুচি অহাৰ অলপ দিনৰ পিছতেই অসীমে সাগৰিকাক বিয়া কৰায়। যিটো ল'ৰাক সাগৰিকাই চকু পাৰি দেখিব নোৱাৰিছিল তাৰ লগতে আকৌ তাইৰ বিয়া। ইয়াকে কয় ভাগ্য। সি সাগৰিকাৰ প্ৰতি হয়তো প্ৰসন্ন নাছিল। বিয়াৰ পিছত তাই দুমাহো শান্তিত থাকিবলৈ নাপালে। এদিন তাই মোক লগ কৰি এই চিঠিখন দি কৈছিল প্ৰীতমে তাইৰ সঁচা ভালপোৱাক কোনোদিনে বুজিবলৈ চেষ্টা নকৰিলে। একমাত্ৰ প্ৰীতমৰ অহংকাৰৰ বাবেই তাই আজি ইমান অশান্তিত দিন নিয়াবলগীয়া হৈছে। তাই প্ৰীতমক কেতিয়াও ক্ষমা নকৰে। মোক চিঠিখন দিয়াৰ এমাহৰ পাছতেই শুনিবলৈ পালো সাগৰিকাই আত্মহত্যা কৰিলে। সেই নিষ্পাপ, সহজ-সৰল ছোৱালীজনীৰ মৃত্যুৰ খবৰ পাই মোৰ অন্তৰখন কান্দি উঠিছিল। ভাবিলো হয়তো মানুহে প্ৰেমত পৰিবই নাপায়। একমাত্ৰ প্ৰীতমৰ প্ৰতি থকা তাইৰ প্ৰেম ভাবৰ বাবেইতো তাইৰ জীৱনটো চিণ্ডি পেলোৱা ফুলৰ পাপৰিৰ দৰে মৰহি গ'ল।

বাৰু প্ৰীতম, তই যোৰহাটৰ পৰা গুচি অহাৰ পাছত তোৰ বাৰু সাগৰিকালৈ মনত পৰা নাছিলনে? তই তাইৰ মনৰ ভাব বুজিও কোনোদিনে তাইৰ প্ৰতি সহানুভূতিৰ ভাব নেদেখুৱাৰ কাৰণ কি আছিল, মই জানিব পাৰোনে?" বিশালে বহুত দেৰিলৈকে উত্তৰৰ আশাত বাট চাই ৰ'ল।

প্ৰীতমে লাহে লাহে মাত দিলে, সাগৰিকালৈ সি হেনো কোনোদিনে প্ৰেমিকাৰ ৰূপত চোৱা নাছিল। যোৰহাটৰ পৰা অহাৰ পিছত বিশাল আৰু সাগৰিকালৈ মনত পৰিছিল যদিও সি নিৰুপায়। প্ৰকৃতিৰ নিয়মৰ বিৰুদ্ধে গৈ সি মাকক বচোৱাৰ যি ব্যৰ্থ চেষ্টা কৰিছিল সেই চেষ্টাই তাক অন্য এখন পৃথিৱীলৈ লৈ গৈছিল। য'ত সি নিজৰ ভৱিষ্যতৰ কথা চিন্তা নকৰাকৈ তাৰ ভাগ্য ৰেখা সলনি কৰিব বিচাৰিছিল। টকাৰ বিনিময়ত সি ছাত্ৰ জীৱনৰ আৰ্জিত জ্ঞান নৈৰ সোঁতত মিলাই দিছিল। তাৰ সেই মূৰ্খামিৰ ফল সি সঁচাকৈয়ে গোটেই জীৱনটো ভোগ কৰিব লাগিব। সাগৰিকাই তাক নিঃস্বাৰ্থভাৱে ভাল পাইছিল। সেই কথা জানিও সি তাইক উপেক্ষা কৰিছিল। সাগৰিকাৰ অভিশাপ তাৰ গাত লাগিছিল। সেই কাৰণে হয়তো পাহিৰ জন্মৰ এবছৰৰ পাছতে তাইৰ মাকে প্ৰীতমৰ পৰা ডিভোৰ্চ লৈ পূৰ্বৰ প্ৰেমিক এজনৰ লগত সুখৰ সন্ধানত আঁতৰি গৈছিল। তাই নিজ স্বাৰ্থৰ বাবে সন্তানকো এৰি গুচি গৈছিল। তাৰ পিছৰ পৰাই পাহিক প্ৰীতমেই যত্ন কৰি ডাঙৰ-দীঘল কৰিছিল। তেওঁ নিজৰ কথা চিন্তা কৰিবলৈ প্ৰায় এৰি দিছিল। তেওঁ জীৱনৰ কিতাপখন যেন বন্ধ কৰি দিছিল। এতিয়া তেওঁৰ এটাই সপোন আছে পাহিয়ে ভালকৈ পঢ়ি-শুনি এটা ভাল কেৰিয়াৰ গঢ়িব। তেওঁ কৰা ভুলৰ দৰে পাহিয়ে যেন কোনো ভুল নকৰে তাৰ প্ৰতি তেওঁ সদায় সাৱধান হ'ব।

বিশালে প্ৰীতমৰ মুখমণ্ডলত এক পাপবোধৰ ছাঁ স্পষ্টকৈ লক্ষ্য কৰিলে। বিশালৰ মুখৰ পৰা দেউতাকৰ অতীত জীৱনৰ কথা শুনি পাহিয়ে বৰ দুখ প্ৰকাশ কৰিলে। তাই মনতে ভাবিছিল তাইৰ দেউতাকে যদি সাগৰিকাৰ একপক্ষীয় প্ৰেমক স্বীকাৰ কৰা হ'লে বেচেৰী সাগৰিকাই অকাল মৃত্যুক সাৱটি ল'বলগা নহ'লহেতেন। দেউতাকৰ প্ৰতি তাইৰ মনত এক অভিমান জাগি উঠিল। যদিও তেওঁৰ প্ৰতি থকা তাইৰ ভালপোৱাৰ আগত সেই অভিমান তেনেই নগণ্য।

দেউতাকৰ অতীতৰ সকলোবোৰ কথা জনাৰ পাছতো তাই নিশ্চিত হ'ব পৰা নাছিল প্ৰকৃততে ভুল কাৰ গাত। দেউতাকৰ প্ৰতি সন্দেহ কৰি তাইৰ মাকে তাইক কেঁচুৱাতে এৰি আন এজনৰ লগত সুখৰ সন্ধান কৰিবলৈ গুচি যোৱাটো, দেউতাকৰ সাগৰিকাৰ একপক্ষীয় প্ৰেমক স্বীকাৰ নকৰাটো নে আইতাকৰ বেমাৰত টকাৰ প্ৰয়োজন হোৱাটো?

তাই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি নাপালে। দেউতাক বা তেওঁৰ বন্ধু বিশালকো তাইৰ প্ৰশ্নৰ উত্তৰবোৰ সুধিবলৈ সাহস কৰিব নোৱাৰাৰ বাবে তাই মনতে ভাবিছিল তাই এখন উপন্যাসকে লিখিব পাৰেচোন, য'ত দেউতাকৰ অতীত জীৱনত ঘটা ঘটনাবোৰ সন্নিবিষ্ট কৰিব।

পাহিয়ে উপন্যাসখনৰ নামটোও ভাবি উলিয়ালে। তাইৰ দ্বাৰা লিখা সেই উপন্যাসখনৰ নাম হ'ব 'ৰোমন্থন'। উপন্যাসখন পঢ়ি তাইৰ প্ৰশ্নৰ উত্তৰ দিওঁতাও হয়তো ওলাব।

পাহিয়ে কথাবোৰ কল্পনা কৰাৰ পাছত মুখৰ ভিতৰতে অস্পষ্টকৈ দুবাৰমান আঁওৰালে 'অতীত ৰোমন্থন, অতীত ৰোমন্থন....'। ■

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত মই ডিগবৈ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰিলো। ২০০৮-২০০৯ বৰ্ষৰ বাবে মোক ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰি যি গুৰুদায়িত্ব প্ৰদান কৰিলে সেইবাবে আপোনালোক সকলোলৈ কৃতজ্ঞতা থাকিল। মোৰ কাৰ্যকালত মই আপোনালোকৰ সেৱা আগবঢ়াই যাওঁতে অজানিতে যদি কিবা ভুল-ক্ৰুটি ৰৈ গৈছে তাৰবাবে মই আপোনালোকলৈ ক্ষমা প্ৰাৰ্থনা মাগিছো।

উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি গঠিত হোৱা প্ৰথমখন ছাত্ৰ একতা সভাৰ দায়িত্ব গ্ৰহণ কৰি যোৱা ইংৰাজী ১৪-১১-২০০৮ তাৰিখে মহবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অতিকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠান মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ কৰাৰ লগতে সফলভাৱে সমাপ্ত হৈছিল। যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণে সঁচাকৈয়ে সেইসময়ত মোক আনন্দ দিছিল। সামৰণি অনুষ্ঠানত ডিব্ৰুগড়ৰ পংকজ বৰাই সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীক আনন্দ দিছিল।

গাতানুগতিক অনুষ্ঠান সৰস্বতী পূজা, স্নাতক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ বিদায় সভা, নৱাগত আদৰণি সভা আদি অনুষ্ঠান শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ সহযোগত সফলভাৱেই উদ্যাপন কৰা হৈছিল।

আমাৰ কাৰ্যকালতেই ডিগবৈ মহাবিদ্যালয়ত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। আমি আশা কৰিলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল ইয়াৰ দ্বাৰা উপকৃত হ'ল। বিশ্ববিদ্যালয়ৰ অধীনত মহাবিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীতেই যিহেতু একোটাকৈ চূড়ান্ত পৰীক্ষা হয়, সেয়েহে পঢ়া-শুনাৰ প্ৰতিও চকু ৰাখিবলগীয়া হোৱা হেতুকে মহাবিদ্যালয়ৰ সামগ্ৰিক উন্নতিত যথেষ্ট সময় দিব নোৱাৰাৰ বাবে মনত কিছু দুখ থাকি গৈছে। আপোন ডিগবৈ মহাবিদ্যালয় খনিৰ উন্নতিত কিছু বৰঙণি আগবঢ়াব পৰা হ'লে সুখী হলোহেঁতেন।

কৃতজ্ঞতা স্বীকাৰ ঃ

মই সাধাৰণ সম্পাদক হিচাপে মোৰ কৰিবলগীয়া কাম-কাজবোৰত মোক বিশেষভাৱে সহায় আৰু পৰামৰ্শ আগবঢ়োৱা বাবে মই চেনী চন্দ্ৰ বৰুৱা ছাৰক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। তাৰ উপৰিও ডিগবৈ মহাবিদ্যালয়ৰ ২০০৮-২০০৯ বৰ্ষৰ মোৰ কাৰ্যকালত মোৰ বিভিন্ন কাৰ্যসূচীত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে মই ছাত্ৰ একতা সভাৰ সভাপতি ৰাহুল দাস দা, ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহেন্দ্ৰ ভৰালী বৰুৱা, গোলাপ কলিতা ছাৰক ধন্যবাদ জ্ঞাপন কৰি কৃতজ্ঞতা স্বীকাৰ কৰিলো। শেষত মহাবিদ্যালয়ৰ শিক্ষকমণ্ডলী, সম্পাদকমণ্ডলী আৰু সকলো বন্ধু-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰি প্ৰতিবেদন ইমানতে সামৰণি মাৰিছো।

ধন্যবাদেৰে,

।। জয়তু ডিগবৈ মহাবিদ্যালয়
জয় আই অসম ।।

– দ্বীপেন শইকীয়া
সাধাৰণ সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৮-২০০৯ বৰ্ষ

*Secretarial Report*

# *Music & Girl's Common Room Secretary*

It gives me pleasure to be the Music and girl's common room secretary of D.C.S.U. for the session of 2008-2009. I have put my best effort to fulfil the expectations of the students during my tenure. I, with my well wishers, organized the competitions which comes under my jurisdiction ; in the "College Week". The number of competitors in those competitions were upto satisfaction.

I felt delighted to associate myself as one of the members of D.C.S.U. I take this opportunity to thank the principal Sir, professor-in-charge and my friends.

– ***Manjuma Ahmed***
Music & Girl's Commonroom Secretary
D.C.S.U – 2008-09

# সমাজসেৱা, তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো, যিসকলৰ সহযোগিতা আৰু প্ৰেৰণাত মই ডিগবৈ মহাবিদ্যালয়ৰ ২০০৮-২০০৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত কাৰ্যনিৰ্বাহ কৰিবলৈ সুবিধা লাভ কৰিলো। মোৰ কাৰ্যকালত আপোনাসৱক সেৱা আগবঢ়াই যাওঁতে মোৰ অজ্ঞাতে যদি কিবা ভুল হৈ গৈছে তাৰবাবে সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীৰ উপৰিও মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

সমাজ সেৱা সম্পাদকৰ পদত কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই মহাবিদ্যালয়ৰ 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ' অনুষ্ঠিত কৰা হৈছিল আৰু ইয়াত মোৰ এই বিভাগৰ ফালৰ পৰা কোনো প্ৰতিযোগিতা ৰখা হোৱা নাছিল যদিও মই সকলো সম্পাদকক সক্ৰিয়ভাৱে সহায় কৰিবলৈ যত্ন কৰিছিলো। ইয়াৰ উপৰিও ছাত্ৰ একতা সভাৰ Debate and Symposia পদটো অপূৰ্ণ হৈ ৰৈ যোৱাত সৰ্বসন্মতিক্ৰমে মোকেই এই পদৰ দায়িত্বভাৰ দিয়া হৈছিল। এই বিভাগৰ সম্পাদক হৈ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত কিছু প্ৰতিযোগিতা ৰাখিছিলো। ইয়াৰ ভিতৰত কুইজ প্ৰতিযোগিতাভাগি অন্য প্ৰতিযোগিতা সমূহতকৈ বেছি আকৰ্ষণীয় হোৱাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলেও যথেষ্ট পৰিমাণে আগ্ৰহ দেখুৱাইছিল। আনহাতে মোৰ কাৰ্যকালত ডিগবৈ মহাবিদ্যালয়ৰ সৌন্দৰ্যবৰ্ধন আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল। এই ক্ষেত্ৰত শ্বহীদ বেদীৰ সৌন্দৰ্যবৰ্ধন, মহাবিদ্যালয়ৰ কাষত থকা হাবি-বন কটা আদিয়েই প্ৰধান।

মোৰ দায়িত্বৰ ভিতৰত থকা অন্য এটা গুৰুত্বপূৰ্ণ কাম হ'ল সৰস্বতী পূজাৰ আয়োজন কৰাটো। আমাৰ মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ প্ৰতি ডিগবৈৰ লগতে চুবুৰীয়া সমূহ ৰাইজৰ এটা বিশেষ আকৰ্ষণ আছে। এই কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই সৰস্বতী পূজাভাগ পূৰ্বৰ দৰেই সাফল্যমণ্ডিত কৰি তুলিবলৈ যত্নৰ ক্ৰটি কৰা নাছিলো।

ডিগবৈ মহাবিদ্যালয়ৰ ২০০৮-২০০৯ বৰ্ষৰ মোৰ কাৰ্যকালত পদে পদে সহায় কৰা তথা পৰামৰ্শ আগবঢ়োৱা ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ ভৰালী বৰুৱা ছাৰ আৰু মোৰ সহপাঠী লক্ষ্যজ্যোতি গগৈলৈ বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কে. এন. টিমচিনা, প্ৰদীপ কুমাৰ খাউণ্ড, পবন গগৈ আৰু জিতু বৰা ছাৰলৈ বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছোঁ। তদুপৰি বন্ধুবৰ্গ মহেন্দ্ৰ, হেমন্ত, অমৰ, অসীম, বাবলু, তিলক, পৰাগ, পিংকু, ভবেশ, ভাস্কৰ, মনিতা, মাইনু আদি সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালছোৱাত যদি অজানিতে কিবা ভুল-ক্ৰটি ৰৈ গৈছে বা নজনাকৈ কাৰোবাক নক'বলগীয়া কথা কৈছো বা নকৰিবগীয়া ব্যৱহাৰ কৰিছো তাৰবাবে সকলোৰে ওচৰত মই পুনৰবাৰ ক্ষমা প্ৰাৰ্থনা জনাইছোঁ।

– জিণ্টু খনিকৰ
সমাজসেৱা, তৰ্ক আৰু আলোচনা বিভাগ
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৮-২০০৯ বৰ্ষ

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মই ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, সন্মানীয় প্ৰৱক্তা মণ্ডলী আৰু অন্যান্য কৰ্মচাৰী বৃন্দৰ লগতে সমূহ ছাত্ৰ–ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম জ্ঞাপন কৰিলো। ২০০৮–০৯ বৰ্ষৰ বাবে যিসকল ছাত্ৰ–ছাত্ৰীয়ে মোক ডিগবৈ মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক ৰূপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি গুৰু দায়িত্ব প্ৰদান কৰিলে তেওঁলোকলৈ মোৰ কৃতজ্ঞতা থাকিল। মোৰ কাৰ্য্যকালত আপোনালোকলৈ সেৱা আগবঢ়াই যাওঁতে অজানিতে হৈ যোৱা ভুলৰ বাবে মোক ক্ষমা কৰি দিয়ে যেন।

ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ–একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক ৰূপে দায়িত্ব হাতত লৈয়ে মহাবিদ্যালয়ৰ সমস্যা সমূহ সমাধান কৰিবলৈ চেষ্টা চলাইছিলো যদিও মহাবিদ্যালয়ৰ কিছু আভ্যন্তৰীণ সমস্যাৰ বাবে সেইবোৰ সমাধান কৰিব নোৱাৰিলো। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ বিভাগত পাতিবলগীয়া খেল সমূহ আছিল –

১) কবিতা আবৃত্তি (ইংৰাজী, হিন্দী, অসমীয়া), ২) চিত্ৰাংকণ প্ৰতিযোগিতা, ৩) প্ৰবন্ধ প্ৰতিযোগিতা, ৪) স্ব–ৰচিত (কবিতা, গল্প) প্ৰতিযোগিতা, ৫) ৰচনা প্ৰতিযোগিতা, ৬) একাংকিকা নাট প্ৰতিযোগিতা।

মোৰ আটাইকেইটা প্ৰতিযোগিতাতে বহুতো প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিছিল আৰু প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী সকলৰ মাজত যথেষ্ট উৎসাহ দেখা পোৱা গ'ল, যিটো সঁচাই প্ৰশংসনীয়।

মোৰ কাৰ্য্যকালত সকলো সময়তে দিহা পৰামৰ্শ দিয়াৰ বাবে শ্ৰীযুত মুকুন্দ মাধৱ গগৈ ছাৰ, পবন গগৈ চাৰ আৰু জিতু বৰা চাৰলৈ মোৰ প্ৰণিপাত জনালো।

সদৌ শেষত মোৰ ছাত্ৰ বন্ধু–বান্ধৱী মনজোমা আহমেদ, লক্ষজ্যোতি গগৈ, ৰিতুপল শৰ্মা, কিৰণমণি দিহিঙিয়া, ৰূপজ্যোতি দাস, জোলেখা বেগম, অৰূপ দাস, আৰু যিসকল বন্ধুৱে মোৰ কাৰ্য্যকালত সহায় সহযোগ আগবঢ়াইছিল সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই মোৰ প্ৰতিবেদন ইমানতে সামৰিলো।

ধন্যবাদেৰে,
**শ্ৰীৰাজপল শৰ্মা**
সাংস্কৃতিক সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ সন্মানীয় শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক শুভেচ্ছা, শ্ৰদ্ধা নিবেদিছোঁ। ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাত যিসকল সতীৰ্থ, বন্ধু-বান্ধৱীয়ে সহায়-সহযোগ আগবঢ়ালে তেওঁলোকক মোৰ কৃতজ্ঞতা আৰু ধন্যবান জ্ঞাপন কৰিছোঁ।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতেই আৰম্ভ হৈছিল 'মহাবিদ্যালয় সপ্তাহ'। এই মহাবিদ্যালয়ৰ ৪২তম্ বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ বিভাগত থকা কেৰম আৰু ডবা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আটাইকেইটা প্ৰতিযোগিতাত বহুতো প্ৰতিযোগীয়ে ভাগ লৈছিল।

মোৰ কাৰ্যকালত কি কৰিছিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। মোৰ কাৰ্যকালত সকলো সময়তে দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে শ্ৰীযুত বনজিত দাস ছাৰৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম। সেইদৰে সকলো ফালৰ পৰা ছাত্ৰ একতা সভাৰ সতীৰ্থ সকল আৰু বন্ধু-বান্ধৱীসকল ক্ৰমে ৰোহিত ছেত্ৰী, হেমন্ত, সঞ্জয় কুমাৰ প্ৰসাদ, সঞ্জয় চৰকাৰ আৰু বহুতলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত, মোৰ কাৰ্যকালত কিবা যদি ভুল-ভ্ৰান্তি হৈ গৈছে তাৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। পুনৰ সকলোলৈ মৰম যচাৰ লগতে ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদেৰে -

জয়তু ডিগবৈ মহাবিদ্যালয়
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

– **কৃষ্ণ বাহাদুৰ ছেত্ৰী**
সম্পাদক, ছাত্ৰ জিৰণী কোঠা
২০০৮-২০০৯

# সাধাৰণ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সাধাৰণ খেল বিভাগৰ সম্পাদক হিচাপে সন্মানীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু সহপাঠী বন্ধু-বান্ধৱীৰ অনুপ্ৰেৰণাত বিনা প্ৰতিদ্বন্দিতাৰে ২০০৮-২০০৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ খেল বিভাগৰ সম্পাদকৰ পদত থাকি সেৱা আগবঢ়াবলৈ সুবিধা পাওঁ।

ছাত্ৰ একতা সভাৰ পৰম্পৰা অনুসৰি কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ৪২তম্ মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচী হাতত ল'বলগা হয়। এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত থকা আটাইবিলাক খেলৰে প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক আছিল আৰু প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছিল।

ওপৰ মহলৰ নিৰ্দেশানুযায়ী সম্পাদকৰ তত্বাবধায়কৰ নিয়োগ বাতিল কৰা হৈছিল যদিও মোৰ বিভাগৰ খেলসমূহ পৰিচালনা কৰাত তত্বাবধায়ক হিচাপে থাকি বিশেষভাৱে সহযোগ আগবঢ়োৱা অধ্যাপক মহোদয় ড° কাঞ্চন কোঁৱৰ ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো। তদুপৰি খেলসমূহ পৰিচালনা কৰাত সহায়-সহযোগ আগবঢ়োৱা অধ্যাপক মহোদয় শ্ৰীযুত চি.চি. বৰুৱা ছাৰ, অৰুণ চন্দ্ৰ দত্ত ছাৰ, বিষ্টীৰাম নাৰ্জাৰী ছাৰ, জিতু বৰা ছাৰ, গৌৰী বুঢ়াগোহাঁই ছাৰ আদি সকলোলৈকে মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ লক্ষ্যজ্যোতি, ঋতুপন, অসীম, জিণ্টু, প্ৰতাপ, ৰবি আদি বন্ধু সকললৈ।

সদৌ শেষত মোৰ কাৰ্যকালত যদি অজানিতে কিবা ভুল হৈ গৈছে তেন্তে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ আৰু ডিগবৈ মহাবিদ্যালয়ৰ ভৱিষ্যত অধিক উজ্বল হোৱাৰ কামনা কৰিলো।

ধন্যবাদেৰে

।। জয়তু ডিগবৈ মহাবিদ্যালয়
জয়তু ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম ।।

**- পৰাগ শইকীয়া**
সাধাৰণ ক্ৰীড়া সম্পাদক
ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৮-২০০৯ বৰ্ষ

<u>*Secretarial Report*</u>

# Gymnasium Secretary

First of all, I would like to thank all students and friends for giving me an opportunity to serve as Gymnasium Secretary of Digboi College for the session 2008-2009.

The Annual Sport of our college was started from 14.11.2009. In this 43rd Annual College Week celebration, I arranged in my section various competitions like Power Lifting, Arm Wrestling and most popular event in our College 'Mr. Digboi College' which is a part of body building. I am very happy and thankful to all who have participated in this game. I would like to say that the entire student must take part in the games and sports following their good studies which will earn name and fame not only for them but also for the college.

I am very much grateful to my Prof-in-charge Mr. Gauri Buragohain Sir for helping me to carry out my games and works successfully during the session 2008-2009.

Lastly, I thank my friends for their kind and selfless support. I also thank all secretaries who have co-operated me to carry out my works smoothly.

I request all the teachers and students for your forgiveness, if I have done anything wrong knowingly or unknowingly during my session 2008-2009.

Thanking you all.

***– Deena Nath Rajak***
Gymnasium Secretary
Digboi College Students Union
2008-2009

# Results of the college week, 2008-09

**ARM-WRESTLING COMPETITION :**

**Below 50 kgs.**

1st Laxmi Gosh
2nd Seema Chetia
3rd Tulumoni Das

**GIRL'S (ABOVE 50 KG) :**

1st Puja Thapa
2nd Asha Choudhary
3rd Aparajita Kakoty

**CHAMPION OF CHAMPION (GIRL'S) :**

Pooja Thapa

**BOY'S (BELOW 55 KG) :**

1st Rupjyoti Borah
2nd Sarat Sonowal
3rd W.J. Khan

**BOY'S (BELOW 56–60 KG) :**

1st Ganesh Bahadur Chetry
2nd Ranjit Das
3rd Lakhindar Kr. Moran

**BOY'S (60–70 KG) :**

1st Diponkar Borah
2nd Babul Sangma
3rd Partha Pratim Barpujari

**BOY'S (ABOVE 70 KG) :**

1st K. Benudhar Reddy
2nd Monjit Saikia

**CHAMPION OF CHAMPION (BOY'S) :**

K. Bennudhar Reddy

**POWER-LIFTING COMPETITION :**

**BELOW 57 KG CATEGORY :**

1st Dinnath Rajak
2nd Pankaj Chetry

**58–68 KG CATEGORY :**

1st Dipankar Borah
2nd Partha Pratim Barpujari
3rd Mithuraj Khamti

**ABOVE 69 KG CATAGORY :**

1st Bikash Sonowal
2nd K. Benudhar Reddy
3rd Jolin Moran

**MR. STRONG MAN, DIGBOI COLLEGE 2008-2009 :**

Mr. Bikash Sonowal

**RESULT OF MR. DIGBOI COLLEGE :**

1st Partha Pratim Barpujari
2nd Jalin Moran
3rd Mithuraj Khamti

**CAROM BORD COMPETITION (BOYS)**

**SINGLE CARROM :**

1st Binod Lama – TDC 2nd year (Arts)
2nd Md. Samsul Jamal Khan, TDC 2nd Year (Arts)
3rd Jiban Chetia – TDC 2nd year (Arts)

**DOUBLES CARROM : (BOYS)**

1st Mitra Thapa B. A. 3rd Year
Binod Lama B.A. 2nd Year
2nd Tridip Mech H.S. 2nd Year (Arts)
Ujjal Saikia H.S. 1st Year (Arts)
3rd Jiban Chetia B.A. 2nd Year (Arts)
Ranjit Chetry H.S. 2nd Year (Arts)

**SINGING COMPETITION**

**BORGEET :**

1st Dibyajyoti Kakoti (B.Sc 2nd yr.)
2nd Nandan C. Baruah (H.S. 1st yr., Sci)
3rd Rajib Kalita (B.A 1st yr.)

**LOKAGEET :**

1st Nandan C. Baruah (H.S. 1st yr., Sci)
2nd Kironmoni Dihingia (B.Sc. IInd yr.)
3rd Dibyajyoti Kakoti (B.Sc. IInd yr.)

**JYOTI SANGEET :**

1st Nandan C. Baruah (H.S. 1st yr., Sci)
2nd Dibyajyoti Kakoti (B.Sc 2nd yr.)
3rd Manjuma Ahmed (B.A 2nd yr.)

**RABHA SANGEET :**

1st Nandan C. Baruah (H.S. 1st yr.)
2nd Manjuma Ahmed (B.A. 3rd yr.)
3rd Rajib Kalita (B.A. 1st yr.)

**BHAJAN :**

1st Nandan C. Baruah (H.S. 1st yr., Sci)

**PARBATI PRASAD SANGEET :**

1st Dibyajyoti Kakoti (B. Sc. 2nd yr.)
2nd Rajib Kalita (B. A. 1st yr.)
3rd Nandan C. Baruah (H.S. 1st yr., Sci)

**MODERN SANGEET :**

1st Nandan C. Baruah (H.S. 1st yr., Sci)
2nd Manjuma Ahmed (B.A. 3rd yr.,)
3rd Rupam Dutta

**BIHU GEET :**

1st Purobi Dihingia
2nd Manjuma Ahmed (B. A. 3rd yr.)
3rd Nandan C. Baruah (H.S. 1st yr., Sci)

**BEST SINGER :**

Nanda C. Baruah (H.S. 1st yr., Sci.)

**CARROM COMPETITION GIRLS (SINGLES) :**

1st Krishna Borah (H.S. 1st yr.)
2nd Azmi Nafisha Ahmed (T.D.C. 3rd yr.)

**DOUBLES :**

1st Anamika Das (T.D.C. 2nd yr.)
Laxmi Gorh (T.D.C. 2nd yr.)
2nd Chati Serpa (H.S. 2nd yr.)
Rubi Konwor (T.D.C. 1st yr.)

**CHESS (BOYS) :**

1st Sushil Rajbhar (T.D.C. 2nd yr.)
2nd Milian Debnath (H.S. 2nd yr., Com.)
3rd Bhaskarjyoti Gogoi (H.S. 1st yr., Arts)

**CHESS (GIRLS) :**

1st Sangeeta Newar (T.D.C 3rd yr.)
2nd Krishna Borah (H.S. 1st yr.)

**PAINTING :**

1st Gautam Bharali
2nd Medhni Neog

**A. ENGLISH POEM RECITATION COMPETITION :**

1st Chandan Dey
2nd Nil
3rd Nil

**B. ASSAMESE POEM RECITATION COMPETITION :**

1st Gautam Bharali (T.D.C. 3rd yr., Arts)
2nd Nikumoni Saikia (T.D.C. 3rd yr., Arts)
3rd Rupjyoti Das (T.D.C. 3rd yr., Arts)

**A. "GO AS YOU LIKE" COMPETITION (ONLY TWO COMPETITORS)**

1st Gautam Bharali (Character – Krishna)
2nd Julekha Begum (Character – Drunker)

**B. ESSAY WRITING COMPETITION :**

Topic – "সাম্প্ৰতিক সময়ৰ নৈতিকতাৰ অৱক্ষয় আৰু যুৱ সমাজৰ ভূমিকা"
"Moral Degradation of present time and role of the youth."

1st Kalpalota Chakraborty (T.D.C. 1st yr., Sc)
2nd Himanta Moran (T.D.C. 3rd yr., Arts)
3rd Reema Bhowal (T.D.C. 1st yr., Sc)

**C. STORY WRITING COMPETITION :**

1st Rekhamoni Das (H.S. 2nd yr., Arts)
2nd Rupjyoti Das (T.D.C. 3rd yr., Arts)
3rd Julekha Begum (T.D.C. 3rd yr., Arts)

**D. POEM WRITING COMPETITION :**

1st Gautam Bharali (T.D.C, 3rd yr., Arts)
2nd Himanta Moran (T.D.C, 3rd yr., Arts)
3rd Manash Jyoti Gogoi (T.D.C, 3rd yr., Arts)
Consolation Prize : Dibyajyoti Kakoti (T.D.C. 1st Yr., Sc.)

**E. ESSAY WRITING COMPETITION : (SPOT)**

Topic – "Role of students in controlling Environmental Pollution"
(পৰিৱেশ প্ৰদূষণ ৰোধ কৰাত ছাত্ৰ সকলৰ ভূমিকা)

1st Manash Jyoti Gogoi (T.D.C. 3rd yr., Arts)
2nd Kalpalota Chakraborty (T.D.C. 1st yr., Sc)
3rd Himanta Moran (T.D.C. 3rd yr., Arts)
Rupjyoti Das ,,

**F. STORY WRITING COMPETITION : (SPOT)**

Topic – "My Foregone Childhood"
(মোৰ হেৰুৱা শৈশৱকাল)

1st Nil
2nd Himanta Moran (T.D.C. 3rd Yr, Arts)
3rd Rupjyoti Das (T.D.C. 3rd Yr, Arts)

**G POEM WRITING COMPETITION : (SPOT)**

Topic – "Autumn" / "Peace" "শৰৎ" / "শান্তি"

1st Himanta Moran (T.D.C. 3rd yr., Arts)
2nd Chayanika Hazarika (T.D.C. 1st yr., Arts)
3rd Gautam Bharali (T.D.C. 3rd yr., Arts)

**H.** ২০০৮-০৯ বৰ্ষৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী
Best Literature Competitor for 2008-09.
Himanta Moran (T.D.C. 3rd yr., Arts)

**A. SOLO MODERN DANCE COMPETITION :**

1st Kironmoni Dihingia
2nd Purnima Gurung (H.S. 2nd Yr)
3rd Nil

**B. MODERN DANCE COMPETITION :**

1st Queen Dutta – B. com. 1st yr.
Kironmoni Dihingia – B. Com 1st Yr
Dipika Guha – B. com. 1st yr.
Mainu Handique – B.A. 1st yr.
Purnima Gurung – H.S. 2nd yr.
2nd Sima Chetry – B. A 1st yr.
Anita Keut – H.S. 2nd yr.
3rd Gautam Bharali
Ranjit Das
Rijumoni Kakoti
Jinti Gogoi

**BRIDE COMPETITION :**

1st Nikumoni Saikia
2nd Anamika Das
3rd Moon Moon Borgohain

**DRAMA COMPETITION :**

Best Drama : – প্ৰাপ্ত বয়স্ক শিক্ষা
Best Director : – লক্ষ্যজ্যোতি গগৈ
Best Actor : – শৰৎ সোণোৱাল, H.S. 2nd yr.
(নাটক-ৰিহাৰ্চেল, চৰিত্ৰ-হিৰণ্য)
Best Supporting Actor : – ভবেশ হালৈ
(নাটক-প্ৰাপ্তবয়স্ক শিক্ষা, চৰিত্ৰ-নন্দেশ্বৰ)
Best Actress : – হিমামী বৰা,
H.S. 2nd Yr. (নাটক – Jom the Great, চৰিত্ৰ – যম)
Best Supporting Actress : – স্নিগ্ধা বড়া
(নাটক – প্ৰাপ্তবয়স্ক শিক্ষা, চৰিত্ৰ ফাতেমা)। ■

# DIGBOI COLLEGE

## SESSION 2008 - 09

PRINCIPAL *(i/c.)*

**Sri Mahendra Bharali Boruah,** *M.Sc.*

VICE-PRINCIPAL*(i/c.)*

**Sri Golap Kalita,** *M.Sc., M. Phil*

## FACULTY MEMBERS

**DEPT. OF ENGLISH**

1. Mrs. Baby Ritu Phukan, *M.A. (HOD)*
2. Mr. Gouri Buragohain, *M.A., M.Phil.*
3. Mr. Pabitra Bharali, *M.A.*
4. Mr. Jayantadeep Dutta, *M.A., M.Phil,DLL & LW, DPM, IR*
5. Mr. S. Das, *M.A.*

**DEPT. OF ASSAMESE**

1. Mr. Purnananda Saikia, *M.A., M.Phil (HOD)*
2. Mrs. Deepa Sarma Borthakur, *M.A., M.Phil.*
3. Dr. Mrinal Kr. Gogoi, *M.A., M.Phil, Ph.D.*
4. Mr. Achyut Saikia, *M.A., M.Phil.*
5. Mr. Simanta Bordoloi, *M.A.*

**DEPT. OF BENGALI**

1. Mrs. Nandita Mitra, *M.A (HOD).*
2. Mr. Dipesh Mandal, *M.A., M.Phil.*

**DEPT. OF HINDI**

1. Dr. Pradip Kr. Bharati, *M.A., Ph.D. (HOD)*
2. Mrs Anuradha Kumari, *M.A., B.Ed.*

**DEPT. OF NEPALI**

1. Mr. Debicharan Sedai, *M.A.*

**DEPT. OF SANSKRIT**

1. Mrs. Geeta Chakravorty, *M.A.*

**DEPT. OF ECONOMICS**

1. Mr. Ashokananda Chakravorty, *M.A., (HOD)*
2. Mr. Jibanath Upadhaya, *M.A.*
3. Mrs. Mamoni Sarma, *M.A.*
4. Miss Abhijit Buragohain, *M.A., M.Phil.*
5. Mr. Mukunda Madhab Gogoi, *M.A., PGDCA*

**DEPT. OF POLITICAL SCEINCE**

1. Mr. Arun Ch. Dutta, *M.A., M.Phil.(HOD)*
2. Mr. Janardan Borah, *M.A.*
3. Mr. Banjit Das, *M.A., M.Phil.*
4. Mr. Jitu Borah, *M.A.*

**DEPT. OF PHILOSOPHY**

1. Mrs. Mukul Bhagawati, *(HoD), M.A.*
2. Dr. (Miss) Itu Das, *M.A., Ph.D.*
3. Mr. B. R. Narzari, *M.A.*

**DEPT. OF HISTORY**

1. Dr. (Mrs.) Anamika Neog, *M.A., Ph.D.(HOD)*
2. Mr. Partha Kumar Narah, *M.A.*

**DEPT. OF EDUCATION**

1. Mr. Poban Gogoi, *M.A.*
2. Vacant*

**DEPT. OF GEOGRAPHY**

1. Mrs. S. B. Saikia, *M.A., M.Phil.*

**DEPT. OF COMMERCE**

1. Mr. Pradeep Kr. Gupta, *M.Com. (HOD)*
2. Mr. Hari Prasad Verma, *M.Com*
3. Dr. Bikash Kumar Barua, *M.Com, M.Phil,, Ph.D.*
4. Mr. Cheni Chandra Barua, *M.Com, M.Phil.*
5. Mr. Bhababhuti Sankar Barua, *M.Com.*
6. Vacant*

**DEPT. OF MATHEMATICS**

1. Dr. Amrit Ch. Deka, *MSc., Ph.D. (HOD)*
2. Mr. Kedar Nath Timsina, *MSc.*
3. Mr. Jiban Changmai, *MSc., M.Mus.*
4. Dr. Jatindra Nath Lahkar, *MSc., Ph.D.*
5. Mr. Mukul Buragohain, *MSc., M.Phil.*

**DEPT. OF PHYSICS**

1. Mrs. Deepika Hazarika, *MSc., M.Phil.(HOD)*
2. Dr. Arun Ch. Sharma, *MSc., M.Phil, Ph.D.*
3. Mrs. Rashmi Patowari, *MSc.*
4. Dr. Kanchan Konwar, *M.Sc., Ph.D.*
5. Dr. C. Siam, *M.Sc., Ph.D.*

**DEPT. OF CHEMISTRY**

1. Mr. Tusit Kr. Sanyal, *M.Sc. (HOD).*
2. Mr. Arun Bikash Debnath, *M.Sc.*
3. Mr. Golap Kalita, *M.Sc., M.Phil*
4. Mrs. Jonali Dutta, *M.Sc., M.Phil.*
5. Miss Nilakshi Hazarika, *M.Sc.*

**DEPT. OF BOTANY**

1. Mr. Mahendra Bharali Boruah, *M.Sc..HOD*
2. Mrs. Papori Kalita, *M.Sc.*
3. Mrs. Jyotsna Sarma Phukan, *M.Sc.*
4. Dr. Tilak Ch. Dutta, *MSc., Ph.D.*

**DEPT. OF ZOOLOGY**

1. Mrs. Anu Borgohain, *MSc., (HOD)*
2. Mr. Saibal Deb, *M.Sc.*
3. Mrs. Aparajita Gogoi, *M.Sc., PGDEM*
4. Mr. Rajib Rudra Tariang, *M.Sc.*

**DEPT. OF ELECTRONICS**

1. Mr. P. K. Khound, *MSc., M.Phil.(HOD)*
2. Mr. Jayanta Handique, *M.Sc., M.Phil.*

**DEPT. OF COMPUTER SCIENCE/ COMPUTER APPLICATION**

1. Mr. Prasanta Prasad Singha, M.C.A.

## ADMINISTRATIVE AND MINISTERIAL STAFF

**OFFICE STAFF**

1. P. Borgohain, *Supervisory-Assistant*
2. R. N. Khound, *U.D.A.*
3. A. Phukan, (M.Lib. I.Sc.), *Libraian i/c*
4. D. Borkakoti, *Lab. Assistant*
5. A. Sarma, *U.D.A.*
6. P. Saikia, *L.D.A.*
7. R. Saikia, *L.D.A.*
8. H. Patgiri, *Lib. Assistant*
9. P.K. Saikia, *L.D.A.*
10. N. Sonowal, *L.D.A.* (Temporary)
11. M.N. Sarma, *Lab. Bearer*
12. D. Das, *Lib. Bearer*
13. D. Bora, *Lib. Bearer*
14. K.P. Kamar, *Lib. Bearer*
15. B. Saikia, *Lib. Bearer*
16. H.K. Konwar, *Lib. Bearer*
17. R.C. Tanti, *Lib. Bearer*
18. B. Konch, *Lib. Bearer*
19. R. Sonowal, *Lib. Bearer*
20. B. D. Konwar, *Gr. IV*
21. D. Gorh, *Gr. IV*
22. R. Sonnar, *Gr. IV* (Non-Sanctioned)
23. B. Das, *Night Watchman* (Non-Senctioned)
24. H.. K. Chetia, *Hostel Watchman*
25. T. Das, *Hostel Cook*
26. R. Chetia, *Hostel Cook*
27. B. Das, *Hostel Night Watchman*
28. R. Herijan, *Sweeper*
29. P. Chetia, *Gardener*

– 0 –

## ACADEMIC ACHIEVEMENTS

The following students brought laurels to the college by securing first class /Distinction in Degree Final Examinations.

| YEAR | NAME | SUBJECT | RANK |
|---|---|---|---|
| 1991 | Sri Ravi Jasrasaria | Accountancy | Distinction |
| | Sri Santosh Kr. Agarwal | Accountancy | Distinction |
| 1993 | Sri Hari prasad Nirola | Mathematics | Distinction |
| 1996 | Sri Subhasis Dhar | Accountancy | 4th |
| 1998 | Miss Himakshi Choudhury | Botany | 1th |
| | Sri Tridip Borah | Zoology | 6th |
| | Miss Monisha Gogoi | Zoology | 6th |
| | Sri Girish Kr. Gakhar | Accountancy | 2nd (Distinction) |
| 1999 | Miss Jasmin Ahmed | Physics | 15th |
| | Miss Shubhradeepa Das | Zoology | 7th |
| 2000 | Sri Kanchan Konwar | Physics | 10th |
| | Miss Tripti Chand | Botany | 5th |
| | Miss Romila Gohain | Zoology | 9th |
| | Miss Winnie Borgohain | Zoology | 10th |
| 2001 | Miss Runa Bhagawati | Zoology | 4th |
| 2002 | Miss Lovely Deb | Zoology | 13th |
| | Miss Asha Shukla | Physics | 2nd |
| 2003 | Sri Santosh Kr. Rai | Assamese | 1st |
| | Sri Rohit Upadhyaya | Economics | 2nd |
| | Miss Shrabani Dasgupta | Economics | 6th |
| | Sri Sanjay Kr. Yadav | Mathematics | 6th |
| | Miss Raktima Borah | Physics | 6th |
| | Miss Rita Kumari Agarwal | Physics | 7th |
| | Sri Dhiraj Bakshi | Physics | 7th |
| | Sri Debojit Saikia | Physics | 15th |
| | Sri Dhiraj Machey | Zoology | 6th |

| YEAR | NAME | SUBJECT | RANK |
|---|---|---|---|
| 2004 | Miss Sharmistha Chakraborty | Economics | 6th |
| | Miss Nabanita Saikia | Chemistry | 18th |
| | Miss Chaitali Paul | Physics | 11th |
| | Sri Binod Kr. Malla | Physics | 17th |
| | Miss Sangeeta Das | Zoology | 9th |
| | Miss Sarbamangala Choudhury | Zoology | 13th |
| 2005 | Miss Ashmita Bhattacharjee | Economics | 11th |
| | Miss Mistu Choudhury | Economics | 16th |
| | Miss Rachna Jaishy | Botany | 26th |
| | Sri Anup Kr. Agarwal | Mathematics | 12th |
| | Sri Yubraj Subh | Physics | 8th |
| | Miss Nirupa Das | Physics | 9th |
| | Sri Utpal Baruah | Physics | 18th |
| | Miss Kashmiri Konwar | Zoology | 15th |
| | Miss Julie Bhowmick | Zoology | 19th |
| | Miss Priyanka Roy | Zoology | 25th |
| | Miss Sweta Singh | Zoology | 25th |
| 2006 | Miss Jayashri Arandhara | Botany | 11th |
| | Miss Pallabi Baruah | Botany | 15th |
| | Sri Sourabh Kalita | Physics | 4th |
| | Sri Ambarish Goswami | Physics | 14th |
| 2007 | Miss Mun Mun Banerjee | Physics | 17th |
| | Beauty Das | Zoology | 40th |
| | Pankaj Agarwal | Accountancy | 19th |
| | Monoj Mandal | Chemistry | - |
| 2008 | **Miss Anindita Kakoty*** | Business Management | 1st |
| | Sri Saurav Chakraborty | Physics | 2nd |
| | Sri Pushkar Tripathi | Physics | 7th |

| YEAR | NAME | SUBJECT | RANK |
|---|---|---|---|
| 2008 | Miss Anjana Devi | Physics | 8th |
| | Miss Gitashri Arandhars | Physics | 16th |
| | Miss Manoshree Biswas | Physics | 27th |
| | Sri Bikash Dey | Physics | 35th |
| | Miss Gargi Roy | Zoology | 14th |
| | Miss Priyanka Das | Zoology | 27th |
| 2009 | Sri Himanta Moran | Assamese | 23rd |
| | *Miss Babli Dahotia | Assamese | 35th |
| | Miss Joli Koch | Assamese | 57th |
| | *Sri Bhaskar Jyoti Kalita | Economics | 39th |
| | *Sri Jaydeep Sarkar | Economics | 65th |
| | *Sri Manash Jyoti Gogoi | Pol. Science | 37th |
| | *Sri Anuj Kr. Rijal | Pol. Science | 71th |
| | *Miss Ani Chakraborti | Botany | 13th |
| | Miss Debajani Baruah | Botany | 45th |
| | *Sri Pariksit Deka | Physics | 36th |
| | Sri Pulakesh Dung | Physics | 54th |
| | *Sri Mrinmoyee Dutta | Zoology | 1st |
| | *Miss Arunima Chakraborty | Zoology | 3rd |
| | *Miss S. Jyoti | Zoology | 5th |
| | *Sri Tribeed Dewanjee | Zoology | 10th |
| | *Sri Deependu Karmakar | Zoology | 16th |
| | *Sri Kamalesh Debnath | Zoology | 21st |
| | Miss Mamata Deb | Zoology | 38th |
| | *Miss Natasha Kharbina Ahmed | Zoology | 39th |
| | *Sri Sandip Das | Zoology | 43rd |
| | *Sri Biswajit Sonowal | Zoology | 58th |
| | *Miss Sushmita Shome | Zoology | 64th |
| | 1st Div. Pass Course | | |
| | Sri Dipjyoti Das | Science | |
| | Miss Queen Bordoloi | Arts | |


*Miss Anindita Kakoti was adjuded Best Graduate in commerce among all the successful Major student of Dibrugarh University in 2008.

# আমাৰ প্ৰাক্তন সম্পাদকসকল

| | | |
|---|---|---|
| ডম্বৰু শইকীয়া | – | ১৯৭২–১৯৭৩ |
| শিৱদাস তালুকদাৰ | – | ১৯৭৫–১৯৭৬ |
| প্ৰদীপ ফুকন | – | ১৯৭৬–১৯৭৭ |
| অজিত কুমাৰ বৰা | – | ১৯৭৮–১৯৭৯ |
| ৰমেশ গগৈ | – | ১৯৮০–১৯৮১ |
| ৰবীন ৰয় | – | ১৯৮১–১৯৮২ |
| নৰেন্দ্ৰ হাজৰিকা | – | ১৯৮২–১৯৮৩ |
| প্ৰবীন মমিন ৰাজখোৱা | – | ১৯৮৩–১৯৮৪ |
| অৰুণ পাল | – | ১৯৮৪–১৯৮৫ |
| ৰঞ্জিত ফুকন | – | ১৯৮৬–১৯৮৭ |
| পবিত্ৰ কুমাৰ গগৈ | – | ১৯৮৭–১৯৮৮ |
| দ্বীপেন কুমাৰ বৰা | – | ১৯৮৮–১৯৮৯ |
| নয়নমনি বৰা | – | ১৯৮৯–১৯৯০ |
| কমলাকান্ত বুঢ়াগোঁহাই | – | ১৯৯০–১৯৯১ |
| ৰুদ্ৰ বাহাদুৰ ছেত্ৰী | – | ১৯৯১–১৯৯২ |
| গণেশ বাহাদুৰ ছেত্ৰী | – | ১৯৯২–১৯৯৩ |
| দীপক কুমাৰ ছেত্ৰী | – | ১৯৯৩–১৯৯৪ |
| ৰমনী বুঢ়াগোঁহাই | – | ১৯৯৪–১৯৯৫ |
| ৰাজীৱ শইকীয়া | – | ১৯৯৫–১৯৯৬ |
| প্ৰিতম কুমাৰ খাউন্দ | – | ১৯৯৬–১৯৯৭ |
| ভূৰেন্দ্ৰ শৰ্মা | – | ১৯৯৭–১৯৯৮ |
| প্ৰফুল্ল সোনোৱাল | – | ১৯৯৮–১৯৯৯ |
| নিলোৎপল শইকীয়া | – | ১৯৯৯–২০০০ |
| ধৰণী লাহন | – | ২০০০–২০০১ |
| হোমনাথ উপাধ্যায় | – | ২০০১–২০০২ |
| ফণী শৰ্মা | – | ২০০২–২০০৩ |
| ফণী শৰ্মা | – | ২০০৩–২০০৪ |
| পঙ্কজ আগৰৱালা | – | ২০০৫–২০০৬ |
| ৰঞ্জিত গুৰাগাই | – | ২০০৬–২০০৭ |

**এই সংখ্যাৰ সম্পাদক – অমৰ ছেত্ৰী**

–0–


ডিগবৈ মহাবিদ্যালয়
এক অন্তহীন যাত্রা........



College Administrative Building



College Main Building



College Girls' Hostel



College Boys' Hostel




College Commerce Building



College Auditorium




College Library




Boys' Common Room




Printed @ THE ASSAM COMPUTERS, Parbotia, Tsk - 786 125, Assam #0374-2330424 (O)
E-mail : assamcomputers@gmail.com ; Website : http://theassamcomputers.webs.com